www.epaper.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. (Title) : ASSASS01389

‘ ভুলৰ মাজেদি নহাকৈ কোনো এজন মানুহেই মহান তথা সফল হ’ব নোৱাৰে।
— উলিয়াম শেক্সপীয়েৰ — ’

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- ‘অসম বাৰ্তা’ গোষ্ঠী -

❒ ষষ্ঠ বছৰ ❒ সংখ্যা - ১৬৮ ❒ বুধবাৰ ❒ ৬ আগষ্ট, ২০২৫ চন ❒ ২০ শাওন, ১৯৪৭ শক ❒ VOL - 6 ❒ NO.- 168 ❒ Wednesday ❒ 6th August, 2025 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮

■ হাজাৰ-হাজাৰ টকাত দেহৰ দৰ-দাম ■ বাপ্তি হাজৰিকাসহ চাৰি অভিযুক্তক গ্ৰেপ্তাৰ

# আভিজাত্যৰ মহানগৰীত দেহৰ ৰমৰমীয়া বেহা


## গুৱাহাটীৰ দুটা ফ্লেটত ১০ গৰাকী যুৱতীক ৰাখি অবৈধ ব্যৱসায় পৰিচালনা বাপ্তি হাজৰিকাৰ
## ২০ৰ পৰা ২৮ বছৰ বয়সৰ যুৱতীসকলক চাকৰিৰ প্ৰলোভন দেখুৱাই দেহ ব্যৱসায়ত জড়িত



**অসম বাৰ্তা, গুৱাহাটী, ৫ আগষ্ট ঃ** মহানগৰীৰ জয়ানগৰৰ বাপ্তিছ ইন গেষ্ট হাউছত চলি থকা এক দেহ ব্যৱসায়ৰ ৰমৰমীয়া ৰেষ্টৰেকৰ্ট পোহৰলৈ আহিছে। গুৱাহাটী আৰক্ষীৰ অভিযানত গেষ্ট হাউছৰ স্বত্বাধিকাৰী বাপ্তি হাজৰিকাসহ চাৰিগৰাকী অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। এই ঘটনাত জড়িত থকা কেইবাগৰাকী যুৱতীক উদ্ধাৰ কৰাৰ লগতে তিনিগৰাকী ভুক্তভোগীকো সুৰক্ষিত কৰা হৈছে। মঙলবাৰে পূব গুৱাহাটী আৰক্ষী জিলাৰ উপ-আৰক্ষী অধীক্ষক (DCP) মৃণাল ডেকাৰ নেতৃত্বত বশিষ্ঠ আৰক্ষীয়ে জয়ানগৰৰ বাপ্তিছ ▸▸৬ পৃষ্ঠাত

### আজিৰ কলম

## কবিতা আবৃত্তিৰ কৰ্ষণ ক্ষেত্ৰত গোটাদিয়েক জানিবলগীয়া বিধি



শৰৎ চন্দ্ৰ চিৰিং ফুকন

**মা**নৰ সভ্যতাৰ সাংস্কৃতিক পৰিমণ্ডলৰ সুচিতা আৰু পৱিত্ৰতা ৰক্ষাৰ ▸▸৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ দাবী

## উৰিয়ামঘাটত হোৱা নাই নগাৰ আগ্ৰাসন



**অসম বাৰ্তা, গুৱাহাটী, ৫ আগষ্ট ঃ** উৰিয়ামঘাটত প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযানৰ পাছত ৰেংমা সংৰক্ষিত বনাঞ্চলৰ ১২ হেজাৰ হেক্টৰ ভূমি দখলমুক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ ▸▸৬ পৃষ্ঠাত

উচ্চতম ন্যায়ালয়ত চলিত সপ্তাহতেই হ’ব শুনানি

## পুনৰ পূৰ্ণ ৰাজ্যৰ মৰ্যাদা জম্মু-কাশ্মীৰলৈ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৫ আগষ্ট ঃ** জম্মু-কাশ্মীৰৰ পূৰ্ণাংগ ৰাজ্যিক মৰ্যাদা পুনৰুদ্ধাৰৰ দাবীত উচ্চতম ন্যায়ালয়ত গোচৰৰ শুনানি আৰম্ভ হ’বলৈ গৈ আছে। অহা শুকুৰবাৰে মুখ্য ন্যায়াধীশ বি আৰ গাভাইৰ নেতৃত্বত এই গোচৰৰ শুনানি অনুষ্ঠিত হ’ব বুলি ঘোষণা কৰা হৈছে। জম্মু-কাশ্মীৰৰ আঞ্চলিক দলসমূহে ২০২৪ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে প্ৰতিশ্ৰুতি দিছিল যে তেওঁলোকে ▸▸৬ পৃষ্ঠাত



## অগপক শক্তিশালী কৰাৰ আহ্বান অতুল বৰাৰ

**অসম বাৰ্তা, দেৰগাঁও, ৫ আগষ্ট ঃ** অসম গণ পৰিষদ দল হ’ল অসমৰ একমাত্ৰ আঞ্চলিক ▸▸৬ পৃষ্ঠাত

ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদৰ পিছত নগাৰ বিচৰণত শংকা

## এক ইঞ্চি মাটিও হেৰুৱাব নিদিও ঃ বিশ্বজিৎ ফুকন



**ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ৫ আগষ্ট ঃ** উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত শেহতীয়া উচ্ছেদ অভিযানৰ পিছত অসম-নাগালেণ্ড সীমান্তৰ এই অঞ্চলত নগা লোকৰ বিচৰণৰ এক ভিডিঅ’ সামাজিক মাধ্যমত ভাইৰেল হৈ সমগ্ৰ অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ভিডিঅ’ত এজন নগা লোকে দাবী কৰিছে যে ৰজাপুখুৰী আৰু গেলাজানৰ দৰে অঞ্চল নাগালেণ্ডৰ অধীনৰ। তেওঁৰ মতে, এই অঞ্চলসমূহ ▸▸৬ পৃষ্ঠাত


## বিজেপিৰ উচ্ছেদ নীতি বহিঃৰাজ্যৰ হাতত ভূমি তুলি দিয়াৰ ষড়যন্ত্ৰ ঃ অখিল গগৈ



**অসম বাৰ্তা, কাজিৰঙা, ৫ আগষ্ট ঃ** অসমৰ বিদেশী সমস্যাৰ প্ৰসঙ্গত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নীতিৰ তীব্ৰ সমালোচনা কৰিছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। তেওঁ সংবাদ মাধ্যমৰ সৈতে কথা পাতি বিজেপি চৰকাৰৰ বিদেশী বিতৰণৰ প্ৰতিশ্ৰুতিৰ ব্যৰ্থতা তুলি ধৰে আৰু অসমৰ উচ্ছেদ অভিযানক সাম্প্ৰদায়িক ৰাজনীতিৰ অস্ত্ৰ হিচাপে আখ্যা দিয়ে। অখিল গগৈয়ে প্ৰশ্ন তুলি কয়, “যেতিয়া আমেৰিকাই অবৈধ প্ৰব্ৰজনকাৰীক হাত-ভৰি বান্ধি বিমানেৰে দেশলৈ ▸▸৬ পৃষ্ঠাত

নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ

## ২৩ হাজাৰ কোটিৰে নিৰ্মাণ হ’ব শ্বিলং-শিলচৰ দ্ৰুতবেগী কৰিডৰ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৫ আগষ্ট ঃ** মেঘালয় চৰকাৰে উমিয়াম হ্ৰদৰ পৰা উজনি অসমৰ শিলচৰ সংযোগী এক বিশাল দ্ৰুতবেগী

ডাৱৰ বিস্ফোৰণৰত চাৰিজনৰ মৃত্যু, ৫০ৰো অধিক নিৰুদ্দেশ

## প্ৰকৃতিৰ তাণ্ডৱলীলাত বিধ্বস্ত উত্তৰাখণ্ডৰ উত্তৰকাশী

### পবিত্ৰ গংগোত্ৰী ধামৰ সৈতে সকলো পথ সংযোগ বিচ্ছিন্ন

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৫ আগষ্ট ঃ** উত্তৰাখণ্ডৰ উত্তৰকাশী জিলাৰ ধৰালী গাঁৱত মঙলবাৰে প্ৰায় ১: ৪৫ বজাত সংঘটিত এক শক্তিশালী ডাৱৰ বিস্ফোৰণে ব্যাপক ধবংসলীলা চলাইছে। হৰচিলৰ ভাৰতীয় সেনা শিবিৰৰ পৰা প্ৰায় ৪ কিলোমিটাৰ দূৰত্বত অৱস্থিত এই গাঁৱত ঘটা এই প্ৰাকৃতিক দুৰ্যোগৰ ফলত এতিয়ালৈকে ▸▸৬ পৃষ্ঠাত



অপাৰেশ্যন সেন্দূৰৰ সফলতাৰ প্ৰশংসা

## এনডিএৰ সংসদীয় বৈঠকত মোদীক সম্বৰ্ধনা

**অসম বাৰ্তা, নতুন দিল্লী, ৫ আগষ্ট ঃ** মঙলবাৰে অনুষ্ঠিত এনডিএৰ সংসদীয় দলৰ বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অপাৰেশ্যন সেন্দূৰ আৰু অপাৰেশ্যন ▸▸৬ পৃষ্ঠাত

’২০ৰ বিটিচি চুক্তিৰ পূৰ্বৰ পৰা বসবাস কৰা লোকসকলে পাব ভূমিৰ অধিকাৰ

## অখিলৰ সভাত মুছলমানসকলে বিজেপি জিন্দাবাদ বুলি কোৱাটো সাংঘাতিক কথা



**অসম বাৰ্তা, বঙাইগাঁও, ৫ আগষ্ট ঃ** বড়োলেণ্ড প্ৰাদেশিক পৰিষদ (বিটিচি) নিৰ্বাচনৰ দিন যতনৈ চাপি অহাৰ লগে লগে ভাৰতীয় জনতা পাৰ্টি (বিজেপি) তীব্ৰ প্ৰচাৰত নামিছে। মঙলবাৰে চিৰাঙৰ বিজনী বিদ্যাপীঠৰ মাৰ্গত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই থুৰিবাৰী আৰু সুবাইঝাৰ পৰিষদীয় সমষ্টিৰ ▸▸৬ পৃষ্ঠাত

মেৰাপানীৰ নেঘেৰিবিলৰ উচ্ছেদিত বনভোজ-স্থলীত অসমৰ লোকৰ প্ৰৱেশ নিষিদ্ধ নগা লোকৰ

## পথ নিৰ্মাণৰ জৰিয়তে অসমৰ ভূমি দখলৰ পৰিকল্পনা নগাৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ আগষ্ট ঃ** গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিলত চলা উচ্ছেদ অভিযানৰ মাজতে নাগালেণ্ডৰ পৰা নতুন বিপদৰ আগজাননী প্ৰকাশ পাইছে। সৰুপথাৰৰ গেলাজান আৰু ২ নম্বৰ ৰজাপুখুৰীৰ ভূমি নাগালেণ্ডৰ অংশ বুলি দাবী কৰাৰ পাছত এইবাৰ নাগালেণ্ডৰ দৃষ্টি পৰিছে নেঘেৰিবিলৰ ভূখণ্ডৰ ওপৰত। উল্লেখ্য যে, নাগালেণ্ডৰ কিছু গাঁৱৰ নেতৃত্বই নেঘেৰিবিলৰ বনভোজস্থলীত অসমৰ লোকৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ ▸▸৬ পৃষ্ঠাত

নাগালেণ্ডৰ দুটা পৃথক উগ্ৰপন্থী সংগঠনৰ বৃহৎ সংখ্যক সদস্যৰ সীমান্তত বাহৰ



শৃংখল চলিহাৰ মন্তব্যৰ বিৰোধিতাৰে অখিল গগৈৰ বীৰ লাচিত সেনালৈ পত্ৰ

## সাম্প্ৰদায়িক সংঘৰ্ষৰ উচটনিৰ যন্ত্ৰ শৃংখল



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ আগষ্ট ঃ** শিৱসাগৰত বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাৰ “মিঞা খেদা” অভিযানে উজনী অসমৰ সামাজিক সম্প্ৰীতি বিপন্ন কৰিছে বুলি অভিযোগ উত্থাপন কৰিছে বিধায়ক অখিল গগৈয়ে। ▸▸৬ পৃষ্ঠাত



## বিলাসীপাৰাৰ টিয়াপাৰাত চাঞ্চল্যকৰ হত্যাকাণ্ড

**অসম বাৰ্তা, লক্ষ্মীগঞ্জ, ৫ আগষ্ট ঃ** ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলাৰ অন্তৰ্গত টিয়াপাৰাত সংঘটিত হৈছে এক চাঞ্চল্যকৰ হত্যাকাণ্ড। ভাতৃয়ে নিজ ভগ্নীক হত্যা কৰাৰ অভিযোগ উত্থাপন কৰে পৰিয়ালে। পৈতৃক সম্পত্তিৰ লালসাত শাৰীৰিক প্ৰতিবন্ধী ভগ্নীক হত্যা কৰে ভাতৃয়ে বুলি অভিযোগ উত্থাপিত হৈছে। ইতিমধ্যে হত্যাৰ অভিযোগত আৰক্ষীয়ে আটক কৰে ভাতৃ আব্দুল বাছিদক। উল্লেখ্য যে গাঁওখনৰ ৰছিতন বেগম নামৰ বিবাহ বিচ্ছেদ মহিলা গৰাকী পিতৃ গৃহত থাকে। পৈতৃক সম্পত্তিৰ লালসাত মহিলা গৰাকীৰ ভাতৃ আব্দুল বাছিদ নবৌ ৰৌশনা বিবি আৰু ভতিজা মাছুমে নিৰিহ ৰছিতন বেগমক ঘৰৰ ভিতৰতে হত্যা কৰে বুলি ৰছিতনৰ ভগ্নীৰ লগতে পৰিয়ালে সন্দেহ কৰে। এই ঘটনাৰ পিছতেই অঞ্চলটোত সৃষ্টি হয় তীব্ৰ চাঞ্চল্যৰ। পিছত ঘটনাস্থলীত বিলাসীপাৰা মহকুমা দণ্ডাধীশ আৰু আৰক্ষীৰ দল উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নিয়ে। লগতে পৰিয়ালৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে আব্দুল বাছিদক আটক কৰি থানালৈ নিয়ে। ঘটনাৰ ন্যায় তদন্ত ক্ৰমে দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবী তুলিছে পৰিয়ালৰ লগতে স্থানীয় ৰাইজে।

## বাক্সাৰ খেতিপথাৰত নাই পানী

**অসম বাৰ্তা, বাগানপাৰা, ৫ আগষ্ট ঃ** বাক্সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত কৃষক সকলৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। অনাবৃষ্টিৰ ফলত কৃষকে পথাৰত খেতি কৰিব পৰা নাই। আজি তিনি মাহ ধৰি বৰষুণ নোহোৱাৰ ফলত কৃষকে মূৰে কপালে হাত দিব লগা হৈছে। ভীষণ সমস্যাৰ সন্মুখীন হৈছে কৃষক সকল। খেতি পথাৰত পানী নাই। আনহাতে কঠীয়াবোৰ পানীৰ অভাৱত নষ্ট হ'ব ধৰিছে। কেতিয়া বৰষুণ হ'ব কেতিয়া খেতি আৰম্ভ কৰিব তাৰ দুশ্চিন্তাত পৰিছে কৃষক সকল। কিয়নো এই অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা নাই। বৰষুণৰ পানীৰ ওপৰত ভিত্তি কৰিয়েই কৃষক সকলে খেতি কৰি আহিছে। বৰষুণ নোহোৱাৰ ফলত পথাৰত চিৰাল ফাট মেলিছে, ঘাঁহনিগছি সেউজীয়া হৈ পৰিছে। বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত বাগানপাৰা, অদলা, শিমলাবাৰী, খৈৰাণী, বগুলামমাৰী, পাখামাৰা, বৰিকাদণ্ডা আদি গাঁৱৰ কৃষক সকলে খেতি কৰিব পৰা নাই। আহাৰ-শাওন মাহত অসমৰ কৃষকে পথাৰৰ মাটি সেউজীয়া কৰি সোণোৱালী সপোন ৰচে। কিন্তু অতি দুখ লগা বিষয় যে, বাক্সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ এই সকল কৃষকে এতিয়াও পানীৰ অভাৱত ভুঁই ৰুব পৰা নাই। বৰষুণৰ পানী লৈ আশাপালি থাকোঁতে খেতি ৰুৱাৰ উপযুক্ত সময় অতিবাহিত হ'ব। নিৰ্ধাৰিত সময়ত ভুঁই ৰুব নোৱাৰিলে সময় অতিক্ৰম কৰাৰ পিছত উপযুক্ত ফচল পোৱাৰ পৰা বঞ্চিত হ'ব কৃষক সকল। সেয়ে কৃষক সকলে খৰাং পীড়িত অঞ্চল হিচাপে ঘোষণা কৰি ৰাজ্য চৰকাৰ তথা বি টি চি প্ৰশাসনক উপযুক্ত ক্ষতিপূৰণ দিবলৈ ৰাইজে দাবী জনাইছে।

# অভয়াপুৰীৰ কুশবাৰী জাতীয় বিদ্যালয়ত আমছুৰ উদ্যোগত কলম বিতৰণ কাৰ্যসূচী ৰূপায়ণ



**অসম বাৰ্তা, অভয়াপুৰী, ৫ আগষ্ট ঃ** শিক্ষাই একমাত্ৰ পথ- সমাজক আলোকিত কৰা, পিছপৰা জনগোষ্ঠীক আগবঢ়োৱা। এই গভীৰ বোধ আৰু দায়বদ্ধতাৰে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৱে "ঘৰে ঘৰে শিক্ষা তেতিয়াহে ৰক্ষা" এই শ্লোগানক মূলমন্ত্ৰ কৰি আমছুৰ উত্তৰ শালমাৰা জিলা সমিতিৰ অন্তৰ্গত মেৰেৰচৰ আঞ্চলিক সমিতিৰ উদ্যোগত কুশবাৰী জাতীয় বিদ্যালয়ত এক তাৎপৰ্যপূৰ্ণ কলম বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। এই কলম বিতৰণ অনুষ্ঠানটোৱে কেৱল শিক্ষাৰ সামগ্ৰী বিতৰণ নহয়, বৰঞ্চ এক চিন্তাশীল সমাজ গঠনৰ উদ্দেশ্যে শিক্ষা কেন্দ্ৰিক আন্দোলনৰ সূচনা। ১ আগষ্টৰ পৰা আৰম্ভ হোৱা আমছুৰ এমাহীয়া শিক্ষামূলক অভিযানৰ অংশ হিচাপে এই কাৰ্যসূচীৰ লক্ষ্য হ'ল সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহত শিক্ষাৰ পোহৰ প্ৰজ্বলিত কৰা আৰু শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক সকলৰ মনোভাৱ উন্নত কৰা। অসমত সাম্প্ৰতিক সময়ত খিলঞ্জীয়া ৰক্ষাৰ নামত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কিছু সিদ্ধান্তৰ পটভূমিত এই কাৰ্যসূচী বিশেষ তাৎপৰ্য বহন কৰে। আমছুৰ মতে, সমাজৰ গতি শিক্ষা-নিৰ্ভৰ হ'ব লাগিব, অস্ত্ৰৰে নহয়। আমছুৰ কেন্দ্ৰীয় সভাপতি ৰেজাউল কৰিমে অনুষ্ঠানত ভাষণ প্ৰসংগত কয় খিলঞ্জীয়া ৰক্ষাৰ নামত চৰকাৰে মাৰাণাস্ত্ৰ প্ৰদানৰ যি পদক্ষেপ গ্ৰহণ কৰিছে, আমছুৱে তাৰ প্ৰতি উত্তৰ দিব কলমেৰে। শিক্ষাই আমাৰ একমাত্ৰ পথ, কলমেই আমাৰ যুঁজৰ অস্ত্ৰ। আমি বিশ্বাস কৰোঁ, কেৱল শিক্ষাৰ জৰিয়তে সুস্থ সমাজ গঠন সম্ভৱ। তেওঁ লগতে সকলো শিক্ষানুৰাগী, অভিভাৱক, শিক্ষক, সংগঠন, তথা সচেতন নাগৰিক সকলক এই শিক্ষাৰ জাগৰণ যাত্ৰাত আমছুৰ লগত সহযাত্ৰী হ'বলৈ আহ্বান জনায়। অসমৰ প্ৰতিটো ঘৰতে যেন শিক্ষাৰ পোহৰ জ্বলি উঠে, সেই দিশে সংগঠনটোৱে সদায় প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ দৃঢ়ভাৱে উল্লেখ কৰে। অনুষ্ঠানখনত বিদ্যালয়ৰ প্ৰায় ৫০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়া কলম বিতৰণ কৰা হয়। প্ৰত্যেকগৰাকী শিক্ষাৰ্থীৰ হাতত কলম দিবলৈ আমছুৰ প্ৰতিনিধিসকল আগবাঢ়ি আহে। কলম কেৱল লিখিবৰ বাবে নহয়, বৰঞ্চ ই এটা আশা, এটা শক্তি, এটা অস্ত্ৰ, যাৰ জৰিয়তে আমি গঢ়ি তুলিব পাৰো নিজৰ আৰু সমাজৰ ভৱিষ্যৎ। ইয়াৰ উপৰিও উপস্থিত বক্তাসকলে তেওঁলোকৰ ভাষণত প্ৰত্যক্ষভাৱে উল্লেখ কৰে শিক্ষাৰ বিকাশ অবিহনে উন্নয়নৰ নামত গ্ৰহণ কৰা যিকোনো পদক্ষেপ অপূৰ্ণ। এই কাৰ্যসূচীৰ জৰিয়তে আমছুৱে সমাজক সজাগ কৰা, ছাত্ৰ-ছাত্ৰীৰ মনত আত্মবিশ্বাস জগোৱা আৰু অভিভাৱক সকলক শিক্ষাৰ প্ৰতি অধিক মনোনিবেশ কৰোৱাৰ চেষ্টাত এক যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছে। এই কলম বিতৰণ কাৰ্যসূচীয়ে কুশবাৰী অঞ্চলত শিক্ষাৰ জাগৰণৰ এক নতুন সূচনা হিচাপে বিবেচিত হৈছে। বহুদিন ধৰি পশ্চাদপটত থকা অঞ্চলসমূহত এই ধৰণৰ পদক্ষেপেই শিক্ষাৰ পোহৰে লাহে লাহে পূৰ্ণ বিকাশ লাভ কৰিব পাৰে। আমছুৰ এই সাহসী আৰু পৰিকল্পিত পদক্ষেপে আগন্তুক দিনত শিক্ষিত, সজাগ আৰু সম্ভাৱনাপূৰ্ণ সমাজ গঠনত এক দীঘলীয়া ভূমিকা গ্ৰহণ কৰিব বুলি ৰাইজে আশা প্ৰকাশ কৰিছে। বিদ্যালয় খনৰ পৰিচালনা সঞ্চালক আলাউদ্দিন শ্বৰীফে আঁত ধৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে আমছুৰ কেন্দ্ৰীয় সভাপতি ৰেজাউল কৰিম সৰকাৰ, আমছুৰ কেন্দ্ৰীয় উপ সভাপতি জাহাঙ্গীৰ আলম, আমছুৰ কেন্দ্ৰীয় সহঃ সাধাৰণ সম্পাদক বাহাৰুল ইছলাম, উত্তৰ শালমাৰা জিলা আমছুৰ উপ সভাপতি ৰফিকুজ জামান, সাধাৰণ সম্পাদকদ্বয় খুৰশিদ আলম, জাহানুৰ আলম, সহঃ সাধাৰণ সম্পাদক ৰিয়াজুল হক আৰু অন্যান্য বিষয়ববীয়াসকলৰ উপস্থিতিয়ে অনুষ্ঠানখনৰ গৰিমা বৃদ্ধি কৰে।



## ডিব্ৰুগড়ত পথ সুৰক্ষাৰ সজাগতাৰ অৰ্থে প্ৰতীকী হেলমেট উদ্বোধন আয়ুক্তৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৫ আগষ্ট ঃ** ডিব্ৰুগড় জিলা পৰিবহণ বিষয়াৰ কাৰ্য্যালয় প্ৰাংগণত জনসাধাৰণৰ মাজত পথ সুৰক্ষাৰ সজাগতা সৃষ্টিৰ অৰ্থে সাজি উলিওৱা 'প্ৰতীকী হেলমেট'ৰ আজি (৪-৮-২৫) শুভ উদ্বোধন কৰে জিলা আয়ুক্ত বিক্ৰম কৈৰী সমন্বিতে জিলা আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী আৰু ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই। এই উপলক্ষে জ্যেষ্ঠ সাংবাদিক তথা ডিব্ৰুগড় জিলা পথ সুৰক্ষা সমিতিৰ সদস্য ৰতন হাজৰিকাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ শুভ উদ্বোধনী অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যাৰ লগতে আদৰণি ভাষণ আগবঢ়ায় জিলা পৰিবহণ বিষয়া হিৰকজ্যোতি ডেকাই। অনুষ্ঠানত জিলা পৰিবহণ বিভাগৰ বিষয়াবৰ্গ উপস্থিত থকাৰ লগতে চহৰখনৰ বিভিন্ন যান-বাহনৰ ডীলাৰৰ প্ৰতিনিধিৰ লগতে এই প্ৰতীকটো নিৰ্মাণ কাৰ্যত সহযোগিতা কৰা বিশিষ্ট ব্যৱসায়ী সঞ্জয় জৈন, কুশল হাজৰিকা, নিখিল আগৰৱাল, অৰুণ জৈন, ৰঞ্জিত সিং আদি উপস্থিত থাকে। আনহাতে, কাঁচেৰে আবৃত এই 'প্ৰতীকী হেলমেট'টো নিৰ্মাণ কৰিছিল শিল্পী নিকু শইকীয়াই। উল্লেখ্য যে এই প্ৰতীকী হেলমটটো চলিত বৰ্ষত পোনপ্ৰথমবাৰৰ বাবে ডিব্ৰুগড়ত উদযাপিত ৰাজ্যিক পৰ্যায়ৰ গণতন্ত্ৰ দিৱসৰ কাৰ্যসূচীত প্ৰতীকপট হিচাপে প্ৰদৰ্শিত হৈছিল আৰু শ্ৰেষ্ঠ হিচাপে ডিব্ৰুগড় জিলাই প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। অনুষ্ঠানত প্ৰতীকপটটো নিৰ্মাণ কৰা শিল্পীগৰাকীৰ লগতে নিৰ্মাণ কাৰ্যত সহযোগিতা কৰা ব্যক্তিসকলক ফুলাম গামোচাৰে আদৰণি জ্ঞাপন কৰাৰ লগতে তিনিগৰাকী ছাত্ৰীক একোটাকৈ হেলমেট প্ৰদান কৰা হয়।

## বুঢ়ীনগৰ গাঁও পঞ্চায়তৰ নতুন গৃহৰ আধাৰশিলা স্থাপন বিধায়ক পৰমানন্দ ৰাজবংশীয়ে



**অসম বাৰ্তা, দেওমৰনৈ, ৫ আগষ্ট ঃ** ছিপাঝাৰ বিধানসভা সমষ্টিৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ অধীনৰ বুঢ়ীনগৰ গাঁও পঞ্চায়তৰ পূৰ্বৰ গৃহটো সম্প্ৰতি ব্যৱহাৰৰ অনুপযোগী হৈ পৰাত পঞ্চায়তৰ কাৰ্যালয়ৰ লগতে অনাগত দিনত ৰাইজৰ সুবিধাৰ বাবে সকলো সা-সুবিধা থকা এটা গৃহ নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিছে স্থানীয় বিধায়ক পৰমানন্দ ৰাজবংশী আৰু পঞ্চায়তৰ সভানেত্ৰী পম্পী ডেকাই। ইতিমধ্যে গৃহটো নিৰ্মাণৰ বাবে ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী দেৱে RGSA আঁচনিৰ অধীনত ২০ (বিশ লাখ) টকা ব্যয় সাপেক্ষে বুঢ়ীনগৰ গাঁও পঞ্চায়তৰ পঞ্চায়ত ভৱনৰ আধাৰশিলা লগতে ভূমিপূজন কৰে। ইফালে, সোমবাৰে মাংগলিক কাৰ্যৰে দেওমৰনৈ মণ্ডলৰ সভাপতি ভাস্কৰ দিবাকৰ কলিতাৰ লগতে বুঢ়ীনগৰ গাঁও পঞ্চায়ত সচিব, কাৰ্যবাহী অভিযন্তা লগতে পঞ্চায়তৰ ৱাৰ্ড সদস্য-সদস্যা, আঞ্চলিক পঞ্চায়ত সদস্যৰ উপৰি স্থানীয় শতাধিক লোকৰ উপস্থিতিত নৱনিৰ্মিত গৃহটোৰ আধাৰশিলা স্থাপন কৰে বিধায়ক পৰমানন্দ ৰাজবংশীয়ে। ইফালে, আধাৰশিলা স্থাপন অনুষ্ঠানত বিধায়ক ৰাজবংশীয়ে কয় যে গৃহটো নিৰ্মাণ যাতে কোনো দুৰ্নীতি বা লেহেমীয়া নহয় তাৰ বাবে পঞ্চায়ত প্ৰতিনিধি আৰু অভিযন্তাক সকীয়নি দিয়াৰ লগতে গৃহটো নিৰ্মাণ কাৰ্য ক্ষেত্ৰত স্থানীয় সচেতন ব্যক্তিয়ে চকু ৰাখিবলৈ আহ্বান জনায় বিধায়কে। যদি কিবা দুৰ্নীতিৰ আশ্ৰয় লোৱাৰ তথ্য ৰাইজে লাভ কৰে লগত লগত জিলা প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায় ৰাইজক।

## সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ডুমডুমাত প্ৰথম বাৰ্ষিক সদৌ অসম ভাওনা প্ৰতিযোগিতাৰ অভ্যৰ্থনা সমিতি গঠন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৫ আগষ্ট ঃ** সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উদ্যোগত, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত আৰু ডুমডুমাবাসী ৰাইজৰ সহযোগত পোন প্ৰথমবাৰৰ বাবে ডুমডুমাত অনুষ্ঠিত কৰিবলৈ লোৱা সদৌ অসম ভাওনা প্ৰতিযোগিতাৰ অভ্যৰ্থনা সমিতিখন দেওবাৰে বিয়লি ডুমডুমা নগৰ খেলপথাৰত অনুষ্ঠিত এক ৰাজহুৱা সভাত গঠন কৰা হয়। তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আৰম্ভণিতে ডুমডুমাৰ 'স্বৰগম সংগীতালয়'ৰ ছাত্ৰী তথা কণমানি শিল্পী অৰ্চিকা কলিতাই এটি বৰগীত পৰিৱেশন কৰি সভাস্থলীৰ পৰিৱেশটো অতি সুন্দৰ কৰি তোলে। জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কনচেং গগৈয়ে আঁত ধৰা তথা উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সমৰজ্যোতি গোঁহাইয়ে কয় যে, নৱ প্ৰজন্মক অনৈতিক কাৰ্যকলাপৰ পৰা আঁতৰত ৰাখি অসমীয়া জাতিৰ চহকী কৃষ্টি-সংস্কৃতি সমূহৰ সৈতে সংপৃক্ত কৰি ৰখাৰ চেষ্টা ছাত্ৰ সন্থাই সদায় কৰি আহিছে। সেয়ে গুৰুজনাৰ অমৰ সৃষ্টি ভাওনাৰ জৰিয়তে আমি যাতে সকলোকে একত্ৰিত কৰি ৰাখিব পাৰো তাৰেই চেষ্টা কৰি তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উদ্যোগত প্ৰথমবাৰলৈ ডুমডুমাত সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লৈছে। আনহাতে এই সভাত উপস্থিত থকা সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, বিশিষ্ট সমাজকৰ্মী অৰ্জুন বৰুৱা, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক জিতেন্দ্ৰ চুতীয়া, বিশিষ্ট সমাজকৰ্মী অৰ্জুন বৰুৱা, ডুমডুমা নামঘৰ সমিতিৰ সভাপতি মৃগেন শইকীয়া, ডুমডুমা জ্যেষ্ঠ নাগৰিক সংস্থাৰ সভাপতি গোবিন্দ ফুকন, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আব্দুল কাদিৰ, সত্ৰীয়া সংস্কৃতিৰ সাধক মাধৱ বৰা, হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অলিপ খান, বিশিষ্ট সমাজকৰ্মী উমানন্দ দত্ত, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বীৰেন্দ্ৰ হাজৰিকা আদিয়ে ডুমডুমাত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰিবলৈ লোৱা ভাওনা প্ৰতিযোগিতাখনি কিদৰে সাফল্যমণ্ডিত কৰি তুলিব পৰা যাব সেই বিষয়ে বিভিন্ন পৰামৰ্শ আগবঢ়াই নিজা নিজা ভাষণ প্ৰদান কৰে। এই ৰাজহুৱা সভাই অৱসৰপ্ৰাপ্ত শিক্ষক তথা ডুমডুমা নামঘৰৰ সভাপতি মৃগেন শইকীয়াক সভাপতি, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বীৰেন্দ্ৰ হাজৰিকা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক তথা অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী জিতু ডেকাক কাৰ্যকৰী সভাপতি, তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক উত্তম বৰুৱা আৰু জিলা ছাত্ৰ সন্থাৰ বৰ্তমানৰ সহকাৰী সম্পাদক পাপু মৰাণক যুটীয়া সম্পাদক আৰু ডুমডুমাৰ বিশিষ্ট সমাজকৰ্মী হেমন্ত মহন্তক কোষাধ্যক্ষ হিচাপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰে। ইয়াৰ উপৰিও এই ভাওনা প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনৰ মুখ্য সম্পাদক হিচাপে ৰূপাই হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্ত আৰু যুটীয়া সম্পাদক হিচাপে ডুমডুমা শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা আৰু বিশিষ্ট সাংবাদিক অভিজিৎ খাটনিয়াৰক সভাই দায়িত্ব অৰ্পণ কৰে। সভাখনৰ সভাপতিৰ বক্তব্যত জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগে কয় যে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে যিদৰে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে প্ৰতিগৰাকী লোকক লগত লৈ বৃহৎ অসমীয়া জাতিটো গঠন কৰি যি বাৰ্তা দি থৈ গৈছে, তাকে সৰোগত কৰি বৃহত্তৰ অঞ্চলটোৰ সকলোকে একত্ৰিত কৰি এই ভাওনা প্ৰতিযোগিতাখনি ডুমডুমাত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। সেয়ে এই ক্ষেত্ৰত অঞ্চলটোৰ প্ৰতিভাগ নামঘৰ, ধৰ্মীয় অনুষ্ঠানৰ লগতে সমূহ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে সভাপতি নেওগে। ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, ডুমডুমা শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণ, তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি নয়নজ্যোতি বৰশইকীয়া, প্ৰাক্তন ছাত্ৰনেতা ৰাণা সোণাৰ, ডুমডুমা পৌৰসভাৰ প্ৰাক্তন সভাপতি দুলু আৰন্ধৰা আৰু তৃষ্ণা দাস চেতিয়াকে প্ৰমুখ্য কৰি ডুমডুমা অঞ্চলৰ যথেষ্ট সংখ্যক বিশিষ্ট ব্যক্তি সভাখনত উপস্থিত থাকে। উল্লেখযোগ্য যে, ভাওনা প্ৰতিযোগিতাৰ তাৰিখ আৰু উপ সমিতি সমূহ পৰৱৰ্তী সময়ত সম্পূৰ্ণ কৰিবলৈ এই ৰাজহুৱা সভাই পৰামৰ্শ আগবঢ়ায়।

## ঘোঁৰামাৰাত গছত বান্ধি চোৰৰ সন্দেহত তালিবানি শাস্তি, প্ৰতিবাদ

**অসম বাৰ্তা, গৰৈমাৰী, ৫ আগষ্ট ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত ঘোঁৰামাৰা পথাৰ গাঁৰত ম'বাইল ফোন চুৰি কৰাৰ সন্দেহত নিৰীহ যুৱক এজনক ম'ৰেল পুলিচৰূপী ১২ জনীয়া দল এটাই কালি গুৰুলা গুৰুলকৈ মাৰপিট কৰে। জানিব পৰামতে জোৰশিমুলীৰ ঘোঁৰামাৰা পথাৰ গাঁৱৰ আব্দুল বাতেনৰ পুত্ৰ ছাহানুৰ ইছলাম (৩২) দুই আগষ্টৰ নিশা একেগাঁৱৰ বাবুল আলীৰ ঘৰত থাকিবলৈ যায়। পিচদিনা তিনি আগষ্টৰ পুৱা বাবুল আলীৰ ঘৰৰ শোৱাপাটীৰ পৰা ছাহানুৰ ইছলাম নামৰ যুৱকজনক উঠাই নি ম'ৰেল পুলিচৰ দলটোৱে ম'বাইল চুৰি কৰাৰ সন্দেহত অতি নিৰ্মমভাৱে অত্যাচাৰ চলায়। দলটোৱে ইমানতে ক্ষান্ত নাথাকি ছাহানুৰ ইছলামক তুলি নি বাহেজ উদ্দিনৰ ঘৰলৈ নি তামোল গছত হাত বান্ধি নিৰ্মমভাৱে অত্যাচাৰ চলোৱাক কেন্দ্ৰ কৰি ঘোঁৰামাৰাবাসী ৰাইজ সৰৱ হৈ পৰিছে। ইপিনে উক্ত ঘটনা সন্দৰ্ভত ছাহানুৰ ইছলামৰ পিতৃয়ে কালি ম'ৰেল পুলিচৰূপী ১২জন লোকৰ বিৰুদ্ধে জোৰশিমুলী আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। জানিব পৰামতে অনৈতিকভাৱে নিৰীহ যুৱকক অত্যাচাৰ চলোৱা ম'ৰেল পুলিচৰূপী নিন্দনীয়া কৰ্ম কৰা লোককেইজনক আটক কৰাৰ দাবীত ৰাইজে আজি ঘোঁৰামাৰা পথাৰৰ মিলিজুলি বজাৰত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে ম'ৰেলগিৰী নচলিব, আমাৰ ন্যায্য বিচাৰ লাগিবই, ম'ৰেল পুলিচক গ্ৰেপ্তাৰ কৰক, গুণ্ডাগিৰী নচলিব, গুণ্ডাবাহিনীক গ্ৰেপ্তাৰ কৰক, মানৱাধিকাৰ ৰক্ষা কৰক আদি শ্ল'গান দি পৰিবেশ উত্তাল কৰি তোলে।

## বিজেপি নেত্ৰীৰ পৰা আদি কৰি প্ৰায় দুই শতাধিক লোকৰ অগপ দলত যোগদান

**অসম বাৰ্তা, মাকুম, ৫ আগষ্ট ঃ** নৱগঠিত মাকুম বিধান সভা সমষ্টিৰ অন্তৰ্গত বাৰেকুৰি গাঁও পঞ্চায়ত কাৰ্যালয়ত আজি অসম গণ পৰিষদ বাৰেকুৰি আঞ্চলিক পৰিষদৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। অগপ মাকুম সমষ্টিৰ সভাপতি প্ৰবাল চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত কৰা সভাত অনাগত দিনবিলাকত লক্ষ্য প্ৰাপ্তিৰ উদ্দেশ্যৰে এক পৰ্যালোচনা কৰা হয়। ইয়াৰ লগতে বাৰেকুৰি আঞ্চলিক পৰিষদৰ সভাপতি হিচাপে তিলেশ্বৰ মৰাণক দায়িত্ব অৰ্পণ কৰি এক শক্তিশালী সমিতি গঠন কৰা হয়। আজিৰ কাৰ্যনিৰ্বাহক সভাতে অসম গণ পৰিষদ দলৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ অগপ দলত বিজেপি দলৰ বাৰেকুৰি গাওঁ পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী নিকুঞ্জ মহন্ত চেতিয়াৰ লগতে দুই শতাধিক লোকে যোগদান কৰে। প্ৰাক্তন বিজেপি নেত্ৰী গৰাকীয়ে অসম গণ পৰিষদত যোগদান কৰাত বাৰেকুৰিয়েই নহয় সমগ্ৰ মাকুম সমষ্টিতে দলটোক উজ্জীৱিত কৰাৰ আশাৰ ৰেঙনি কঢ়িয়াই আনিছে দলটোলৈ। উক্ত সভাত উপস্থিত থাকে চাবোৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, অসম গণ পৰিষদ দলৰ সাধাৰণ সম্পাদক জ্যোতিমণি মৰাণ, অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উমাকান্ত গোহাঁই, মাকুম সমষ্টিৰ সভাপতি পিণ্টু গোঁহাই, মাকুম সমষ্টিৰ সাধাৰণ সম্পাদক দিগন্ত শইকীয়া প্ৰমুখ্যে কৰি জিলাৰ শীৰ্ষ পৰ্যায়ৰ দলীয় কৰ্মী সকল। সভাৰ অন্তত আগন্তুক মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদৰ নিৰ্বাচনত অগপ দলৰ পৰা প্ৰাৰ্থীত্ব প্ৰদান কৰা হব বুলি সাধাৰণ সম্পাদক জ্যোতিমণি মৰাণে সংবাদ মাধ্যমৰ আগত অৱগত কৰাৰ লগতে "ৰাইজে বিচাৰিলে নিশ্চিত ভাৱে মই মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিম, কাৰণ পূৰ্বৰ ডিগবৈ সমষ্টিৰ অন্তৰ্ভুক্ত হৈ থকা বৃহত্তৰ বাৰেকুৰি অঞ্চলত অসম গণ পৰিষদ দললৈ সীমিত কেইজনমান ব্যক্তি ওলাই আহিছিল, ২০১৭ চনত মই যোগদান কৰাৰ পাছত সহস্ৰাধিক লোক ওলাই আহি অগপ দলত যোগদান কৰিছে" বুলি প্ৰবাল চেতিয়াই মত প্ৰকাশ কৰে।

## গোৱালপাৰাত ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে 'হৰ ঘৰ টিৰংগা' কাৰ্যসূচী ৰূপায়ণৰ প্ৰস্তুতি



**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৫ আগষ্ট ঃ** দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে অন্যান্য জিলাৰ দৰে গোৱালপাৰা জিলাতো গ্ৰহণ কৰা হৈছে 'হৰ ঘৰ টিৰংগা' কাৰ্যসূচী। ইয়াৰ বাবে আজি গোৱালপাৰা জিলা প্ৰশাসনে সকলো চৰকাৰী বিভাগৰ জিলা মুৰব্বী বিষয়া, পৌৰসভা, জ্যেষ্ঠ নাগৰিক আদিৰ উপস্থিতিত এখন সভা অনুষ্ঠিত কৰে। অতিৰিক্ত জিলা আয়ুক্ত নৱজিৎ পাঠকৰ সভাপতিত্বত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভা গৃহত সভাখন অনুষ্ঠিত হয়। কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত অনুসৰি বিগত বৰ্ষৰ দৰে এইবাৰো দেশৰ স্বাধীনতা দিৱস উপলক্ষে অন্যান্য জিলাৰ দৰে গোৱালপাৰা জিলাতো হৰ ঘৰ টিৰংগা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা অনুসৰি ২ আগষ্ট ২০২৫ তাৰিখৰ পৰা ১৫ আগষ্ট ২০২৫ তাৰিখলৈ প্ৰতিটো পৰিয়ালে নিজৰ ঘৰৰ সন্মুখত ৰাষ্ট্ৰীয় পতাকা উত্তোলন বা প্ৰদৰ্শন কৰি ৰাখিব পাৰিব। গোৱালপাৰা জিলা প্ৰশাসনেও জিলাখনৰ প্ৰতিটো পৰিয়াল, কাৰ্যালয়, অনুষ্ঠান- প্ৰতিষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান আদিক ৰাষ্ট্ৰীয় পতাকা উত্তোলন বা প্ৰদৰ্শন কৰি ৰাখিবলৈ আহ্বান জনাইছে। এই ক্ষেত্ৰত আমাৰ ৰাষ্ট্ৰীয় পতাকাখনৰ মৰ্যাদা যেন লাঘৱ নহয় বা ৰাষ্ট্ৰীয় পতাকাখনত যথোচিত সন্মানসহকাৰে যেন ব্যৱহাৰ কৰা হয় - তাৰ বাবে সজাগ হবলৈ জিলা প্ৰশাসনে সকলো পক্ষকে আহ্বান জনাইছে। অতিৰিক্ত জিলা আয়ুক্ত প্ৰীতম ৰাজা শৰ্মাই আঁত ধৰা আজিৰ সভাখনত নিৰ্বাচনী বিষয়া পল্লৱী বৰা, সহকাৰী আয়ুক্ত নিশামণি কলিতা, আশিস কলিতা আৰু মেৰী হাজৰিকাকে আদি কৰি বিভাগীয় বিষয়াসকল উপস্থিত থাকে। হৰ ঘৰ টিৰংগা কাৰ্যসূচীত গোৱালপাৰা পৌৰসভা, লক্ষ্মীপুৰ পৌৰসভা আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, গোৱালপাৰাই আত্ম সহায়ক গোট সমূহৰ দ্বাৰা বাইক ৰেলী, শোভাযাত্ৰা বা অন্য দেশ প্ৰেমমূলক কাৰ্যসূচী গ্ৰহণ কৰিব। বিদ্যালয় - মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা লিখা, চিঠি লিখা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বিষয়ে সভাত আলোচনা কৰা হয়।

## বঙাইগাঁৱত আধাতে বিদ্যালয় এৰা সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ তথ্যক লৈ চিন্তিত শিক্ষা বিভাগ

**অসম বাৰ্তা, অভয়াপুৰী, ৫ আগষ্ট ঃ** ৰাজ্যখনত বিদ্যালয় বহিৰ্ভূত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হতাশজনক হাৰত বৃদ্ধি পাবলৈ ধৰাত শিক্ষা বিভাগত ব্যাপক উদ্বেগৰ সৃষ্টি হৈছে। এই ঘটনাই শিক্ষাখণ্ডত উদ্বেগৰ সৃষ্টি হৈছে। মধ্যাহ্ন ভোজন, বিনামূলীয়া ঐক্যসাজ বিনামূলীয়া পাঠ্যপুথি আদি উপলব্ধ থকাৰ পাচতো অসমত বিদ্যালয় বহিৰ্ভূত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা উদ্বেগজনক ভাৱে বৃদ্ধি পাবলৈ ধৰা তথ্যই ৰাজ্যৰ শিক্ষা বিভাগক চিন্তিত কৰি তুলিছে। আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰত তিনিও বিভাগতে শীৰ্ষ চাৰিটা সংখ্যাৰ ভিতৰত আছে। ইয়াৰে মাধ্যমিক পৰ্যায়ত বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত দ্বিতীয় স্থানত, প্ৰাথমিক পৰ্যায়ত বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত ৬.২ শতাংশৰে চতুৰ্থ আৰু উচ্চ প্ৰাথমিকৰ ক্ষেত্ৰত ৮.২শতাংশৰে তৃতীয় স্থানত আছে। বঙাইগাঁও জিলাত এই সংখ্যা যথেষ্ট চিন্তাজনক। তথ্য অনুসৰি, বৰ্তমান পৰ্যন্ত জিলা খনত মুঠ ১, ৭৫৩ গৰাকী ছাত্ৰ-ছাত্ৰী আধাতে বিদ্যালয় এৰিছেবুলি জানিব পৰা গৈছে। জিলাখনৰ বিভিন্ন শিক্ষাখণ্ড অনুসৰি বইটামাৰী শিক্ষাখণ্ডত ১৪৬ গৰাকী, বঙাইগাঁৱ শিক্ষাখণ্ডত ৩৯৭ গৰাকী, মাণিকপুৰ শিক্ষাখণ্ডত ১৮১ গৰাকী আৰু সৃজনগ্ৰাম শিক্ষাখণ্ডত সৰ্বাধিক ১০৩১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে আধাতে বিদ্যালয় এৰিছে। এই সকলো তথ্য 'শিক্ষাসেতু' এপৰ ড্ৰপব'ত প্ৰতিফলিত হৈছে। বিদ্যালয় বহিৰ্ভূত বুলি গণ্য হোৱা বহু ছাত্ৰ-ছাত্ৰী অন্য বিদ্যালয়, বিশেষকৈ বেচৰকাৰী বা ডাইচ কোড নথকা বিদ্যালয়ত নামভৰ্তি কৰা বুলি জানিব পৰা গৈছে। লগতে, কিছুমান নতুন ছাত্ৰ-ছাত্ৰীৰ নাম 'শিক্ষাসেতু'ৰ ড্ৰপব"ৰ পৰা পুল নকৰা বা নতুনকৈ এণ্ট্ৰি কৰা ঘটনাও এই সংখ্যা বৃদ্ধিত বিশেষ ভূমিকা পালন কৰিছে। এইপৰিস্থিতিৰ গম্ভীৰতা উপলব্ধি কৰি আজি বিদ্যালয় বহিৰ্ভূত পৰ্যালোচনা সমিতিৰ সভানেত্ৰী কৃষ্ণা বৰুৱাৰ নেতৃত্বত এক গুৰুত্বপূৰ্ণ ভিডিঅ' কনফাৰেঞ্চ অনুষ্ঠিত হয়। কনফাৰেঞ্চত ৰাজ্যৰ সকলো শিক্ষাখণ্ডৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক, শৈক্ষিক স্বেচ্ছাসেৱক সকলে অংশগ্ৰহণ কৰে। এই বৈঠকত ৰাজ্যখনৰ প্ৰতিটো মণ্ডল সমল কেন্দ্ৰত কমেও ১০জনকৈ বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীক লৈ জৰীপ চলাবলৈ নিৰ্দেশ দিয়া হয়। ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় এৰাৰ কাৰণ নিৰ্ধাৰণ কৰাটো এই জৰীপৰ মূল উদ্দেশ্য। তদুপৰি, জৰীপ কাৰ্যত তৃণমূলৰ গুৰুত্ব বিবেচনা কৰি গাঁওবুঢ়া সকলকো অন্তৰ্ভুক্ত কৰাৰ বাবে জিলা আয়ুক্তসকলক নিৰ্দেশনা প্ৰেৰণ কৰা হৈছে। শিক্ষা বিভাগে আশা প্ৰকাশ কৰিছে যে এই বিস্তৃত জৰীপৰ জৰিয়তে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সঠিক তথ্য উদঘাটন হ'ব আৰু তেওঁলোকক পুনৰ বিদ্যালয়ত অন্তৰ্ভুক্ত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব।



### ইউপিপিএল নেতাৰ জাতি বিৰোধী মন্তব্য

## জাঙুৰ খাই উঠিল কোচৰাজবংশী-বাঙালী সংগঠন

**অসম বাৰ্তা, গোঁসাইগাঁও, ৫ আগষ্ট ঃ** হাতীধুৰা টিচিএলচিচিৰ উপ সভাপতি তথা ইউপিপিএল দলৰ যুৱ নেতা ইছহাক ঈশ্বৰাৰী য়ে ৰাজহুৱা কামত বাধা দিয়াৰ উপৰি কোচৰাজবংশী আৰু বাঙালী জাতিক লৈ অপমানসূচক মন্তব্য কৰাত কোচৰাজবংশী সংগঠন আৰু সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ শ্ৰীৰামপুৰ আঞ্চলিক সমিতিৰ তৰফৰ পৰা তীব্ৰ গৰিহণা জনোৱাৰ লগতে জাতিবিৰোধী মন্তব্য কৰা ইউপিপিএলৰ এই উদণ্ড যুৱকজনৰ বিৰুদ্ধে দলে ব্যৱস্থা কৰাৰ দাবী জনায়। সংগঠনদ্বয়ে কৰা অভিযোগ মতে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ ৩ নম্বৰ শ্ৰীৰামপুৰ সমষ্টিৰ শ্ৰীৰামপুৰস্থিত অনুকূল ঠাকুৰ মন্দিৰত যোৱাৰ বাবে এখন পথ নিৰ্মাণৰ কাম প্ৰায় ছমাহ পূৰ্বে শ্ৰীৰামপুৰ ভিচিডিচিৰ অধীনত আৰম্ভ কৰা হয়। পথত মাটি পেলাই কাম আৰম্ভ কৰাৰ লগে লগে এই কাম বন্ধ কৰাৰ বাবে ইছহাক ঈশ্বৰাৰীয়ে নিৰ্দেশ দিয়াত কামটো ইমান দিন ধৰি অৰ্ধনিৰ্মিত হৈ পৰি আছে। ইয়াক লৈ ৰাইজৰ মাজত ক্ষোভ পুঞ্জীভূত হৈ থকাৰ পাছত পুনৰ শ্ৰীৰামপুৰত নিৰ্মীয়মান চিকিৎসালয়ৰ সন্মুখভাগত শ্ৰীৰামপুৰ ভিচিডিচিৰ উদ্যোগত মাটি পেলাই সমান কৰাৰ কাম চলি থকা সময়ত পুনৰ ইছহাক ঈশ্বৰাৰীয়ে উক্ত কামৰ চোৱা চিতা কৰাৰ দায়িত্বত থকা শ্ৰীৰামপুৰ ভিচিডিচিৰ বিজেপিৰ সদস্য ধনীৰাম বৰ্মনক জাত পাত তুলি গালি গালাজ কৰে। চাওঁতাল কলোনীত ৰাজবংশী বাঙালীৰ কোনো অধিকাৰ নাই। তহতে কোনো কাম কৰিব নোৱাৰিবি। শ্ৰীৰামপুৰ বজাৰৰ মুকলি ঠাইত ধনীৰামক চূড়ান্ত অপমান কৰাৰ উপৰি ইছহাকে তেওঁক প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰাৰ পাছত আজি সংবাদমাধ্যমৰ আগত ইছহাক ঈশ্বৰাৰীৰ মন্তব্যৰ গৰিহনা দিয়ে আৰু তেওঁৰ এই মন্তব্যই ইউপিপিএল দলৰ ক্ষতি কৰিব। ইছহাক ঈশ্বৰাৰীৰ জাতিবিৰোধী মন্তব্যই কোচৰাজবংশী আৰু বাঙালীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দলৰ শীৰ্ষ নেতৃত্বই ইছহাকৰ বিৰুদ্ধে কী ব্যৱস্থা গ্ৰহণ কৰে সেয়াই হ'ব লক্ষণীয়।

### ভাল বন্ধু কিতাপ, কিতাপতকৈও ভাল বন্ধু নিজে ঃ ডঃ কমলেশ্বৰ কলিতা

## ডুমডুমাত মৰাণ ছাত্ৰ-ছাত্ৰীৰ মাজত পাঠ্যপুথি বিতৰণ



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৫ আগষ্ট ঃ** "শিক্ষা কেৱল পৰীক্ষাত নম্বৰ পোৱাৰ মাপকাঠি নহয়। শিক্ষা হৈছে মানুহৰ বাবে এটা জীৱন। জ্ঞান লাভ কৰিবলৈ হ'লে পঢ়িব লাগিব, ৰেডিঅ' শুনিব লাগিব, বাতৰি কাকত পঢ়িব লাগিব। সাম্প্ৰতিক সময়ত কিতাপ পঢ়াৰ অভ্যাস কমি গৈছে, মানুহ অতি মাত্ৰাত ডিজিটেল হৈছে। সমাজত অতীতৰ পৰম্পৰা, আচাৰ-বিচাৰ, ভাষা - সংস্কৃতি আদি সকলো দিশত ব্যাপক পৰিৱৰ্তন হৈছে, য'ত সংস্কাৰী প্ৰমূল্যবোধৰ গুৰুত্ব কমি গৈছে" - এনেদৰে ছাত্ৰ - ছাত্ৰীসকলৰ আগত অতি গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ালে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কমলেশ্বৰ কলিতাই। মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চই বিগত বৰ্ষসমূহৰ দৰে চলিত বৰ্ষতো ইতিপূৰ্বে ঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মৰাণ জনগোষ্ঠীটোৰ ছাত্ৰ - ছাত্ৰীসকলক প্ৰয়োজনীয় পাঠ্যপুথি বিনামূলীয়াকৈ আগবঢ়াবলৈ ডুমডুমা মহাবিদ্যালয়ৰ 'কল্লোল' প্ৰেক্ষাগৃহত এটি অনুষ্ঠান আয়োজন কৰা হৈছিল। মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ সভাপতি ভাৰ্গৱ মৰাণৰ পৌৰোহিত্যত "পাঠ্যপুথি উপহাৰ আৰু অভিৰোচন অনুষ্ঠান, উৎকৰ্ষ, ২০২৫" শীৰ্ষক অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে মঞ্চৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ উপদেষ্টা সুখেন নেওগে। মঞ্চৰ সম্পাদক জ্ঞান বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত অসম মৰাণ সভাৰ সভাপতি ৰাজীৱ বড়া, মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ ধৰ্মেন্দ্ৰ নেওগে জনগোষ্ঠীটোৰ ছাত্ৰ - ছাত্ৰীসকলক নিজৰ লগতে জাতীয় দায়বদ্ধতাকো সমানে গুৰুত্ব দিবলৈ আহ্বান জনাই উদগণিমূলক বক্তব্য আগবঢ়ায়। মৰাণসকলৰ পুৰোধা ব্যক্তি তথা জাতীয় সংগঠনকেটাৰ প্ৰচেষ্টাত সম্প্ৰতি মৰাণ ছাত্ৰ - ছাত্ৰীসকলে বহুতো সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে আৰু ইয়াৰ বাবে ছাত্ৰ - ছাত্ৰীসকলে একাগ্ৰতাৰে কষ্ট কৰি জীৱনত সফলতা অৰ্জন কৰিব লাগিব বুলি পৰামৰ্শ আগবঢ়ায় শদিয়া সমষ্টিৰ বিধায়ক বলীন চেতিয়াই। সভাত বিশিষ্ট আমন্ত্ৰিত অতিথি হিচাপে ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰী উপস্থিত থাকি ছাত্ৰ - ছাত্ৰীসকলক লোকসেৱা আয়োগ তথা অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষা আদিৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ হ'লে কেনেদৰে কষ্ট আৰু কৌশল অৱলম্বন কৰিব লাগিব, সেই বিষয়ে বিশদ ব্যাখ্যা আগবঢ়োৱাৰ লগতে সামাজিক দায়বদ্ধতাৰে কৰ্মৰ জৰিয়তে সমাজ তথা দেশ, জাতিৰ সেৱা কৰি যাব লাগিব, সেই ক্ষেত্ৰতো নীতি শিক্ষামূলক পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত চিভিল ছাৰ্ভিচ এছিভাৰ্চ পইণ্টৰ ডাইৰেক্টৰ ডঃ ৰাজদ্বীপ লেখাৰুৱে ছাত্ৰ - ছাত্ৰীসকলক প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত অনুপ্ৰেৰণামূলক বক্তব্যৰে উপকৃত কৰাৰ লগতে মৰাণ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সকলক ভৱিষ্যতে অধিক সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে। আজিৰ সভাত সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলীন্দ্ৰ বড়া, সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, অসম মৰাণ সভাৰ সাধাৰণ সম্পাদক বিতোপন মৰাণ, অসম মৰাণ সভাৰ উপ-সভাপতি ভুলেন বৰুৱা, মৰাণ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী দীপা শইকীয়া বড়া, সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ প্ৰাক্তন সভাপতি ইলেশ্বৰ চেতিয়া, মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ সদস্য সোমেশ্বৰ মৰাণ, মৰাণ ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক পদ্মজিৎ মৰাণ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ প্ৰাক্তন সম্পাদক সভাপতি পিঙৰাম মৰাণ, প্ৰাক্তন সম্পাদক প্ৰবোধ বৰুৱা, বিশিষ্ট সমাজকৰ্মী মুলেন্দ্ৰ মৰাণ, মৰাণ ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক পৰাগ চেতিয়া, মঞ্চৰ উপ-সভাপতি যোগ্য ফুকনকে আদি কৰি ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল। অনুষ্ঠানত ৰূপাইস্থিত ৰিফ্লেকচন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ গাৰ্গী হাজৰিকাই সুমধুৰ গীত পৰিৱেশন কৰে। অনুষ্ঠানত প্ৰায় ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ প্ৰয়োজনীয় পাঠ্যপুথি আগবঢ়োৱা হয়।

## সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ প্ৰশংসনীয় পদক্ষেপ

**ষ্টাফ ৰিপ'ৰ্টাৰ, লখিমপুৰ, ৫ আগষ্ট ঃ** লখিমপুৰ জিলাত ৭ ছেপ্তেম্বৰ'ত লখিমপুৰ চহৰত সদৌ নাগৰিক সমাজৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱস, প্ৰীতিৰ এসাঁজৰ আয়োজন। সামাজিক ক্ষেত্ৰখন সৱলীকৰণ কৰি সমাজ জীৱন, জাতীয় জীৱন সমৃদ্ধিশালী কৰাৰ লক্ষ্য আৰু উদ্দেশ্যেৰে আয়োজিত "সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু প্ৰীতিৰ এসাঁজ" শীৰ্ষক কাৰ্যসূচী ভাগ শক্তিশালী সামাজিক সংগঠন সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ সৌজন্যত প্ৰতি বছৰৰ দৰেই এইবেলিও অনুষ্ঠিত কৰাৰ ব্যাপক প্ৰস্তুতি চলাইছে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিৰ জৰিয়তে সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ সাধাৰণ সম্পাদক, বিশিষ্ট যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচ, বিত্ত সম্পাদক, ছাত্ৰ নেতা বিকাশ দত্ত আৰু প্ৰচাৰ সম্পাদক অকমান শইকীয়াই উল্লেখ কৰে যে- "সামাজিক ক্ষেত্ৰখন সৱলীকৰণ কৰি সমাজ জীৱন, জাতীয় জীৱন সমৃদ্ধিশালী কৰাৰ লক্ষ্য আৰু উদ্দেশ্যেৰে গঠিত সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু প্ৰীতিৰ এসাঁজ অনুষ্ঠানটি অহা ৭ ছেপ্তেম্বৰ (২১ ভাদ) দেওবাৰে লখিমপুৰ জিলাৰ লখিমপুৰ চহৰৰ বৰমূৰীয়া তিনি আলিস্থিত "টোল আদৰ্শ প্ৰাথমিক বিদ্যালয় প্ৰেক্ষাগৃহ" প্ৰাংগণত পুৱা ১০.৩০ বজাৰ পৰা পাছবেলা ২.৩০ বজালৈ বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে অনুষ্ঠিতব্য সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু প্ৰীতিৰ এসাঁজ" শীৰ্ষক অনুষ্ঠানটি অনুষ্ঠিত কৰাৰ ব্যাপক প্ৰস্তুতি চলাইছে। কাৰ্যসূচী অনুসৰি পুৱা ১০.৩০ বজাৰ পৰা ২৩ গৰাকী শিক্ষাবিদ, কবি, সাহিত্যিক, গীতিকাৰ, সংগীত শিল্পী, ক্ৰীড়াবিদ, প্ৰবীণ মুক্তি যুঁজাৰু, উপদেষ্টা, সমাজ সেৱক মণ্ডলীয়ে বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পন, গছ পুলি ৰোপণৰ মাংগলিক কৰ্ম কেইভাগ সমাপনৰ অন্ততঃ অনুষ্ঠিতব্য গাম্ভীৰ্যপূৰ্ণ মুকলি সভাখনি"ত লখিমপুৰ জিলাখনৰ বহু কেইগৰাকী জ্যেষ্ঠ শিক্ষাবিদ, কবি, সাহিত্যিক, নাট্যকাৰ, কণ্ঠ শিল্পীৰ উপৰি কেইবাগৰাকী প্ৰথিতযশা গীতিকাৰ, কবি, সংগীত শিল্পী, চিত্ৰ-ভাস্কৰ্য শিল্পী, ৰাষ্ট্ৰীয় আৰু আন্তঃৰ্জাতিক খ্যাতি সম্পন্ন বৰেণ্য ব্যক্তিয়ে আমন্ত্ৰিত অতিথিৰ আসন অলংকৃত কৰিব। বিচিত্ৰ জ্ঞান, তথ্য সমৃদ্ধ সাৰগৰ্ভ চুটি-চুটি বক্তব্য, কথা, গীত, কবিতাৰে জীপাল মন্ত্ৰমুগ্ধ পৰিৱেৰ্শত ডিব্ৰুগড়, যোৰহাট, ধেমাজী, লখিমপুৰ জিলাৰ ভালেকেইগৰাকী জ্যেষ্ঠ শিক্ষাবিদৰ উপৰি প্ৰথিতযশা কবি, সংগীত শিল্পী, নাট্যকাৰ, গল্পকাৰ, ঔপন্যাসিক, লেখক, সাহিত্যিক, সাংবাদিক, সমাজ সেৱী, প্ৰবীণ মুক্তি যুঁজাৰু, ক্ৰীড়াবিদ, প্ৰকৃতিপ্ৰেমী, চিত্ৰ-ভাস্কৰ্য শিল্পী ইত্যাদি বিশিষ্ট, গণ্য-মান্য ব্যক্তি সকলে অতিথিৰ আসন শুৱনি কৰিব লগীয়া "সদৌ লখিমপুৰ জিল নাগৰিক সমাজৰ চতুৰ্থ বাযিক প্ৰতিষ্ঠা দিৱস আৰু প্ৰীতিৰ এসাঁজ" শীৰ্ষক ৰুচিশীল অনুষ্ঠানটি আয়োজনত সৰ্বতো প্ৰকাৰৰ সজ দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়াই সামাজিক সংগঠনটিক সদিচ্ছামূলক সহৃদয় বদান্যতাৰে উৎসাহ-উদ্দীপনা যোগাই আগুৱাই নিবলৈ তথা নাগৰিক সমাজে পত্ৰৰে নিমন্ত্ৰণ জনোৱা সকলক ৭ ছেপ্টেম্বৰ (২১ ভাদ) দেওবাৰে পুৱা ১০.৩০ বজাৰ পৰা ২.৩০ বজালৈ আয়োজিত গাম্ভীৰ্যপূৰ্ণ বিবিধানুষ্ঠানটিত যথা সময়ত নিশ্চিতভাৱেই উপস্থিত থকাৰ উপৰি "প্ৰীতিৰ এসাঁজ" অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ সাধাৰণ সম্পাদক, বিশিষ্ট যুৱ সাহিতিক, কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচ, সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ বিত্ত সম্পাদক, ছাত্ৰ নেতা বিকাশ দত্ত, প্ৰচাৰ সম্পাদক সম্পাদক অকমান শইকীয়াই আহ্বান জনাই সবিশেষ জানিবলৈ ৮৬৩৮৭-০৬৩৪২ নম্বৰত যোগাযোগ কৰিবলৈ সংশি-ষ্ট সকললৈ অনুৰোধ জনাইছে।

## পুলিবৰ থানা গাঁওৰক্ষী বাহিনীৰ সভা

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৫ আগষ্ট ঃ** যোৰহাট জিলাৰ পুলিবৰ থানা গাঁওৰক্ষী বাহিনীৰ সভা সভাপতি হৰেন ভূমিজৰ সভাপতিত্বত দহোটীয়াস্থিত গাঁওৰক্ষী বাহিনীৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পুলিবৰ থানা এলেকাত পঞ্জীয়নভুক্ত ১০১খন আৰু পঞ্জীয়ন নোহোৱা ৬০খন গাঁৱৰক্ষী বাহিনীৰে চৰকাৰে নতুন নিয়ম প্ৰৱৰ্তন কৰা পৰিপ্ৰেক্ষিতত ৭৫ খনহে বৰ্তমান পৰিচালিত হৈ আছে। ৪ আগষ্টত গুৱাহাটীত উচ্চ পদস্থ বিষয়াৰে হ'বলগীয়া সভাত উত্থাপনৰ বাবে গ্ৰহণ কৰা প্ৰস্তাৱ ক্ৰমে- পুৰণা নীতি মতে, গাঁৱৰক্ষী বাহিনীক মাহেকীয়া পকেটমানি দিবলৈ, গাঁৱৰক্ষী বাহিনী পৰিচালনাৰ বাবে সামগ্ৰী যোগান ধৰিবলৈ গাঁওৰক্ষী বাহিনীৰ চক্ৰ সংগঠকৰ বিধিগতভাৱে কাৰ্যালয় পৰিচালনা আৰু নথি-পত্ৰ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লগতে চৰকাৰে গ্ৰহণ কৰা আইন সম্পৰ্কীয় জ্ঞান দিয়াৰ উদ্দেশ্যে থানা এলেকাৰ গাঁওৰক্ষী বাহিনীসমূহৰ সদস্যসকলক সজাগ-সচেতন কৰাৰ বাবে মাজে-সময়ে কৰ্মশালা অনুষ্ঠিত কৰাৰ আহ্বান জনায়। সম্পাদক অৰূপ বৰা, প্ৰাক্তন সম্পাদক প্ৰবীণ শইকীয়া, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া, পুলিবৰ থানাৰ আৰক্ষী বিষয়া হাদীৰ আলী সৰকাৰে পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়। সভাখনত পুলিবৰ থানা এলেকাৰ গাঁৱৰক্ষী বাহিনীসমূহৰ সভাপতি-সম্পাদকৰ লগতে ভালেসংখ্যক সদস্য উপস্থিত থাকে।

## ছমৰীয়া সমষ্টি যুৱ কংগ্ৰেছৰ সাংগঠনিক সভা

**অসম বাৰ্তা, সোণতলী, ৫ আগষ্ট ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ ডেকাচাং আঞ্চলিক বজাৰত ৰবিবাৰে ছমৰীয়া সমষ্টি যুৱ কংগ্ৰেছৰ এখন সাংগঠনিক সভা সম্পন্ন হয়। প্ৰাপ্ত তথ্যমতে, মাহতলী জিলা পৰিষদৰ সদস্য ছুলেমান আলী আহমেদৰ সভাপতিত্বত সভাখন অনুষ্ঠিত হয়। ছমৰীয়া সমষ্টি যুৱ কংগ্ৰেছৰ সম্পাদক ছুফিকুল ইছলামে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। আনহাতে কামৰূপ জিলা যুৱ কংগ্ৰেছৰ সম্পাদক আমিনুল আহমেদৰ পৰিচালনাত এখন সম্বৰ্ধনা পৰ্ব অনুষ্ঠিত কৰে। সভাত নৱ নিৰ্বাচিত যুৱ কংগ্ৰেছৰ সভাপতি আব্দুল মাতিন খানৰ লগতে মাহতলী জিলা পৰিষদৰ সদস্য ছুলেমান আলী আহমেদ, ডেকাচাং বজাৰ সমিতিৰ সভাপতি আব্দুল কাদেৰ আকন্দ, ছমৰীয়া ব্লক কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক কলিম উদ্দিন আৰু বগুৰিগুৰী যুৱ মণ্ডল কংগ্ৰেছৰ প্ৰাক্তন সভাপতি জাহাংগীৰ শ্বাহই উপস্থিত থাকি সাংগঠনিক দিশত মূল্যবান বক্তব্য আগবঢ়ায়।

## ৮ আৰু ৯ নবেম্বৰত পানীতোলা উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান

### মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক নিমন্ত্ৰণৰ সিদ্ধান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৫ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ বৃহত্তৰ পানীতোলা অঞ্চলৰ একমাত্ৰ নাৰী শিক্ষাৰ অনুষ্ঠান পানীতোলা উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ে ইতিমধ্যে সোণালী বৰ্ষত উপণীত হৈছে। সোণালী বৰ্ষৰ এই সময়ছোৱাত বিদ্যালয়ৰ লগত সংগতি ৰাখি বিদ্যালয়খনৰ উন্নয়নৰ লগতে শিক্ষাৰ্থীসকলৰ ভৱিষ্যতৰ স্বাৰ্থত দুবছৰীয়া কিছুমান কাৰ্যসূচীও ইতিমধ্যে ৰূপায়ণ কৰা হৈছে। শিক্ষা বিষয়কে আদি কৰি সমাজ আৰু নাৰী শিক্ষাৰ ক্ষেত্ৰত লবলগীয়া কিছু দিশত বিগত দুবছৰীয়া কাৰ্যসূচীত ৰূপায়ণ কৰা সকলো দিশ সামৰি তথা আগন্তুক সামৰণি অনুষ্ঠানটো সুকলমে পাতিবলৈ কি পদক্ষেপ গ্ৰহণ কৰা হ'ব ইত্যাদি বিষয় সন্দৰ্ভত আজি এখন সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ সভাগৃহত অভ্যৰ্থনা সমিতি সভাপতি বিধায়ক পোনাকণ বৰুৱাৰ অনুপস্থিতিত কাৰ্যকৰী সভানেত্ৰী কুঞ্জ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি জ্যোতিষ হাজৰিকা উপস্থিত থকা সভাখনত বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰাণজিতা দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই ৰাজহুৱা সভাৰ জৰিয়তে গঠিত অভ্যৰ্থনা সমিতিৰ প্ৰতিখন উপ সমিতিৰ দায়িত্বত থকা বিষয়ববীয়া সকলে সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠানটো মিলিত প্ৰচেষ্টাৰে যাতে সুন্দৰ আৰু সুকলমে পৰিচালিত হয় তাৰ বাবে সকলোকে আহ্বান জনায়। আজিৰ সভাই অহা নবেম্বৰৰ ৮ আৰু ৯ তাৰিখে সামৰণি অনুষ্ঠান পাতিবলৈ সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে সামৰণী অনুষ্ঠানৰ মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক মুখ্য অতিথি হিচাপে আৰু বিশিষ্ট অতিথি হিচাপে সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক নিমন্ত্ৰণ জনাবলৈ আজিৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰে। সভাতে সাংস্কৃতিক অনুষ্ঠান, মুকলি সভা, প্ৰতিযোগিতা, স্মৃতিগ্ৰন্থ, প্ৰদৰ্শনী, বাৰেৰহণীয়া শোভাযাত্ৰা, খাদ্য বিভাগ, যাতায়ত, পুঁজি ইত্যাদীৰ পুংখানুপুংখকৈ আলোচনা কৰা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জ্যোতিষ হাজৰিকাই স্থানীয় বিধায়কৰ পাঁচ লাখ পুজিৰে বিদ্যালয় চৌহদত নিৰ্মাণৰত অৱস্থাত থকা মুকলি মঞ্চৰ বাবে আৰু পুঁজিৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰে। আনহাতে অইল ইণ্ডিয়াৰ চি এছ আৰ পুঁজিৰেও এটা ভৱনৰ কাম চলি আছে। একেদৰে সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সাংসদ পুঁজিৰ অনুদানৰ বাবেও বিদ্যালয়ৰ উন্নয়নৰ স্বাৰ্থত আবেদন জনোৱাৰ পৰিকল্পনা কৰা হৈছে বুলি সদৰি কৰা হৈছে। এক কথাত ভৱন নিৰ্মাণ কাৰ্য চলি আছে যদিও পৰিকল্পনা অনুসৰি অনুদানৰ আৱশ্যকতা থকাৰ কথা সভাত অৱগত কৰা হয়। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে অহা ৮ আৰু ৯ নবেম্বৰত আয়োজন কৰিবলৈ লোৱা বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠানৰ বাবে ধাৰ্য কৰা বাজেটৰ ধন কোন উৎসৰ পৰা লাভ কৰিব সেই বিষয়ত কিছু বিবুধিত পৰিবলগীয়া হোৱা বুলি অভ্যৰ্থনা সমিতিৰ লগতে বিদ্যালয়ৰ প্ৰধান গৰাকীয়ে ইংগিত দিয়ে। কোৱা হৈছে পঞ্চাশ বছৰ গৰকী যোৱা বৃহত্তৰ পানীতোলা অঞ্চলৰ নাৰী শিক্ষাৰ এই কেন্দ্ৰটোৰ পৰা হাজাৰ-হাজাৰ ছাত্ৰী সুখ্যাতিৰে উত্তীৰ্ণ হৈ কোনোৱে শিক্ষক, কোনোৱে প্ৰশাসনিক বিষয়া নতুবা আন আন কামৰ জৰিয়তে ইতিমধ্যে স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে। বিদ্যালয়ৰ তৰফৰ পৰা ইতিমধ্যে প্ৰাক্তন ছাত্ৰীসকলৰ সৈতে যোগাযোগ ৰক্ষা কৰি সোণালী জয়ন্তী উৎসৱ অনুষ্ঠিত কৰাৰ খবৰৰ লগতে আৰ্থিক সাহায্য সাধ্যানুসাৰে আগবঢ়াবলৈ আহ্বান জনোৱা হৈছে যদিও আশা কৰা অনুসৰি সঁহাৰি নোপোৱা বুলি সভাত সদৰি কৰা হয়। সোণালী জয়ন্তী উৎসৱৰ সামৰণী অনুষ্ঠানৰ বাবে অভ্যৰ্থনা সমিতিয়ে প্ৰায় ১৫ লাখ টকাৰ বাজেট ইতিমধ্যে ধাৰ্য্য কৰিছে বুলি জানিবলৈ দিছে। অসমৰ লগতে ৰাজ্যৰ বাহিৰত যিসকল প্ৰাক্তন ছাত্ৰী আছে তেওঁলোকে কিছু হাত উজান দিলে সামৰণী অনুষ্ঠানটো সুকলমে পাৰ হোৱাই নহয় তেওঁলোকে আগবঢ়োৱা ধন ৰাহি হলে বিদ্যালয়খনৰ আন্তগাঁথনি উন্নয়নতো সহায় হোৱাৰ আশা কৰা হৈছে। সেয়েহে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰীসকলে নবেম্বৰ মাহৰ ভিতৰত বিদ্যালয়খনৰ প্ৰধান শিক্ষয়ত্ৰী প্ৰাণজিতা দাসৰ ৯৮৫৯৭৭৪১৮৯ নম্বৰত যোগাযোগ কৰিবলৈ আজিৰ অভ্যৰ্থনা সমিতিৰ বৈঠকে আহ্বান জনাইছে। আনহাতে ৰাজ্য আৰু ৰাজ্যৰ বাহিৰত থকা সকলো প্ৰাক্তন ছাত্ৰীকেই সামৰণী অনুষ্ঠানত উপস্থিত থাকিবলৈকো আহ্বান জনাইছে। আজিৰ সভাত অঞ্চলটোৰ বহুকেইজন শিক্ষাবিদ, সমাজ সচেতন ব্যক্তি আৰু প্ৰাক্তন শিক্ষক, শিক্ষয়িত্ৰী উপস্থিত থাকে।

### লোকবিশ্বাসক সত্যতা প্ৰতিপন্ন কৰি বিয়াৰ মাজতেই বৰষুণ

## খৰাং সদৃশ পৰিস্থিতিৰ পৰিত্ৰাণৰ আশাৰে চেলেংহাটত অনুষ্ঠিত ভেকুলী বিয়া

**অসম বাৰ্তা, আমগুৰি, ৫ আগষ্ট ঃ** উজনি অসমৰ বিভিন্ন অঞ্চলৰ দৰে যোৰহাট জিলাৰ চেলেংহাটতো খৰাং সদৃশ পৰিস্থিতিৰ বাবে কৃষিকৰ্ম প্ৰভাৱিত হৈছে। এনে পৰিস্থিতিত চেলেংহাটৰ লুখুৰাখন গাঁৱৰ ম'হবোৱা চুক নামঘৰত শুক্ৰবাৰ আৰু শনিবাৰে অনুষ্ঠিত হয় লোকবিশ্বাসত আধাৰিত "ভেকুলী বিয়া"। চুবুৰীয়া কেইবাখনো গাঁৱৰ ৰাইজৰ যৌথ উদ্যোগত অনুষ্ঠিত এই বিয়াত অসমীয়া সমাজত প্ৰচলিত বিয়াৰ সকলো নিয়ম-নীতি পালন কৰা হয়। লোকবিশ্বাস অনুসৰি, ভেকুলীৰ বিয়া পাতিলে বৰষুণ হয়। সকলোকে আচৰিত কৰি বিয়াৰ পৰম্পৰা চলি থাকোঁতেই অঞ্চলটোত বিজুলী ধেৰেকনীৰে মুষলধাৰ বৰষুণ নামি আহে। উল্লেখ্য যে ম'হবোৱা নামঘৰত বিগত ১২ বছৰে খৰাং সময়ত এই ধৰণৰ "ভেকুলী বিয়া" আয়োজন কৰা হয়। বৈজ্ঞানিক ভিত্তি নাথাকিলেও পুনৰবাৰ ব্যতিক্ৰমী বৰষুণে এই পৰম্পৰাগত লোকবিশ্বাসৰ ওপৰত ৰাইজৰ বিশ্বাস দুগুণে বৃদ্ধি কৰিছে লগতে উদং পথাৰৰ কৃষক ৰাইজলৈ কিছু আশাৰ বতৰা কঢ়িয়াই আনিছে।

## মিঞালেণ্ড দাবী কৰা যুৱকৰ বিৰুদ্ধে সৰুপথাৰ থানাত এজাহাৰ



**অসম বাৰ্তা, ধনশিৰি, ৫ আগষ্ট ঃ** মিঞা লেণ্ড দাবী কৰা যুৱকৰ বিৰুদ্ধে সৰুপথাৰ আৰক্ষী থানাত এজাহাৰ দাখিল। সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই বিষয়টো সন্দৰ্ভত বিতংভাৱে আলোচনা কৰি আজি সৰুপথাৰ আৰক্ষী থানাত দাখিল কৰে এজাহাৰ। মিঞা লেণ্ড দাবী কৰা যুৱকজন সৰুপথাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ। বিদ্যাপুৰ অঞ্চলত বসবাস কৰা যুৱকজনৰ নাম হৈছে আহাসান উল্লাহ। কিছুদিন পূৰ্বে ৰেংমা সংৰক্ষিত বনাঞ্চলৰ বিদ্যাপুৰত বন বিভাগৰ উচ্ছেদ চলি থকাৰ সময়চোৱাত যুৱকজনে সাংবাদিকৰ আগত মিঞা লেণ্ড দাবী কৰিম বুলি কৈছিল আৰু লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীক অপমানসূচক মন্তব্য কৰিছিল। যুৱকজনৰ মন্তব্যৰ পিছতেই সমগ্ৰ ৰাজ্যজুৰি বিষয়টো চৰ্চিত হোৱাৰ লগতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। সেয়েহে সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই সৰুপথাৰ আৰক্ষীক শীঘ্ৰেই আহাসান উল্লাহ নামৰ সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰজনক গ্ৰেপ্তাৰ কৰি উচিত শাস্তি দিবলৈ দাবী জনাই এজাহাৰ দাখিল কৰে। লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলে যুৱকজনক সৰুপথাৰ মহাবিদ্যালয়ৰ পৰাও বহিষ্কাৰ কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰে। মুখ্যমন্ত্ৰীক অপমান কৰা আৰু অসমত মিঞা লেণ্ড দাবী কৰা ছাত্ৰক কেতিয়াও সৰুপথাৰ মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ দিয়া নহব বুলি সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই কয়। লগতে তেনেধৰণৰ মানসিকতা যুক্ত ছাত্ৰ সৰুপথাৰ মহাবিদ্যালয়ত অধ্যয়ন কৰিলে মহাবিদ্যালয়খনৰ গৰিমা নষ্ট হব বুলিও উল্লেখ কৰে।

## জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান



**অসম বাৰ্তা, জাঁজী, ৫ আগষ্ট ঃ** এই বৰ্ষত অনুষ্ঠিত হৈ যোৱা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত বৃহত্তৰ জাঁজী অঞ্চলটোৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীক উৎসাহ জনোৱাৰ মানসেৰে জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কালি জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এটি বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক তথা জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক উজ্জ্বল দত্তই আঁত ধৰা উক্ত সভা খনিৰ সভাপতিত্ব কৰে জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নিপজ্যোতি বড়াই। আনহাতে অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা, সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়া, অসম কলেজ শিক্ষক সন্থাৰ প্ৰাক্তন সভাপতি তথা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ অৱসৰ প্ৰাপ্ত অধ্যাপক জ্যোতিপ্ৰসাদ গগৈ, আমগুৰিৰ জ্ঞানবিকাশ বিদ্যাপীঠৰ অধ্যক্ষ হিমাদ্ৰী জ্যোতি দত্ত লগতে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে হাতীঘুলি মজলীয়া বিদ্যালয়ৰ শিক্ষক প্ৰণয় বৰঠাকুৰ, প্ৰাক্তন আছু নেতা ৰাজীৱ নেওগ, সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন প্ৰচাৰ সম্পাদক ধ্ৰুৱজ্যোতি বড়া, সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক অম্বৰীশ গগৈ। ইয়াৰ উপৰিও অনুষ্ঠানটিত জিলা ছাত্ৰ সন্থাৰ আৰু কেইবা গৰাকীও বিষয় ববীয়া উপস্থিত আছিল। স্থানীয় নৃত্য শিল্পী আকাংক্ষা খাউণ্ডৰ সত্ৰীয়া নৃত্যৰে শুভাৰম্ভণি হোৱা অনুষ্ঠানটি জ্যোতি প্ৰসাদ গগৈৰ উদ্বোধনী ভাষণেৰে শুভ উদ্বোধন হয়। ইয়াৰ পাছতেই ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্যে কৰি অতিথি সকলে নিজৰ বক্তব্য প্ৰদান কৰাৰ পাছতেই ছাত্ৰ ছাত্ৰী সকলক সম্বৰ্দ্ধনা জনোৱা হয়। এই অনুষ্ঠানটিতে সদ্য বিদায়ী শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন প্ৰচাৰ সম্পাদক তথা জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন উপদেষ্টা ধ্ৰুৱজ্যোতি বড়াক জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা আনুষ্ঠানিক ভাৱে বিদায় সম্বৰ্দ্ধনা জনোৱা হয়। শেষত, জাতীয় সংগীত পৰিৱেশনৰ দ্বাৰা অভিনন্দন অনুষ্ঠানটিৰ সফল সামৰণি ঘটে।

## মাজুলীত আন্তঃজিলা প্ৰাইজমনি পাঞ্জা প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ৫ আগষ্ট ঃ** মাজুলী টাউন ক্লাৱৰ উদ্যোগত ফুলনি হাইস্কুল খেলপথাৰত আজি এদিনিয়াকৈ আন্তঃজিলা প্ৰাইজমনি পাঞ্জা প্ৰতিযোগিতা অনুষ্ঠিত হয়। জিলাখনৰ ৩৫ গৰাকী প্ৰতিযোগীয়ে চাৰিটা শাখাত অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনি শুভ উদ্বোধন কৰে মাজুলী জিলাৰ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে। গ্ৰামাঞ্চলৰ ক্ৰীড়া প্ৰতিভা বিকাশৰ লক্ষ্যৰে ফুলনি হাইস্কুল খেল পথাৰত অনুষ্ঠিত এই প্ৰতিযোগিতাই উদীয়মান খেলুৱৈ সকলক উৎসাহিত কৰিব বুলি আৰক্ষী বিষয়া গৰাকীয়ে উল্লেখ কৰে। প্ৰতিযোগিতাখনত ৫৫ কেজি শাখাত প্ৰথম স্থান দখল কৰে আইলেণ্ড একাডেমীৰ ছাত্ৰ জোনাক বৰাই, দ্বিতীয় স্থান দখল কৰে মৌচম তামোলীয়ে আৰু তৃতীয় স্থান লাভ কৰে উদয় শংকৰ হাজৰিকাই। ৬৫ কেজি শাখাত প্ৰথম স্থান শচীন পায়েং, দ্বিতীয় দিপাংকৰ বৰা আৰু তৃতীয় অভিমুন্য দলে। ৭৫ কেজি শাখাত প্ৰথম স্থান অম্লানদ্বীপ দাস, দ্বিতীয় দেৱজিৎ শইকীয়া আৰু তৃতীয় স্থান প্ৰানজিৎ পেগুৱে। আনহাতে ৭৬ কেজি উৰ্দ্ধৰ শাখাত প্ৰথম স্থান অথ্যৎ চেম্পিয়ন অফ দা চেম্পিয়ন খিতাপ দখল কৰে গৌৰৱ গায়নে। দ্বিতীয় স্থান ভাস্কৰজ্যোতি ৰেগন আৰু তৃতীয় স্থান যুৱৰাজ চোমানীয়ে। আজি প্ৰতিযোগিতাখন পৰিচালনা কৰে ক্ৰমে — মনিন্দৰ সিং, ঋতুৰাজ হাজৰিকা আৰু ধ্ৰুৱজ্যোতি বৰাই।

## সম্পাদকীয়

# সমাজৰ নিম্নতম নৈতিকতাৰ পতন

গুৱাহাটীৰ জয়নগৰত আৰক্ষীয়ে উন্মোচন কৰা দেহ ব্যৱসায়ৰ কুৎসিত চক্ৰই আমাৰ সমাজৰ এক গভীৰ ক্ষয়ৰ ইংগিত দিয়ে। বাপ্তিছ ইন গেষ্ট হাউছত চলি থকা এই অবৈধ কাৰ্য্যকলাপে কেৱল আইন ভংগেই নহয়, মানৱতাৰ প্ৰতি থকা আমাৰ সমূহীয়া দায়িত্বকো অস্বীকাৰ কৰিছে। এই ঘটনাই সমাজৰ আভিজাত্যৰ আৱৰণৰ তলত লুকাই থকা বাস্তৱতাৰ মুখা খুলিছে।

আৰক্ষীৰ তদন্তত প্ৰকাশ কৰা তথ্য অনুসৰি, এই চক্ৰই গত আঠ মাহ ধৰি সংগঠিতভাৱে কাম কৰি আহিছে। ১০ গৰাকী যুৱতীক চাকৰিৰ প্ৰলোভন দেখুৱাই এই ব্যৱসায়ত জড়িত কৰা হৈছিল, য'ত প্ৰতিজনৰ "দেহৰ মূল্য" ৬,০০০ টকাৰে ধাৰ্য্য কৰা হৈছিল। আৰু আটাইতকৈ বীভৎস কথাটো হ'ল- ৰাজনৈতিক আৰু প্ৰশাসনিক মহলৰ কিছুমান ব্যক্তিৰো ইয়াত জড়িত থকাৰ সন্দেহ আছে। ইয়াৰ ফলত তিনিগৰাকী যুৱতী বিভিন্ন ৰোগত আক্ৰান্ত হৈছে, আন কিছু পলায়ন কৰিবলৈও বাধ্য হৈছে। এই সংখ্যাবোৰ কেৱল তথ্য নহয়, আমাৰ সমাজ ব্যৱস্থাৰ এক ভয়াৱহ ব্যৰ্থতাৰ পৰিচয়।

এই ঘটনাই আমাৰ সমাজৰ দ্বৈত নৈতিকতাৰ বিষয়ে এক কঠোৰ প্ৰশ্ন উত্থাপন কৰিছে। আমি যিসকলৰ মুখত নৈতিকতা জ্ঞান শুনো, তেওঁলোকৰেই কিছুমান এই কুৎসিত কাৰ্য্যকলাপৰ লগত জড়িত হৈ থকাৰ অভিযোগ উঠিছে। ইয়াৰোপৰি, সমাজে যিসকল যুৱতীক "অপৰাধী" বুলি চিনাক্ত কৰিব খোজে, তেওঁলোকক পোনপটীয়াকৈ এই ব্যৱসায়লৈ ঠেলি দিয়াৰ বাবে দায়ী কোন? চাকৰিৰ নামত অনা এই ছোৱালীবোৰক আমি কিয় সুৰক্ষা দিব পৰা নাই?

এই ক্ষেত্ৰত গুৱাহাটী আৰক্ষীৰ তৎপৰতাক ধন্যবাদ দিবই লাগিব। সামাজিক মাধ্যমত তথ্য ওলোৱাৰ পিছতে তেওঁলোকে দ্ৰুতগতিত অভিযান চলাই চক্ৰটো ধৰা পেলোৱাত সফল হৈছে। কিন্তু এতিয়া প্ৰশ্ন হ'ল- এই গ্ৰেপ্তাৰ দীৰ্ঘম্যাদী ন্যায়ৰ আৰম্ভণি নে? আৰক্ষীয়ে ইতিমধ্যে আন কেইবাটাও স্থানত এই ধৰণৰ কাৰ্য্যকলাপ চলি থকাৰ সন্দেহ কৰিছে। আমাৰ দাবী হ'ব- এই তদন্ত যেন কোনো উচ্চপদস্থ লোকৰ প্ৰভাৱত স্তব্ধ নহয়।

জয়নগৰৰ এই ঘটনাই আমাৰ সমাজৰ এক গভীৰ ৰোগক প্ৰতিফলিত কৰিছে। এই ৰোগৰ মূল কাৰণ হ'ল- নৈতিকতাৰ অভাৱ, লোভ, আৰু দায়িত্বহীনতা। আমি যদি এখন সুস্থ সমাজ গঢ়িব বিচাৰো, তেন্তে এই ঘটনাক কেৱল এটা "আৰক্ষী কেচ" হিচাপে নাচাই, আমাৰ সমূহীয়া ব্যৰ্থতা হিচাপে চাব লাগিব। আশা কৰো, এই ঘটনাই আমাক সচেতন কৰিব, আৰু ভৱিষ্যতে এনে কাৰ্য্যকলাপ ৰোধ কৰিবলৈ এক শক্তিশালী সামাজিক আন্দোলন গঢ়ি তুলিব।

"আন্তৰ্জাতিক পুঁজিৰ আগ্ৰাসনৰ বিৰুদ্ধে মানুহ বিক্ষুব্ধ হৈছে, কিন্তু এই বিক্ষোভ যাতে সংগঠিত ৰাজনৈতিক বিক্ষোভলৈ ৰূপান্তৰিত নহয় তাৰ বাবে শাসক গোষ্ঠীয়ে সমাজৰ মূল সমস্যাসমূহক আঁতৰত ৰাখি অগৌণ সমস্যাসমূহক মুখ্য সমস্যা হিচাপে দাঙি ধৰিবলৈ নন বিষয় বা ইছুৰ সৃষ্টি কৰিছে। কাল্পনিক ইছুবোৰত বিভিন্ন তথ্য আৰু ৰহণ সানি সেইবোৰকেই মুখ্য বুলি বুলি সমাজত বিয়পাই দিয়া হৈছে। এইবোৰ মিছাক সঁচা প্ৰতিপন্ন কৰিবলৈ বিভিন্ন প্ৰযুক্তি, বিভিন্ন সামাজিক মাধ্যম, ইউ-টিউব, কৃত্ৰিম বুদ্ধিমত্তা, সামাজিক-ৰাজনৈতিকভাৱে প্ৰতিস্থিত চতুৰ প্ৰবক্তা আদিক ব্যৱহাৰ কৰা হৈছে। বৰ্তমান তিনিটা মূল সমস্যাই আমাৰ সাধাৰণ গাঁৱলীয়া মানুহক জুৰুলা কৰিছে- কৰ্মসংস্থানহীনতা, ভূমিহীনতা আৰু ক্ৰয়ক্ষমতাহীনতা।"

## এক বাস্তৱসন্মত পৰ্যালোচনা

# সমাজৰ অধঃপতন আৰু ব্যক্তিকেন্দ্ৰিকতা

**টুৱাৰাম দত্ত**

শেহতীয়া বছৰবোৰত অসমৰ সামাজিক জীৱন এটা অদ্ভুত গতিৰে পৰিৱৰ্তিত হৈছে। আগৰ দিনত গাঁও হওক বা নগৰ—সকলোতে পৰিয়ালবোৰৰ সামুহিক একতা, শিক্ষা, সৌজন্য, আৰু সহানুভূতিৰে গঢ় লৈ উঠা সমাজখনত এতিয়া যেন এক বিশৃঙ্খলতাৰ ছাঁ পৰিছে। এই সামাজিক পৰিৱৰ্তনৰ মূলত আছে ব্যক্তিকেন্দ্ৰিকতা আৰু ভোগবাদী মনোভাৱ। এই লেখাত আমি এই দিশসমূহৰ প্ৰভাৱ আৰু সম্ভাব্য সমাধানৰ পথৰ বিষয়ে আলোচনা কৰিম।

আগৰ দিনত মানুহে পৰিয়াল, চুবুৰী, প্ৰতিবেশী, সম্প্ৰদায় বা গাঁওৰ কথা ভাবি সিদ্ধান্ত লৈছিল। কিন্তু এতিয়া সেই ঠাইত মানুহে "মোৰ" সুখ, "মোৰ" সময়, আৰু "মোৰ" লক্ষ্যক অগ্ৰাধিকাৰ দিয়ে। ইয়াৰ পিছত আছে বিশ্বায়ন আৰু তাৰ লগত অহা নগৰায়ন। গুৱাহাটীৰ দৰে মহানগৰত এই পৰিৱৰ্তন আৰু স্পষ্ট। মানুহ ব্যস্ত—চাকৰিৰ চিন্তা, ঋণৰ চিন্তা, মোবাইলত 'চেলফি'ৰ মোহত সময় নাই মাক-দেউতাকৰ কাষত বহি কথা পাতিবলৈ। ইয়াৰ ফলত সমাজত সহানুভূতি হ্ৰাস পাইছে আৰু সামাজিক অপৰাধৰ বীজ জন্ম লৈছে।

ভোগবাদে মানুহক সদায় নতুন বস্তুৰ পিছত দৌৰিবলৈ শিকাইছে। এখন দামী গাড়ী, এটা দামী ফোন, ব্ৰেণ্ডেড কাপোৰ, বা ফেচবুকত দেখা ছবি—এইবোৰে মানুহৰ মনত অস্থিৰতাৰ সৃষ্টি কৰিছে। এই দৌৰত মানুহ অলপ-অলপকৈ পৰিয়াল, সমাজ আৰু দায়িত্বৰ পৰা আঁতৰি গৈছে। আজি ধনী মানুহে সমাজত সন্মান পায়, কিন্তু সততা আৰু মৰমেৰে জীৱন কটোৱা মানুহ আজিৰ সমাজত পিছ পৰি থাকে। গতিকে যি কোন উপায়েৰে ধন ঘটাতো সকলোৰে মূল লক্ষ্য হৈ পৰিছে। সেয়া সৎ উপায় বা অসৎ তাক ভাবি চাবলৈ কাৰোৰে আহৰি নাই।

গুৱাহাটীৰ মহানগৰৰ দৰে অভিজাত ঠাইতো আগতে পৰিয়ালৰ সকলোৰে একেলগে ৰাতিপুৱা আহাৰ কৰি দিনটো আৰম্ভ কৰিছিল। কিন্তু এতিয়া সেই দিন নাই। মাক-দেউতাক দুয়ো কৰ্মজীৱী, সন্তান স্কুলৰ পিছত হোষ্টেল বা কোচিংত ব্যস্ত। ঘৰত আলহী আহি থাকিলেও সেই পৰিয়ালৰ যেন কোনো উমঘাম নাই। এনে পৰিস্থিতিত পৰিয়ালৰ মাজত কথোপকথনৰ অভাৱত ভুল বুজাবুজি, মানসিক অশান্তি আৰু দূৰত্বৰ সৃষ্টি হৈছে।

ব্যক্তিকেন্দ্ৰিকতাৰ এই বৃদ্ধিৰ পিছত বিশ্বায়নৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। বিশ্বায়নে বিশ্বৰ বিভিন্ন সংস্কৃতি, অৰ্থনীতি আৰু সমাজক একেলগে জড়িত কৰিছে। ইয়াৰ ফলত নতুন সুযোগৰ সৃষ্টি হৈছে, কিন্তু একে সময়তে পাশ্চাত্যৰ ভোগবাদী সংস্কৃতিৰ প্ৰভাৱ আমাৰ সমাজত পৰিছে। ভোগবাদে মানুহক অধিক সম্পত্তি, বিলাসিতা আৰু ব্যক্তিগত সাফল্যৰ পিছত দৌৰিবলৈ প্ৰেৰণা দিয়ে। ফলত মানুহে নিজৰ পৰিয়াল, সম্প্ৰদায় আৰু সমাজৰ প্ৰতি থকা দায়িত্বক আওকাণ কৰিবলৈ আৰম্ভ কৰিছে।



ব্যক্তিকেন্দ্ৰিকতাৰ ফলত সমাজত অপৰাধৰ হাৰ বৃদ্ধি পাইছে। যেতিয়া মানুহে কেৱল নিজৰ স্বাৰ্থৰ কথা চিন্তা কৰে, তেতিয়া তেওঁলোকে নৈতিকতা আৰু সামাজিক নিয়মৰ প্ৰতি কম গুৰুত্ব দিয়ে। ফলত চুৰি, হিংসা, প্ৰতাৰণা আৰু অন্যান্য অপৰাধৰ ঘটনা বৃদ্ধি পায়। উদাহৰণস্বৰূপে, অৰ্থৰ পিছত দৌৰাত মানুহে কেতিয়াবা অবৈধ পথ অৱলম্বন কৰে, যাৰ ফলত সমাজত অশান্তিৰ সৃষ্টি হয়।

ইয়াৰ উপৰিও পাৰিবাৰিক অশান্তিৰ বৃদ্ধিও ব্যক্তিকেন্দ্ৰিকতাৰ এক প্ৰত্যক্ষ পৰিণতি। পূৰ্বৰ সময়ত পৰিয়ালৰ সদস্যসকলে একেলগে সময় কটাইছিল, পৰস্পৰৰ সমস্যাৰ সমাধানৰ বাবে চেষ্টা কৰিছিল। কিন্তু আজিকালি ব্যক্তিগত কেৰিয়াৰ আৰু জীৱনশৈলীৰ পিছত দৌৰাত পৰিয়ালৰ সৈতে সম্পৰ্কৰ অৱনতি ঘটিছে। স্বামী-স্ত্ৰীৰ মাজত বিবাদ, পিতৃ-মাতৃ আৰু সন্তানৰ মাজত দূৰত্ব, আৰু পৰিয়ালৰ সদস্যৰ মাজত যোগাযোগৰ অভাৱৰ ফলত পাৰিবাৰিক অশান্তি বৃদ্ধি পাইছে।

বিশ্বায়নৰ ফলত গঢ় লৈ উঠা বজাৰ অৰ্থনীতিয়ে ভোগবাদৰ জন্ম দিছে। ভোগবাদে মানুহক অধিক উপভোগ কৰিবলৈ আৰু অধিক সম্পত্তি সংগ্ৰহ কৰিবলৈ উৎসাহিত কৰে। ইয়াৰ ফলত মানুহৰ মাজত এক প্ৰকাৰৰ অসন্তুষ্টিৰ সৃষ্টি হয়। যিমানেই তেওঁলোকে পায়, সিমানেই তেওঁলোকে অধিক বিচাৰে। এই অসন্তুষ্টিয়ে মানুহৰ মানসিক শান্তি কাঢ়ি লৈ যায় আৰু সমাজত অশান্তিৰ সৃষ্টি কৰে।

ভোগবাদৰ প্ৰভাৱত মানুহৰ মূল্যবোধৰো পৰিৱৰ্তন ঘটিছে। পূৰ্বৰ সময়ত সততা, সহানুভূতি আৰু পৰস্পৰৰ সহযোগিতাক গুৰুত্ব দিয়া হৈছিল। কিন্তু আজিকালি অৰ্থ, ক্ষমতা আৰু প্ৰতিষ্ঠাক সৰ্বোচ্চ গুৰুত্ব দিয়া হয়। এই পৰিৱৰ্তনে সমাজৰ নৈতিক ভিত্তিক অৱনতি ঘটাইছে।

বিশ্বায়নে আমাৰ সমাজত ইতিবাচক আৰু নেতিবাচক দুয়োটা প্ৰভাৱ পেলাইছে। ইতিবাচক দিশত বিশ্বায়নে শিক্ষা, প্ৰযুক্তি আৰু অৰ্থনৈতিক সুযোগৰ ক্ষেত্ৰত অভূতপূৰ্ব উন্নতি আনিছে। কিন্তু নেতিবাচক দিশত ই আমাৰ সংস্কৃতি, মূল্যবোধ আৰু সমাজৰ সংহতিৰ ওপৰত প্ৰভাৱ পেলাইছে। বিশ্বায়নৰ ফলত পাশ্চাত্যৰ সংস্কৃতিৰ প্ৰভাৱ আমাৰ সমাজত পৰিছে, যাৰ ফলত আমাৰ পৰম্পৰাগত মূল্যবোধ আৰু জীৱনশৈলীৰ অৱনতি ঘটিছে।

উদাহৰণস্বৰূপে, বিশ্বায়নৰ ফলত নতুন প্ৰযুক্তি আৰু যোগাযোগৰ মাধ্যমৰ বিকাশ ঘটিছে। কিন্তু এই প্ৰযুক্তিয়ে মানুহৰ মাজত দূৰত্বৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমৰ অত্যধিক ব্যৱহাৰৰ ফলত মানুহে বাস্তৱ জীৱনত পৰস্পৰৰ সৈতে সময় কটোৱাৰ পৰিমাণ কমিছে। ইয়াৰ ফলত সম্পৰ্কৰ অৱনতি ঘটিছে আৰু সামাজিক অশান্তি বৃদ্ধি পাইছে।

সমাজৰ এই অধঃপতনৰ পৰা উদ্ধাৰ পাবলৈ আমি কিছুমান পদক্ষেপ ল'ব পাৰো। প্ৰথমতে, আমি আমাৰ শিক্ষা ব্যৱস্থাত নৈতিক শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগিব। শিক্ষাৰ্থীসকলক সততা, সহানুভূতি আৰু সমূহীয়া দায়িত্বৰ বিষয়ে শিক্ষা দিলে তেওঁলোকে ভৱিষ্যতে এই মূল্যবোধক গ্ৰহণ কৰিব।

দ্বিতীয়তে, পৰিয়াল আৰু সম্প্ৰদায়ৰ মাজত যোগাযোগ আৰু সহযোগিতাৰ ওপৰত গুৰুত্ব দিব লাগিব। পৰিয়ালৰ সদস্যসকলে একেলগে সময় কটোৱা, পৰস্পৰৰ সমস্যাৰ সমাধানৰ বাবে চেষ্টা কৰাৰ অভ্যাস গঢ়ি তুলিব লাগিব। সম্প্ৰদায়ৰ মাজতো বিভিন্ন সামাজিক কাৰ্যকলাপৰ জৰিয়তে সংহতিৰ ভাৱ গঢ়ি তুলিব পাৰি।

তৃতীয়তে, ভোগবাদৰ প্ৰভাৱ হ্ৰাস কৰিবলৈ আমি স্থানীয় সংস্কৃতি আৰু মূল্যবোধক প্ৰসাৰিত কৰিব লাগিব। আমাৰ পৰম্পৰাগত জীৱনশৈলী আৰু মূল্যবোধৰ গুৰুত্বৰ বিষয়ে মানুহক সচেতন কৰি তুলিব লাগিব। ইয়াৰ উপৰিও সামাজিক মাধ্যমৰ অত্যধিক ব্যৱহাৰ হ্ৰাস কৰি বাস্তৱ জীৱনত পৰস্পৰৰ সৈতে সম্পৰ্ক গঢ়ি তুলিবলৈ উৎসাহিত কৰিব লাগিব।

আমাৰ সমাজত শেহতীয়া সময়ত অপৰাধ আৰু সামাজিক অশান্তিৰ বৃদ্ধিৰ মূল কাৰণ হৈছে ব্যক্তিকেন্দ্ৰিকতা, ভোগবাদ আৰু বিশ্বায়নৰ নেতিবাচক প্ৰভাৱ। এই পৰিৱৰ্তনে সমাজৰ নৈতিক ভিত্তি আৰু সংহতিৰ ওপৰত প্ৰভাৱ পেলাইছে। কিন্তু সঠিক পদক্ষেপৰ জৰিয়তে আমি এই সমস্যাৰ সমাধান কৰিব পাৰো। নৈতিক শিক্ষা, পৰিয়াল আৰু সম্প্ৰদায়ৰ মাজত সহযোগিতা, আৰু স্থানীয় সংস্কৃতিৰ প্ৰসাৰৰ জৰিয়তে আমি এক সুস্থ আৰু সংহতিপূৰ্ণ সমাজ গঢ়ি তুলিব পাৰিম। এই দিশত সকলোৰে সহযোগিতা অতি প্ৰয়োজনীয়।

*অসমৰ যুৱক-যুৱতীসকলৰ সন্মুখত থকা প্ৰধান সমস্যাৰ ভিতৰত এটা হৈছে শিক্ষা আৰু ব্যৱহাৰিক দক্ষতাৰ মাজৰ বিশাল ব্যৱধান। অসমৰ শিক্ষা ব্যৱস্থাৰ বহুতো শিক্ষানুষ্ঠানে এতিয়াও পৰম্পৰাগত শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, য'ত তাত্ত্বিক জ্ঞানৰ ওপৰত অধিক জোৰ দিয়া হয়। ফলত, স্নাতক ডিগ্ৰী লাভ কৰা বহু যুৱক-যুৱতীয়ে বজাৰৰ চাহিদা অনুসৰি প্ৰয়োজনীয় দক্ষতাৰ অভাৱত নিজকে অপৰ্যাপ্ত অনুভৱ কৰে। উদাহৰণস্বৰূপে, ভাৰত চৰকাৰৰ ২০২৩ চনৰ এক প্ৰতিবেদন অনুসৰি, অসমত স্নাতক ডিগ্ৰীধাৰী যুৱক-যুৱতীৰ প্ৰায/ ৩০ শতাংশৰ কোনো ব্যৱহাৰিক বা বৃত্তিমুখী দক্ষতা নাথাকে, যাৰ ফলত তেওঁলোকৰ বাবে চাকৰিৰ বজাৰত প্ৰতিযোগিতা কৰাটো কঠিন হৈ পৰে।*

# উদ্যোগীকৰণ আৰু দক্ষতা বিকাশৰ প্ৰয়োজনীয়তা

**চন্দন কুমাৰ নাথ**

অসমৰ যুৱ সমাজ আজি এক দ্বিধাজনক পৰিস্থিতিৰ মাজত জীৱন নিৰ্বাহ কৰি আছে। এফালে, তেওঁলোকৰ হাতত আছে অপাৰ সম্ভাৱনা, উৎসাহ আৰু সপোন, আৰু আনফালে, তেওঁলোকৰ সন্মুখত থিয় হৈ আছে দক্ষতাৰ অভাৱ, চাকৰিৰ সুযোগৰ সীমাবদ্ধতা আৰু আধুনিক অৰ্থনীতিৰ সৈতে খাপ খুৱাব পৰা জ্ঞানৰ অভাৱৰ দৰে জটিল সমস্যা। অসমৰ যুৱক-যুৱতীসকলৰ মাজত শিক্ষাৰ হাৰ অতীতৰ তুলনাত যথেষ্ট বৃদ্ধি পাইছে, কিন্তু শিক্ষাৰ সৈতে সৈতে ব্যৱহাৰিক দক্ষতাৰ বিকাশৰ অভাৱে তেওঁলোকৰ ভৱিষ্যতৰ পথত এক প্ৰকাৰৰ বাধাৰ সৃষ্টি কৰিছে। এই পৰিপ্ৰেক্ষিতত, উদ্যোগীকৰণৰ বাবে দক্ষতা বিকাশৰ প্ৰয়োজনীয়তা এতিয়া অসমৰ যুৱ সমাজৰ বাবে এক জৰুৰী আহ্বান হৈ পৰিছে।

অসমৰ যুৱক-যুৱতীসকলৰ সন্মুখত থকা প্ৰধান সমস্যাৰ ভিতৰত এটা হৈছে শিক্ষা আৰু ব্যৱহাৰিক দক্ষতাৰ মাজৰ বিশাল ব্যৱধান। অসমৰ শিক্ষা ব্যৱস্থাৰ বহুতো শিক্ষানুষ্ঠানে এতিয়াও পৰম্পৰাগত শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, য'ত তাত্ত্বিক জ্ঞানৰ ওপৰত অধিক জোৰ দিয়া হয়। ফলত, স্নাতক ডিগ্ৰী লাভ কৰা বহু যুৱক-যুৱতীয়ে বজাৰৰ চাহিদা অনুসৰি প্ৰয়োজনীয় দক্ষতাৰ অভাৱত নিজকে অপৰ্যাপ্ত অনুভৱ কৰে। উদাহৰণস্বৰূপে, ভাৰত চৰকাৰৰ ২০২৩ চনৰ এক প্ৰতিবেদন অনুসৰি, অসমত স্নাতক ডিগ্ৰীধাৰী যুৱক-যুৱতীৰ প্ৰায় ৩০ শতাংশৰ কোনো ব্যৱহাৰিক বা বৃত্তিমুখী দক্ষতা নাথাকে, যাৰ ফলত তেওঁলোকৰ বাবে চাকৰিৰ বজাৰত প্ৰতিযোগিতা কৰাটো কঠিন হৈ পৰে। এই দক্ষতাৰ অভাৱৰ প্ৰভাৱ অসমৰ অৰ্থনীতিৰ ওপৰতো পৰিছে। অসমৰ যুৱক-যুৱতীসকলে পৰম্পৰাগত চাকৰিৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা দেখুৱায়, য'ত চৰকাৰী চাকৰিৰ প্ৰতি আকৰ্ষণ সৰ্বাধিক। কিন্তু, চৰকাৰী খণ্ডত চাকৰিৰ সংখ্যা সীমিত, আৰু ব্যক্তিগত খণ্ডতো প্ৰয়োজনীয় দক্ষতাৰ অভাৱত অসমৰ যুৱক-যুৱতীসকলৰ প্ৰৱেশ সীমিত হৈ পৰিছে। ফলত, বহুতো যুৱক-যুৱতীয়ে হতাশাৰ মাজলৈ ডুব যায়, আৰু কিছুমানে অৱশেষত নিজৰ জন্মভূমি এৰি ভাৰতৰ অন্যান্য ৰাজ্যলৈ প্ৰব্ৰজন কৰে, য'ত তেওঁলোকে প্ৰায়ে নিম্ন দক্ষতাৰ চাকৰিৰ সৈতে জড়িত হৈ পৰে। এই পৰিস্থিতিৰ পৰা ওলাই অহাৰ এটা সমাধান হ'ল দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব দিয়া। আধুনিক অৰ্থনীতিত উদ্যোগীকৰণৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। উদ্যোগীকৰণে কেৱল ব্যক্তিগত স্বাৱলম্বিতাৰ পথ মুকলি নকৰে, ই সমাজৰ অৰ্থনৈতিক বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অসমৰ দৰে ৰাজ্যত, য'ত কৃষি, হস্তশিল্প, পৰ্যটন আৰু পৰিৱেশ-বান্ধোন ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা আছে, তাত উদ্যোগীকৰণৰ মাধ্যমেৰে যুৱক-যুৱতীসকলে নিজৰ ভৱিষ্যত গঢ়ি তুলিব পাৰে। কিন্তু, এই সম্ভাৱনাক কাৰ্যকৰী কৰি তুলিবলৈ প্ৰয়োজন দক্ষতাৰ।

দক্ষতা বিকাশৰ ক্ষেত্ৰত অসমত বৰ্তমান কিছু ইতিবাচক পদক্ষেপ লোৱা হৈছে। উদাহৰণস্বৰূপে, ভাৰত চৰকাৰৰ স্কীল ইণ্ডিয়া অভিযানৰ অধীনত অসমত বিভিন্ন প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে, য'ত যুৱক-যুৱতীসকলক বিভিন্ন বৃত্তিমুখী কামৰ বাবে প্ৰশিক্ষণ দিয়া হয়। অসম চৰকাৰৰো কিছুমান কাৰ্যসূচী আছে, যেনে- অসম স্কীল ডেভেলপমেণ্ট মিছন, যাৰ জৰিয়তে যুৱক-



যুৱতীসকলক কম্পিউটাৰ প্ৰশিক্ষণ, হস্তশিল্প, খাদ্য প্ৰক্ৰিয়াকৰণ আৰু পৰ্যটনৰ দৰে ক্ষেত্ৰত দক্ষতা প্ৰদান কৰা হয়। কিন্তু, এই কাৰ্যসূচীসমূহৰ প্ৰভাৱ এতিয়াও সীমিত, আৰু গ্ৰামাঞ্চলৰ যুৱক-যুৱতীৰ মাজত ইয়াৰ প্ৰসাৰ অতি কম। অসমৰ গ্ৰামাঞ্চলৰ যুৱক-যুৱতীসকলৰ ক্ষেত্ৰত দক্ষতা বিকাশৰ প্ৰয়োজনীয়তা আৰু অধিক জৰুৰী। গ্ৰামাঞ্চলত শিক্ষাৰ সুবিধা সীমিত, আৰু তাত বসবাস কৰা যুৱক-যুৱতীসকলে প্ৰায়ে দক্ষতাৰ সুযোগৰ পৰা বঞ্চিত হয়। উদাহৰণস্বৰূপে, ধেমাজি, কৰিমগঞ্জ বা মাজুলীৰ দৰে অঞ্চলত বহু যুৱক-যুৱতীয়ে কৃষিৰ ওপৰত নিৰ্ভৰশীল, কিন্তু আধুনিক কৃষি পদ্ধতি, জৈৱিক খেতি বা কৃষি-ভিত্তিক উদ্যোগৰ বিষয়ে তেওঁলোকৰ জ্ঞান অতি সীমিত। এনে পৰিস্থিতিত, তেওঁলোকৰ বাবে আধুনিক কৃষি পদ্ধতিৰ প্ৰশিক্ষণ, ডিজিটেল মাৰ্কেটিং বা ই-কমাৰ্চৰ দৰে দক্ষতা প্ৰদান কৰিলে তেওঁলোকে নিজৰ গাঁৱৰ পৰাই সৰু-সুৰা উদ্যোগ আৰম্ভ কৰিব পাৰিব।

উদ্যোগীকৰণৰ ক্ষেত্ৰত অসমৰ যুৱক-যুৱতীসকলৰ সম্ভাৱনা অপাৰ। অসমৰ পৰম্পৰাগত শিল্প, যেনে- বাঁহৰ শিল্পকৰ্ম, মুগাৰ বস্ত্ৰ, হস্তশিল্পৰ সামগ্ৰী, আৰু স্থানীয় খাদ্যৰ বজাৰ সম্ভাৱনা বিশ্বজুৰি বৃদ্ধি পাইছে। কিন্তু, এই সম্ভাৱনাক কাৰ্যকৰী কৰি তুলিবলৈ প্ৰয়োজন ব্যৱসায়িক জ্ঞান, ডিজিটেল দক্ষতা আৰু বজাৰৰ চাহিদাৰ বিষয়ে সঠিক বুজাবুজি। উদাহৰণস্বৰূপে, অসমৰ মুগা শাৰীৰ চাহিদা আজি ভাৰতৰ বাহিৰতো বৃদ্ধি পাইছে। কিন্তু, এই শিল্পৰ সৈতে জড়িত বহু যুৱক-যুৱতীৰ ই-কমাৰ্চ প্লেটফৰ্মৰ জ্ঞান নাথাকে, যাৰ ফলত তেওঁলোকে এই সুযোগৰ সুবিধা লাভ কৰিবলৈ অক্ষম হৈ পৰে। দক্ষতা বিকাশৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ডিজিটেল দক্ষতা। আজিৰ যুগত ডিজিটেল সাক্ষৰতা অবিহনে কোনো উদ্যোগী সফল হোৱাটো কঠিন। অসমৰ যুৱক-যুৱতীসকলৰ মাজত ডিজিটেল দক্ষতাৰ অভাৱ এতিয়াও এক বৃহৎ সমস্যা। ২০২৪ চনৰ এক সমীক্ষা অনুসৰি, অসমৰ প্ৰায় ৬০ শতাংশ যুৱক-যুৱতীৰ ডিজিটেল সাক্ষৰতাৰ মাত্ৰা মধ্যমীয়া বা তাৰ তলৰ। এই পৰিস্থিতিত, ডিজিটেল মাৰ্কেটিং, সামাজিক মাধ্যমৰ ব্যৱহাৰ, আৰু ই-কমাৰ্চৰ দৰে ক্ষেত্ৰত প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা অতি জৰুৰী। ইয়াৰ উপৰি, উদ্যোগীকৰণৰ বাবে আৰ্থিক জ্ঞানো সমানে গুৰুত্বপূৰ্ণ। বহু যুৱক-যুৱতীয়ে নিজৰ ব্যৱসায় আৰম্ভ কৰিবলৈ ইচ্ছুক, কিন্তু ব্যৱসায়িক পৰিকল্পনা, আৰ্থিক ব্যৱস্থাপনা বা বিনিয়োগৰ বিষয়ে তেওঁলোকৰ জ্ঞান অতি সীমিত। এই ক্ষেত্ৰত, অসম চৰকাৰ আৰু ব্যক্তিগত সংস্থাৰ সহযোগিতাত আৰ্থিক সাক্ষৰতাৰ কাৰ্যসূচীৰ প্ৰয়োজন। অসমৰ যুৱক-যুৱতীসকলৰ বাবে দক্ষতা বিকাশৰ এই যাত্ৰা সহজ নহয়। ইয়াৰ বাবে প্ৰয়োজন চৰকাৰ, শিক্ষানুষ্ঠান আৰু ব্যক্তিগত খণ্ডৰ সমন্বিত প্ৰচেষ্টা। গ্ৰামাঞ্চলত প্ৰশিক্ষণ কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰা, শিক্ষা ব্যৱস্থাত বৃত্তিমুখী পাঠ্যক্ৰম সন্নিবিষ্ট কৰা, আৰু স্থানীয় সম্পদৰ ওপৰত ভিত্তি কৰি উদ্যোগীকৰণৰ সুযোগ সৃষ্টি কৰাটো জৰুৰী।

শেষত, অসমৰ যুৱক-যুৱতীসকলৰ সম্ভাৱনাক কাৰ্যকৰী কৰি তুলিবলৈ তেওঁলোকৰ মাজত আত্মবিশ্বাস জগাই তুলিব লাগিব। তেওঁলোকে যাতে নিজৰ সপোনৰ পিছত লাগিবলৈ সাহস পায়, তাৰ বাবে সমাজৰ পৰা সহযোগিতাৰ প্ৰয়োজন। দক্ষতা বিকাশৰ জৰিয়তে অসমৰ যুৱ সমাজে নিজৰ ভৱিষ্যত গঢ়ি তুলিব পাৰিব, আৰু তাৰ জৰিয়তে অসমৰ অৰ্থনীতিৰো এক নতুন দিশ মুকলি হ'ব। এই যাত্ৰাত, দক্ষতা হ'ব তেওঁলোকৰ প্ৰধান অংশ, আৰু উদ্যোগীকৰণ হ'ব তেওঁলোকৰ সফলতাৰ পথ।

সৰভোগ, বৰপেটা
ফোন- ৯১৩২৮-৪৯৭২৬

# ডিজিটেল পেমেণ্ট আৰু অসমৰ গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন

**ললিত নাথ**

ডিজিটেল পেমেণ্ট হৈছে ইণ্টাৰনেটৰ জৰিয়তে টকা লেনদেন কৰাৰ সহজ পদ্ধতি। ইয়াৰ জৰিয়তে নগদ টকাৰ পৰিৱৰ্তে মোবাইল এপ, ইউপিআই, কাৰ্ড, বা অনলাইন বেংকিংৰ জৰিয়তে সহজ আৰু নিৰাপদ লেনদেন কৰা হয়। ভাৰতত ইউপিআইৰ দৰে পে-টফৰ্ম, যেনে পেটিএম, গুগল পে, ফোনপে আৰু ভীম ডিজিটেল পেমেণ্টৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। 'ইউনিফাইড পেমেণ্ট ইণ্টাৰফেচ' হৈছে 'নেশ্যনাল পেমেণ্টছ কৰ্পৰেশ্যন অৱ ইণ্ডিয়া'ৰ দ্বাৰা উদ্ভাৱিত এক অভিনৱ আৰু আধুনিক ডিজিটেল পেমেণ্ট ব্যৱস্থা। ২০১৬ চনত 'নেশ্যনাল পেমেণ্টছ কৰ্পৰেশ্যন অৱ ইণ্ডিয়া'ৰ দ্বাৰা প্ৰৱৰ্তিত ইউপিআয়ে স্মাৰ্টফোনৰ জৰিয়তে তৎক্ষণাত বেংক একাউণ্টলৈ ধন স্থানান্তৰৰ এক সুবিধাজনক পথ মুকলি কৰিছে। এই প্ৰযুক্তিগত পৰিৱৰ্তনে গ্ৰামাঞ্চলৰ মানুহৰ জীৱনযাত্ৰা, ব্যৱসায়-বাণিজ্য আৰু সামাজিক জীৱন উন্নত কৰিছে। পূৰ্বতে নগদ টকাৰ লেনদেনৰ প্ৰচলন বেছি আছিল, যাৰ ফলত সুৰক্ষাৰ সমস্যা, সময়ৰ অপচয় আৰু দুৰ্নীতিৰ সম্ভাৱনা বৃদ্ধি পাইছিল।

ডিজিটেল পেমেণ্টৰ আগমনে এই সমস্যাবোৰ বহু পৰিমাণে হ্ৰাস কৰিছে। অসমৰ গ্ৰাম্য অৰ্থনীতিৰ মূল আধাৰ হৈছে কৃষি, চাহ শিল্প, হস্তশিল্প আৰু মাছ ধৰাৰ দৰে পৰম্পৰাগত জীৱিকা। ডিজিটেল পেমেণ্টৰ জৰিয়তে অসমৰ কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী, যেনে ধান, শাক-পাচলি, ফল-মূল আৰু মাছৰ বাবে পোনপটীয়াকৈ বজাৰৰ পৰা টকা লাভ কৰিব পাৰিছে। ফলত মধ্যস্থতকাৰীৰ হাতত টকা আবদ্ধ হৈ থকাৰ সমস্যা হ্ৰাস পাইছে। তদুপৰি, চৰকাৰৰ পৰা প্ৰদান কৰা ৰাজসাহায্যৰ ধন কৃষকৰ বেংক একাউণ্টত পোনপটীয়াকৈ জমা হৈছে। ইয়াৰ ফলত অসমৰ গ্ৰামাঞ্চলৰ কৃষকৰ আৰ্থিক সুৰক্ষা বৃদ্ধি পাইছে আৰু তেওঁলোকৰ জীৱনযাত্ৰাৰ মান উন্নত হৈছে। উদাহৰণস্বৰূপে, অসমৰ গাঁৱসমূহৰ ক্ষুদ্ৰ ব্যৱসায়ীসকল, কৃষক বা হস্তশিল্পীসকলে এতিয়া ইউপিআইৰ জৰিয়তে তৎক্ষণাত টকা লাভ কৰিব পাৰে, যাৰ ফলত তেওঁলোকৰ ব্যৱসায়ৰ গতি ত্বৰান্বিত হৈছে। পূৰ্বতে নগদ টকাৰ অভাৱত ব্যৱসায়ৰ সম্প্ৰসাৰণ সীমিত আছিল। কিন্তু এতিয়া তেওঁলোকে ডিজিটেল পেমেণ্টৰ জৰিয়তে গ্ৰাহকৰ পৰা সহজে টকা লাভ কৰিব পাৰে আৰু অনলাইন পে-টফৰ্মত নিজৰ সামগ্ৰী বিক্ৰী কৰিব পাৰে। হস্তশিল্পীসকলে তৈয়াৰ কৰা পাট, মুগাৰ ৰিহা, মেখেলা, ছাদৰ, গামোচা বা বাঁহৰ সামগ্ৰীসমূহ ই-কমাৰ্চ পে-টফৰ্ম যেনে আমাজন, ফ্লিপকাৰ্ট বা স্থানীয় পে-টফৰ্মৰ জৰিয়তে দেশৰ বিভিন্ন প্ৰান্তত বিক্ৰী কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ফলত তেওঁলোকৰ আয় বৃদ্ধি পাইছে আৰু অসমৰ গ্ৰাম্য অৰ্থনীতি শক্তিশালী হৈছে। অসমৰ চাহ বাগিচাৰ শ্ৰমিকসকলেও ডিজিটেল পেমেণ্টৰ জৰিয়তে তেওঁলোকৰ মাহিলি দৰমহা পোনপটীয়াকৈ বেংক একাউণ্টত লাভ কৰিব পাৰিছে। ডিজিটেল পেমেণ্টৰ অন্যতম সুবিধা হ'ল ইয়াৰ স্বচ্ছতা আৰু সুৰক্ষা। নগদ টকাৰ লেনদেনত বহু সময়ত হিচাপৰ ত্ৰুটি বা টকা হেৰুৱাৰ সম্ভাৱনা থাকে। আনহাতে, ডিজিটেল পেমেণ্ট ব্যৱস্থাত প্ৰতিটো লেনদেনৰ এটা সুস্পষ্ট ৰেকৰ্ড সংৰক্ষিত হৈ থাকে, যাৰ ফলত অনিয়ম বা ভুল-ত্ৰুটিৰ সম্ভাৱনা উল্লেখযোগ্যভাৱে হ্ৰাস পাইছে। এই পদ্ধতিত টকা পোনপটীয়াকৈ ব্যৱহাৰকাৰীৰ বেংকত জমা হয়। সেইবাবে টকা হেৰোৱাৰ, চুৰি হোৱাৰ বা ভুলতে ব্যৱহাৰ হোৱাৰ ভয় কম থাকে। এনেদৰে লেনদেন অধিক সঠিক, নিৰ্ভৰযোগ্য আৰু নিয়ন্ত্ৰণযোগ্য হয়।

অসমত প্ৰধানমন্ত্ৰী জনধন যোজনাৰ জৰিয়তে গাঁৱৰ মানুহৰ বাবে বেংক একাউণ্ট খোলা হৈছে, যাৰ ফলত বেংকিং সেৱাৰ প্ৰসাৰ ঘটিছে। অসম চৰকাৰৰ অৰুণোদয় আঁচনিৰ দৰে আঁচনিৰ ধন এতিয়া প্ৰত্যক্ষভাৱে বেংক একাউণ্টত জমা হোৱাত দুৰ্নীতি হ্ৰাস পাইছে আৰু গাঁওবাসী মানুহৰ আৰ্থিক সুৰক্ষা বৃদ্ধি পাইছে। উদাহৰণস্বৰূপ, ২০২৪ চনত অসমত ইউপিআই লেনদেনৰ পৰিমাণ উল্লেখযোগ্যভাৱে বৃদ্ধি পোৱাৰ ফলত গ্ৰামাঞ্চলৰ ক্ষুদ্ৰ ব্যৱসায়ী আৰু কৃষকৰ আৰ্থিক লেনদেন সৰল আৰু সুবিধাজনক হৈছে। ডিজিটেল পেমেণ্টৰ সুবিধা থকাৰ পিছতো, ইণ্টাৰনেটৰ সীমিত সংযোগ, দুৰ্গম অঞ্চলত ডিজিটেল সাক্ষৰতাৰ অভাৱ আৰু প্ৰযুক্তিগত প্ৰতাৰণাৰ আশংকাৰ দৰে প্ৰত্যাহ্বানসমূহ এতিয়াও বাধা হৈ আছে। সঠিক নীতি, সচেতনতামূলক কাৰ্যসূচী আৰু প্ৰশিক্ষণৰ জৰিয়তে এই বাধাসমূহ অতিক্ৰম কৰি অসমৰ গ্ৰাম্য সমাজক ডিজিটেল অৰ্থনীতিৰ মূল ধাৰাৰ সৈতে সংযুক্ত কৰা সম্ভৱ।

এই সমস্যা সমাধানৰ বাবে অসম চৰকাৰ আৰু ব্যক্তিগত প্ৰতিষ্ঠানে গাঁৱৰ মানুহৰ মাজত ডিজিটেল সাক্ষৰতাৰ প্ৰশিক্ষণ, সহজ ইণ্টাৰনেট সেৱা আৰু সৰলীকৃত এপৰ জৰিয়তে এই ব্যৱস্থাক জনপ্ৰিয় কৰিবলৈ চেষ্টা কৰিছে। 'কমন সেৱা কেন্দ্ৰ (CSC)ৰ জৰিয়তে দিয়া ডিজিটেল সাক্ষৰতাৰ প্ৰশিক্ষণে গাঁওবাসীক আধুনিক ব্যৱস্থাৰ সৈতে সংযুক্ত কৰাৰ পথ মুকলি কৰিছে। আজি কৃষকে নিজৰ উৎপাদন পোনপটীয়াকৈ বজাৰত বিক্ৰী কৰিব পাৰিছে, ক্ষুদ্ৰ ব্যৱসায়ীয়ে নগদ লেনদেনৰ বিপদ এৰাই নিৰাপদভাৱে লেনদেন কৰিবলৈ সক্ষম হৈছে আৰু হস্তশিল্পীয়ে নিজৰ সামগ্ৰী অনলাইন পে-টফৰ্মৰ জৰিয়তে বেচিবলৈ সুযোগ পাইছে।

ডিজিটেল পেমেণ্ট ব্যৱস্থাই অসমৰ গাঁওসমূহত এক ধীৰ কিন্তু দৃঢ় পৰিৱৰ্তনৰ বাট মুকলি কৰিছে। এই ব্যৱস্থাই সময় বচাইছে, লেনদেনত স্বচ্ছতা আনিছে আৰু দুৰ্নীতিৰ সম্ভাৱনা কমাইছে। যদিও কিছুমান ঠাইত ইণ্টাৰনেটৰ অভাৱ বা প্ৰযুক্তি নুবুজা মানুহৰ বাবে সমস্যাৰ সৃষ্টি হৈছে, তথাপি সঠিক প্ৰশিক্ষণ আৰু সহায়ক নীতিবোৰৰ জৰিয়তে সেই বাধাবোৰো অতিক্ৰম কৰিব পাৰি। এক কথাত, ডিজিটেল পেমেণ্ট হৈছে অসমৰ গ্ৰাম্য জীৱনখনৰ আধুনিকতাৰ পথেদি উন্নয়নৰ বাটলৈ আগুৱাই নিয়াৰ এক শক্তিশালী মাধ্যম।

## অগপক শক্তিশালী কৰাৰ

জাতীয়তাবাদী ৰাজনৈতিক দল ছাত্ৰ সন্থাৰ পৃষ্ঠপোষকতাত, শ্বহীদৰ কেঁচা তেজৰ বিনিময়ত জন্ম হোৱা অগপ ক শক্তিশালী কৰা মানে অসমক শক্তিশালী কৰা, অসমক সুৰক্ষিত কৰা। গতিকে এই দলৰ হৈ কাম কৰাটো জাতীয় দায়বদ্ধতা। এই মন্তব্য অগপৰ সভাপতি তথা অসম চৰকাৰৰ কৃষি, আবকাৰী আদি বিভাগৰ মন্ত্ৰী অতুল বৰাৰ। দেৰগাঁৱৰ ঐতিহাসিক বাপুজী মন্দিৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অগপ দলৰ এখন সাংগঠনিক সভাত ভাগলৈ দলৰ সভাপতিজনে দলটোক শক্তিশালী কৰিবলৈ আহ্বান জনাই দলীয় কৰ্মীসকলক উদ্দেশ্যী এটি দীঘলীয়া ভাষণ দিয়ে। দেৰগাঁও সমষ্টি সমিতিৰ যুটীয়া সম্পাদক পজিৰ আহমেদে আঁতধৰা আৰু অন্যজন যুটীয়া সম্পাদক পৰেশ গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত ভাষণ দি তেওঁ দলীয় কৰ্মীসকলক পোৱা নোপোৱাৰ বেদনা বা খং, ক্ষোভ, অভিমান আদিক প্ৰেৰণা আৰু শক্তিলৈ ৰূপান্তৰ কৰি দলৰ হৈ কাম কৰি যাবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ কয় যে, দলৰ তৃণমূল কৰ্মীসকল শক্তিৰ আধাৰ। জাতীয়তাবাদ, আঞ্চলিকতাবাদৰ বাহক। ভাষণ প্ৰসংগত তেওঁ পুনৰ কয়, অগপৰ কলিয়া ডাৱৰ এতিয়াও আতৰা। নাই। কিন্তু অগপত এতিয়াও অসংখ্য নিস্বাৰ্থ কৰ্মী আছে। আমি সকলোৰে মিলি এই কলিয়া ডাৱৰ আঁতৰাব লাগিব। মহিলাৰ সক্ৰিয় অংশগ্ৰহণত গুৰুত্ব দি সভাপতিজনে কয়, মহিলাসকলক সক্ৰিয় কৰি তুলিব লাগিব। অগপত মহিলা পৰিষদ, শ্ৰম পৰিষদ, যুৱ পৰিষদ, চাহ পৰিষদ, গোৰ্খা পৰিষদ, ছাত্ৰ পৰিষদ আদি গঠনৰ উদ্দেশ্য ই হ'ল দল শক্তিশালী কৰা। ইপিনে, নতুন প্ৰজন্মক অধিক গুৰুত্ব দি তেওঁ কয় যে, নতুনক যিমানেই লগত ৰাখিম সিমানেই দল শক্তিশালী হোৱা। দললৈ নতুন তেজৰ আমদানি হ'ব লাগিব। নতুন প্ৰজন্মক প্ৰগতিশীল, জাতীয়তাবাদৰ দৃষ্টিভংগীৰে আগুৱাই লৈ যাব লাগিব। এনে উদ্দেশ্যেই অসম ছাত্ৰ পৰিষদ গঠনৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে, সৌ সিদিনা গঠন হোৱা অগপৰ ভাতৃ সংগঠন ছাত্ৰ পৰিষদে আজি অসমৰ দুশ শিক্ষানুষ্ঠানত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। যুৱ পৰিষদে ও বলিষ্ঠ ভূমিকা পালন কৰি আহিছে। গতিকে ছাত্ৰ ছাত্ৰী, যুৱ প্ৰজন্ম আৰু মহিলাই সকলো ক্ষেত্ৰতে ব্যাপক পৰিবৰ্তন আনিব পাৰে। জ্যেষ্ঠ সকলৰ আশীৰ্বাদ আৰু অভিজ্ঞতাৰ পৰামৰ্শ গ্ৰহণ কৰি দলক আমি আগুৱাই লৈ যাব লাগিব। বৰ্তমান তথ্য প্ৰযুক্তিৰ যুগত নতুনৰ গুৰুত্ব অপৰিসীম। সম্প্ৰতি চচিয়েল মিডিয়াৰ গুৰুত্ব সম্পৰ্কতো উল্লেখ কৰি তেওঁ দলীয় কৰ্মীসকলক দলৰ স্বাৰ্থত, সমাজৰ স্বাৰ্থত এই দিশতোতো গুৰুত্ব দিবলৈ আহ্বান জনায়। দলৰ বিপৰ্যয়, বা উত্তৰণৰ দিশবোৰ বিশ্লেষণ কৰি পৰিকল্পনা যুগুত কৰাতো তেওঁ গুৰুত্ব দিয়ে। ইপিনে, দলৰএজন তৃণমূল কৰ্মীৰ পৰা আজি দলৰ সভাপতি হোৱালৈ পৰিক্ৰমা ব্যাখ্যা কৰি সভাপতি বৰাই কয় যে, দলীয় কৰ্মীসকলৰ মাজৰ পৰাই কাইলৈ দলৰ নেতৃত্ব লব লাগিব। আজি সভা হোৱা স্থানতে এসময়ত দলৰ গোলাঘাট জিলাৰ সভাপতি হোৱাৰ পৰা দলৰ কেন্দ্ৰীয় সভাপতি হোৱালৈ দিনবোৰ স্মৰণ কৰি দলীয় কৰ্মীসকলক ত্যাগৰ মনোভাৱেৰে কাম কৰি যাবলৈ আহ্বান জনায়। দলীয় কৰ্মী সকলৰ নিজ নিজ এলেকাৰ ভোটাৰ সম্পৰ্কত থাকিব লগা বিভিন্ন দিশৰ দখলৰ ওপৰতো বক্তব্য ৰাখি তেওঁ দলে এতিয়াৰে পৰা ভোটাৰ তালিকাৰ প্ৰতি পৃষ্ঠাৰ বিপৰীতে গণ সমন্বয়ক পদ সৃষ্টি কৰাৰ প্ৰসংগয়ো উল্লেখ কৰে। দলৰ বিভিন্ন পৰ্যায়ৰ বিষয়বাবৰ ক্ষেত্ৰত কৰ্মঠ, বুদ্ধিমত্তা থকা, ইচ্ছা আৰু সময় থকা লোকক দায়িত্ব দিয়াৰ পৰামৰ্শ দিয়ে সভাপতি জনে। সঠিক লক্ষ্য, সঠিক চিন্তাৰে নিষ্ঠাৰে আগবাঢ়িলে দল শক্তিশালী নোহোৱাৰ কাৰণ থাকিবই নোৱাৰে বুলি উল্লেখ কৰি দলৰ শিপাত সাৰ পানী যোগাবলৈ তেওঁ সকলোকে আহ্বান জনায়। ইপিনে, ৮৫ত অগপৰ নেতৃত্বত গঠন হোৱা চৰকাৰে কৰা উল্লেখযোগ্য কাম সমূহৰ বৰ্ণনা দি, এন আৰ এল, গেছ ক্ৰেকাৰ, শংকৰদেৱ কলাক্ষেত্ৰকে ধৰি বিভিন্ন সফলতা ব্যাখ্যা কৰি বিদেশী বহিষ্কৰণৰ ক্ষেত্ৰত ব্যৰ্থতাৰ আৰত আই এম ডিটি আইনকে ধৰি অন্যান্য কাৰকবোৰ ব্যক্ত কৰে। আজিৰ মিত্ৰজোঁটৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষা কৰিবলৈ লোৱা উচ্চেদকে ধৰি গুৰুত্বপূৰ্ণ পদক্ষেপসমূহৰ শলাগ লৈ এনে প্ৰচেষ্টা ৮৫ৰ অগপ চৰকাৰৰ দিনতে কাৰ্যকৰী হোৱাৰ প্ৰয়োজন আছিল বুলি মন্তব্য কৰে। অসম সংগীতেৰে আৰম্ভ হোৱা যথেষ্ট সংখ্যক লোকৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হোৱা সভাখনলৈ সভাপতি জনক গায়ন বায়নলৈ এক সমদলেৰে আদৰি অনা হয়। সভাখনত দেৰগাঁও সমষ্টিৰ বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালী, অগপৰ সভাপতি তথা মুখপাত্ৰ নুৰুল চুলতান, চাহ পৰিষদৰ সভাপতি প্ৰমোদ ভেংৰায়ো সাংগঠনিক দিশত তত্ত্বগধুৰ ভাষণ দিয়ে। অগপৰ কেন্দ্ৰীয় উপ-সভাপতি তুলসী গগৈ, সম্পাদক কৃষ্ণ কান্ত দাস, জিলা সভাপতি ডাঃ নৃপেন বৰুৱা, অসম চাহ পৰিষদৰ সভাপতি ভাস্কৰ কালিন্দি প্ৰমুখ্যে বহুকেইজন কেন্দ্ৰীয় বিষয়ববীয়া আৰু বিভিন্নজন জিলা আৰু আঞ্চলিক বিষয়ববীয়াই ভাগ লয়। এই সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অগপৰ সভাপতি তথা অসম চৰকাৰৰ মন্ত্ৰী অতুল বৰা, দেৰগাঁৱৰ বিধায়ক ভৱেন্দ্ৰনাথ ভৰালী লগতে গণ পৰিষদৰ কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ কাৰ্য্যকৰ্তা সকল। আগন্তুক ২৬ ৰ বাবে দলটোক শক্তিশালী কৰা নেতা কৰ্মীসকলক সক্ৰিয় কৰাৰ উদ্দেশ্যৰে সাংগঠনিক সভাখন অনুষ্ঠিত হয়। এই সভাত দলটোৰ বৃহৎ সংখ্যক দলীয় কৰ্মীয়ে অংশগ্ৰহণ কৰে সমাগত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত সকলোকে মাৰ বান্ধি দলৰ হৈ কাম কাজ কৰিবলৈ অনুৰোধ জনাই। সাংগঠনিক সভাত উপস্থিত থাকি অসম গণ পৰিষদৰ সভাপতি অতুল বৰাই দল শক্তিশালী কৰা স্বাৰ্থত সকলো একগোট হ'বলৈ অনুৰোধ জনাই। কিছু দিনৰ আগতে দেৰগাঁও সমষ্টিৰ বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালীক ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে যি কুট মন্তব্য আগবঢ়ায়ই ছিল তেনে মন্তব্য গৰিহণা দিয়ে লগতে অনাগত দিনত এনে বিৰোপ মন্তব্য প্ৰদান নকৰিবলৈ সকীয়নি প্ৰদান কৰে।

## এক ইঞ্চি মাটিও হেৰুৱাব

তেওঁলোকৰ পূৰ্বপুৰুষৰ ভূমি আৰু অসম চৰকাৰে ইয়াক দখল কৰি ৰাখিছে। এই মন্তব্যই স্থানীয় খিলঞ্জীয়া সম্প্ৰদায়ৰ মাজত তীব্ৰ শংকাৰ সৃষ্টি কৰিছে আৰু তেওঁলোকে আশংকা কৰিছে যে উচ্ছেদৰ পিছত নগাই এই ভূমি পুনৰ দখল কৰাৰ প্ৰয়াস কৰিব পাৰে। দক্ষিণ নামবৰত শেহতীয়াকৈ চলোৱা উচ্ছেদ অভিযানৰ পিছত স্থানীয় খিলঞ্জীয়া লোকসকলে নিৰাপত্তাৰ অভাৱত অস্থিৰতা অনুভৱ কৰিছে। বিশেষকৈ ৰজাপুখুৰী আৰু গেলাজানৰ দৰে অঞ্চলত বহুসংখ্যক নগা লোকৰ উপস্থিতি লক্ষ্য কৰা গৈছে, যিটো স্থানীয় লোকৰ বাবে উদ্বেগৰ কাৰণ হৈ পৰিছে। এই পৰিস্থিতিত স্থানীয় লোকে অসম চৰকাৰৰ ওচৰত নিৰাপত্তাৰ ব্যৱস্থাৰ লগতে অসম বেটালিয়ানৰ কেম্প স্থাপনৰ দাবী জনাইছে। তেওঁলোকৰ মতে, এনে পদক্ষেপ অবিহনে এই অঞ্চল পুনৰ নগাৰ আগ্ৰাসনৰ সন্মুখীন হ'ব পাৰে। এই প্ৰসংগত সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনে এক স্পষ্ট প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছে যে অসমৰ এই ভূমি কোনো পৰিস্থিতিতেই নাগালেণ্ডৰ হাতলৈ যাব নোৱাৰে। তেওঁ কয়, "অসম-নাগালেণ্ডৰ মাজত সীমা বিবাদ পুৰণি, কিন্তু এই মাটি আমাৰ। বৰ্তমান ড হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এক শক্তিশালী চৰকাৰ কাৰ্যনিৰ্বাহ কৰি আছে। মই নিজে এই অঞ্চলত আছো আৰু আমি এক ইঞ্চি মাটিও হেৰুৱাব নিদিওঁ।" তেওঁ লগতে উল্লেখ কৰে যে উচ্ছেদৰ পিছত এই অঞ্চলত ফেন্সিংৰ ব্যৱস্থা কৰি বনানীকৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব, যাতে ভৱিষ্যতে কোনো ধৰণৰ বেদখলৰ ঘটনা নঘটে। বিধায়ক ফুকনে নগাৰ আগ্ৰাসনৰ আশংকাকো প্ৰত্যাখ্যান কৰি কয় যে অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ আগমন স্বাভাৱিক। তেওঁৰ মতে, নাগালেণ্ডৰ কিছু লোকৰ উপস্থিতিৰ অৰ্থ এই নহয় যে তেওঁলোকে এই ভূমি দখল কৰিব। তেওঁ সকলোকে এই বিষয়ক লৈ ৰাজনীতি কৰি অসমীয়া-নগা সংঘাতৰ পৰিস্থিতি সৃষ্টি নকৰিবলৈও অনুৰোধ জনাইছে। তেওঁৰ প্ৰতিশ্ৰুতি অনুসৰি, উচ্ছেদৰ পিছত এই অঞ্চলটো সুৰক্ষিত কৰি বনানীকৰণৰ জৰিয়তে ইয়াক সংৰক্ষিত কৰা হ'ব। এই পৰিস্থিতিয়ে অসম-নাগালেণ্ড সীমান্তৰ দীৰ্ঘদিনীয়া বিবাদক পুনৰ প্ৰকাশ কৰিছে। স্থানীয় লোকৰ শংকা আৰু বিধায়কৰ আশ্বাসৰ মাজত এই অঞ্চলৰ ভৱিষ্যত এতিয়াও অনিশ্চিত হৈ আছে। চৰকাৰে নিৰাপত্তাৰ ব্যৱস্থা শক্তিশালী কৰি এই অঞ্চলৰ স্থায়ী সমাধানৰ দিশে আগবাঢ়িব নে নাই, সেয়া ভৱিষ্যতে স্পষ্ট হ'ব।

## ২৩ হাজাৰ কোটিৰে

কৰিডৰ নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই চাৰিলেনযুক্ত এক্সপ্ৰেছৱে, যাৰ আনুমানিক খৰচ ২২, ৮৬৪ কোটি, ৰি-ভয় জিলাৰ মাজেৰে পাৰ হ'ব আৰু ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডে (এনএইচআইডিচিএল) ইয়াক কাৰ্যকৰী কৰিব। ৰি-ভয়ৰ উপ আয়ুক্ত অভিলাষ বৰাণৱালৰ এক অধিসূচনাত কৰিডৰৰ নিৰ্দিষ্ট এলাইনমেণ্টৰ ভিতৰত নতুন নিৰ্মাণ বা উন্নয়নমূলক কাম-কাজৰ পৰা বিৰত থাকিবলৈ বাসিন্দাসকলক নিৰ্দেশ দিয়া হৈছে। অধিসূচনাত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে এই জাননী জাৰিৰ পিছত নিৰ্মিত যিকোনো অকৰ্তৃত্বশীল গঠন ক্ষতিপূৰণৰ অযোগ্য হ'ব। এই প্ৰকল্পৰ বাবে চৰকাৰে সাতখন গাঁও চিনাক্ত কৰিছে, য'ত আছে পিলুন, উমৰোই লাবানছাৰো, নংৰা, নংলাখী, ৰাহমিনটাইট আৰু লুমছ'হপোহ। ১৬৬.৮০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ঘাইপথ শিলচৰৰ সমীপৰ মাউলিংখুঙৰ পৰা আৰম্ভ হৈ পঞ্চগ্ৰামত শেষ হ'ব। ইয়াৰ মুঠ দৈৰ্ঘ্যৰ ১৪৪.৮০ কিলোমিটাৰ মেঘালয়ৰ ভিতৰত অৱস্থিত, যিয়ে প্ৰাকৃতিক সৌন্দৰ্য্য আৰু কৌশলগত গুৰুত্বৰে সমৃদ্ধ অঞ্চলসমূহক সামৰি ল'ব। বিশেষজ্ঞসকলে জনোৱা মতে, এই মহৎ প্ৰকল্পৰ উদ্দেশ্য হৈছে আঞ্চলিক সংযোগ বৃদ্ধি কৰা, অৰ্থনৈতিক উন্নয়নৰ পথ মুকলি কৰা আৰু উত্তৰ-পূবৰ প্ৰমুখ কেন্দ্ৰসমূহৰ মাজত ভ্ৰমণৰ সময় হ্ৰাস কৰা। এই এক্সপ্ৰেছৱে নিৰ্মাণে অঞ্চলটোৰ অৰ্থনৈতিক আৰু সামাজিক গতিশীলতাত যুগান্তকাৰী পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে।

## কবিতা আবৃত্তিৰ কৰ্ষণ

ক্ষেত্ৰত মানৱ সমাজে নিৰ্দ্ধাৰণ কৰি লোৱা কেতবোৰ নীতি আৰু বিধি থাকে। মানুহে ব্যক্তি জীৱনত নাইবা সামাজিক পৰিৱেশত কিছুমান কাম সুশৃংখলিত ভাৱে সম্পন্ন কৰিবলৈ কিছুমান নিয়ম-নীতিৰ আওতাত চলিব লগীয়া হয়। সমাজ একোখনৰ সামাজিক পৰিমণ্ডলত যেনে - সভা এখন আয়োজন কৰাৰ ক্ষেত্ৰত, গীত-মাত পৰিৱেশন প্ৰণালীৰ ক্ষেত্ৰত, সাংস্কৃতিক মঞ্চ একোখন গঢ়ি লোৱাৰ ক্ষেত্ৰত, নাট্য মঞ্চৰ মজিয়াত নাট-ভাওনা বা অভিনয়-কলা প্ৰদৰ্শনৰ প্ৰাকক্ষণত আৰু সমাপনৰ সময়ত কিছুমান প্ৰয়োজনীয় নিয়মাৱলী প্ৰস্তুত কৰিহে সংস্কৃতিবান, সুন্দৰ প্ৰয়াসী মানুহে সুশৃংখলাবদ্ধতাৰে কেতবোৰ কৰ্ম কৰে। এয়া আমাৰ সমাজৰ কলা-শিল্পৰ নিকা নিৰ্দৰ্শন।

আলোচনা কৰিব খুজিছোঁ আমি সাহিত্য শিল্পৰ এক অতি সাৰশ্বত কলা-শিল্প কবিতা আবৃত্তি। এয়া আমাৰ মানৱ সমাজত অতি প্ৰাচীন বা কৌটিকালৰে সণচালনিকৈ চলি অহা অন্যতম এক অনুপম কলা-সাধনা। মানুহে খোৱা-পিন্ধা, থকা-মেলা, ফুৰা-চকা, বিচৰণ কৰা আদি কৰ্মযোগে বহু আনন্দ-তৃপ্তি আৰু আত্মসন্তুষ্টি লভে। এইবোৰেই মৰুময় মানৱ জীৱনৰো আশা-বাঞ্ছাৰ সঞ্জীৱনী সুধা।

অতি সৰল প্ৰকাশেৰেই দুটিমান কথা বা বিধি-নিয়মৰ বিষয়ে ক'ব খুজিছোঁ। কবিতা আবৃত্তিৰ ক্ষেত্ৰত আমি আমি জানো যে কবিসকলে মনৰ সূক্ষ্ম অনুভৱ আৰু অনুভূতিসমূহ প্ৰকাশ কৰে কেতবোৰ বাচকবনীয়া শব্দ ব্যঞ্জনাৰ আলমেৰে। পদ ছন্দ, দুলড়ী ছন্দ, লেছাৰি ছন্দ, পয়াৰ ছন্দ, ঝুনা ছন্দ, একাৱলী ছন্দ আৰু সাম্প্ৰতিক ভাৱাদৰ্শৰে মুক্তক ছন্দৰ আলমেৰে। আন আনবোৰ ছন্দ বন্ধনীৰ কথা আমি এই আলোচনাত বহল নকৰোঁ। নানান তৰহৰ কাব্য ছন্দত ৰচনা কৰা কবিতাবোৰ মুঠেই দুৰ্বোধ্য নহয়, সহজ-সৰল প্ৰকাশ মাধ্যমত ইবোৰ ৰচনা কৰা হয়। কিন্তু মুক্তক ছন্দত ৰচনা কৰা কবিতাবোৰ তেনেই সহজবোধ্য নহয়, ইবোৰ পঢ়ি ভাবিবলৈ, বুজিবলৈ কিছু সময় লাগে। ইবোৰৰ আঁৰত একো একোটা ওৰণি লোৱা ভাৱ থাকে, কথা থাকে। ওৰণিখন বা আৱৰণখন আঁতৰাই দি সৰল আৰু সূক্ষ্ম পৰ্য্যবেক্ষণৰ জৰিয়তে কবিতা পঢ়িবলৈ শিকিলেই কবিতাৰ আঁৰৰ কথা অৰ্থাৎ অভ্যন্তৰত প্ৰৱেশিব পৰা যায়। নাৰিকলৰ কঠিন চুকুৰাটো আঁতৰ কৰি দিলেই যিদৰে নাৰিকলৰ কোমল সাহটোৰ সোৱাদ পাব পৰা যায় আৰু ইয়াৰ মাজত থকা পৰিষ্কাৰ তথা সুস্বাদু পানীয় ভাগ পান কৰি তৃপ্তি পাব পাৰি মুক্তক ছন্দত ৰচনা কৰা আধুনিক কবিতাসমূহ বুজি পাব পৰা উপলব্ধি কৰিব পৰা কথাটোও তেনেকুৱাই। এতিয়া আমি কবিতা আবৃত্তি কৰাৰ গোটাদিয়েক কিটিপ, কৌশল বা সাধাৰণ নিয়মৰ কথা ক'ব বিচাৰিছোঁ -

(ক) কবিতা আবৃত্তি কৰিবলৈ কাব্য মঞ্চত প্ৰৱেশ কৰিব বিচৰাসকল প্ৰথমতে অতি সহজ-সৰল বা কাব্য কোমল হোৱা দৰকাৰ। অতি কঠোৰ চিৰিয়াচ তথা বদ্ধ বা গধুৰ মন এটা লৈ মঞ্চত কবিতা আবৃত্তি কৰিবলৈ আগবাঢ়িলে প্ৰতিযোগিতাত বিফল হোৱাৰ আশংকা থাকে।

(খ) দ্বিতীয় কথা, কবিতা আবৃত্তি কৰিব বিচৰা কবিতাটো সম্পূৰ্ণকৈ মুখস্থ কৰি লোৱা বাঞ্ছনীয়। অলপো খুকুজা নলগাকৈ কবিতা কণ্ঠস্থ থাকিব লাগিব।

(গ) কবিতাটিত প্ৰকাশিত প্ৰতিটো শব্দৰ যথাযথ অৰ্থ বুজি লোৱাটো একান্তই কৰণীয়। সলসলীয়া প্ৰকাশত বিজুতি বা বিসংগতি থাকিব নেলাগিব।

(ঘ) প্ৰতিটো শব্দৰ উচ্চাৰণ প্ৰণালী বিশুদ্ধ হ'ব লাগিব। অসমীয়া শব্দ বা ধ্বনিৰ যথাযথ প্ৰকাশত স্বৰূপতে শ্ৰুতি মধুৰতা ফুটি উঠাত সহায়ক হয়।

(ঙ) আবৃত্তি প্ৰকৰণত আবৃত্তিকাৰজনৰ দৈহিক ভংগীমা প্ৰকাশ পালে বা প্ৰস্ফুটিত হলে শ্ৰোতা-দৰ্শক স্বাভাৱিকতে আকৰ্ষিত, আহ্লাদিত আৰু অনুপ্ৰাণিত হয।

(চ) আবৃত্তিকাৰৰ কণ্ঠ কোমল আৰু মাৰ্জিত হোৱা ভাল। এয়া যেনিবা কাব্যময় প্ৰকাশৰ চিনাকি আৰু চানেকি। আবৃত্তিকাৰৰ কথা, কণ্ঠ, সুৰ আৰু লয়-লাসত সাংস্কৃতিক লক্ষণ-বৈশিষ্ট্য্য প্ৰকাশ পায়। এনেবোৰ বিধি-নিয়ম মানি কবিতা আবৃত্তি কৰিব পাৰিলেই কাব্য মৰ্য্যাদা ৰক্ষিত হয়। এনেকৈয়ে কবিতা আবৃত্তিৰ কৰ্ষণ-চিত্ৰণ আশা কৰিব পৰা যায়।

## আভিজাত্যৰ মহানগৰীত

ইন গেষ্ট হাউছত অভিযান চলায়। এই অভিযানৰ জৰিয়তে গেষ্ট হাউছৰ মালিক বাপ্তি হাজৰিকা (গহপুৰ), ৰিতুমণি গোহাঁই ৰাভা (হেঙেৰাবাৰী), জোনালী চৌহান (ধেমাজি), আৰু ৰিয়া দাস (চিলাপথাৰ)ক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে যে এই গেষ্ট হাউছত বিগত আঠ মাহ ধৰি দেহ ব্যৱসায়ৰ কাৰ্যকলাপ চলি আছিল। DCP মৃণাল ডেকাই সংবাদ মাধ্যমক জনোৱা মতে, "সামাজিক মাধ্যম আৰু সংবাদ মাধ্যমত এই গেষ্ট হাউছৰ সম্পৰ্কে তথ্য প্ৰকাশ পোৱাৰ পিছত আমি তৎক্ষণাৎ অভিযান চলাইছিলো। বাপ্তি হাজৰিকাৰ নেতৃত্বত এই ব্যৱসায় চলি আছিল, আৰু তেওঁৰ সৈতে জড়িত তিনিগৰাকী যুৱতীকো গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ উপৰিও তিনিগৰাকী ভুক্তভোগী যুৱতীক উদ্ধাৰ কৰা হৈছে।" তদন্তত জানিব পৰা গৈছে যে বাপ্তি হাজৰিকাই গুৱাহাটীৰ দুটা ফ্লেটত ১০ গৰাকী যুৱতীক ৰাখি এই অবৈধ ব্যৱসায় পৰিচালনা কৰিছিল। ২০ৰ পৰা ২৮ বছৰ বয়সৰ এই যুৱতীসকলক চাকৰিৰ প্ৰলোভন দেখুৱাই দেহ ব্যৱসায়ত জড়িত কৰা হৈছিল। খবৰ অনুসৰি, গাঁৱৰ পৰা চাকৰিৰ সন্ধানত মহানগৰীলৈ অহা যুৱতীসকল আছিল হাজৰিকাৰ মূল লক্ষ্য। এই ব্যৱসায়ত ৰাজনৈতিক নেতাৰ পৰা শীৰ্ষ পদস্থ আমোলাৰ জড়িত থকাৰো অভিযোগ উত্থাপিত হৈছে। আৰক্ষীৰ হাতত পৰা তথ্য অনুসৰি, এই ব্যৱসায়ৰ জৰিয়তে এগৰাকী যুৱতীৰ দেহৰ মূল্য ধাৰ্য কৰা হৈছিল ছয় হাজাৰ টকা। অভিযানৰ সময়ত আৰক্ষীয়ে গেষ্ট হাউছৰ চিচিটিভিৰ ভিজুৱেল আৰু ৰেজিষ্টাৰ জব্দ কৰিছে। DCP ডেকাই কয়, "আমি অন্যান্য গেষ্ট হাউছতো এই ব্যৱসায়ৰ সম্পৰ্ক থকাৰ সন্দেহ কৰিছোঁ। প্ৰমাণ পোৱাৰ লগে লগে অন্য প্ৰান্ততো অভিযান চলোৱা হ'ব।" এই দেহ ব্যৱসায়ৰ ফলত তিনি-চাৰিগৰাকী যুৱতী বিভিন্ন ৰোগত আক্ৰান্ত হৈছে। কিছু যুৱতী গেষ্ট হাউছৰ পৰা পলায়ন কৰিবলৈ বাধ্য হৈছে। আৰক্ষীৰ তদন্তত এই ব্যৱসায়ৰ সৈতে জড়িত আন কিছুমান ব্যক্তিৰ সম্পৰ্কতো তথ্য সংগ্ৰহ কৰা হৈছে। DCP মৃণাল ডেকাই জনোৱা মতে, "বৰ্তমান তদন্ত প্ৰাথমিক পৰ্যায়ত আছে। নতুন তথ্য পোহৰলৈ আহিলে জড়িত সকলোৰে বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।" এই ঘটনা সামাজিক মাধ্যমত প্ৰকাশ পোৱা এটা কল ৰেকৰ্ডিঙৰ জৰিয়তে পোহৰলৈ আহে। সংবাদ মাধ্যমত এই তথ্য প্ৰচাৰিত হোৱাৰ পিছত আৰক্ষীয়ে তৎক্ষণাৎ পদক্ষেপ গ্ৰহণ কৰে। বাপ্তি হাজৰিকাৰ দুগৰাকী প্ৰেয়সীও এই ব্যৱসায়ৰ সহযোগী হিচাপে জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। আৰক্ষীয়ে এই ঘটনাৰ সৈতে জড়িত অন্যান্য সম্ভাব্য স্থান আৰু ব্যক্তিৰ তথ্য সংগ্ৰহ কৰি তদন্ত অব্যাহত ৰাখিছে। গুৱাহাটীৰ এই ঘটনাই মহানগৰীৰ আভিজাত্যৰ আঁৰৰ এক অন্ধকাৰ দিশ পোহৰলৈ আনিছে। জনসাধাৰণৰ মাজতো এই ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে, আৰু আৰক্ষীৰ তৎপৰতাৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

## পথ নিৰ্মাণৰ জৰিয়তে

ঘোষণা কৰিছে। এই ঘটনাই সীমান্তৰ পৰিস্থিতিক অধিক উত্তপ্ত কৰি তুলিছে। নাগালেণ্ডৰ ভাণ্ডাৰী মহকুমাৰ লিঅ' লুংচুং, মিকিৰাং আৰু লুঙায়ুঙ বস্তিৰ নগা ভিলেজ কাউঞ্চিলৰ চেয়াৰমেনসকলে অসমৰ ভূমি দখলৰ বাবে নাগালেণ্ড চৰকাৰৰ সহায় বিচাৰিছে। তেওঁলোকে নেঘেৰিবিলৰ ভূমি নাগালেণ্ডৰ অংশ বুলি দাবী কৰি অসম চৰকাৰৰ উচ্ছেদ অভিযানৰ পিছত এই অঞ্চল দখলৰ ভাবুকি প্ৰদান কৰিছে। নাগালেণ্ডৰ এটা ইউটিউব চেনেলত প্ৰকাশিত তথ্য অনুসৰি, এই তিনিখন নগা গাঁৱৰ নেতৃত্বই দাবী কৰিছে যে অসম চৰকাৰে সন্দেহযুক্ত বেদখলকাৰীক উচ্ছেদ কৰাৰ পাছত নেঘেৰিবিলৰ ভূমি তেওঁলোকে কাঢ়ি ল'ব। এই ভাবুকিৰ সমৰ্থনত নাগালেণ্ডৰ দুটা পৃথক উগ্ৰপন্থী সংগঠনৰ বৃহৎ সংখ্যক সদস্যই সীমান্ত অঞ্চলত বাহৰ পাতি থকাৰ তথ্য নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা জানিব পৰা গৈছে। ইতিমধ্যে অসম চৰকাৰে ২ নম্বৰ নেঘেৰিবিলত আগামী ৮ আগষ্টৰ পৰা উচ্ছেদ অভিযান চলোৱাৰ কথা ঘোষণা কৰিছে। কিন্তু নাগালেণ্ডৰ পৰা উত্থাপিত দাবীয়ে এই অঞ্চলৰ পৰিস্থিতিক অধিক জটিল কৰি তুলিছে। নাগালেণ্ডৰ কিছুমান লোকে সীমান্তত পথ নিৰ্মাণৰ জৰিয়তে অসমৰ ভূমি দখলৰ গোপন পৰিকল্পনা ৰচনা কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই পৰিস্থিতিয়ে স্থানীয় লোকৰ মাজত ভয় আৰু উত্তেজনাৰ সৃষ্টি কৰিছে। এই তথ্য প্ৰকাশ পোৱাৰ পাছত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ দৰে বিভিন্ন সংগঠনে নগাৰ আগ্ৰাসন ৰোধ কৰাৰ বাবে অসম চৰকাৰক তৎকালীন ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে। স্থানীয় ৰাইজৰ মাজতো এই ঘটনাৰ প্ৰতি তীব্ৰ ক্ষোভ আৰু উদ্বেগ বিৰাজ কৰিছে। মেৰাপানী সীমান্তৰ এই উত্তপ্ত পৰিস্থিতিত অসম চৰকাৰ আৰু প্ৰশাসনে উচ্ছেদ কৰা ভূমিৰ সুৰক্ষাৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া এতিয়া সকলোৰে দৃষ্টিৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। এই সংকটৰ সমাধানৰ বাবে অসম আৰু নাগালেণ্ডৰ মাজত উচ্চপৰ্যায়ৰ আলোচনাৰ প্ৰয়োজনীয়তা জোৰদাৰ হৈ উঠিছে। সীমান্তৰ এই বিতৰ্কিত ভূমিৰ মালিকানাৰ প্ৰশ্নৰ নিৰসন নোহোৱালৈকে অঞ্চলটোত শান্তি প্ৰতিষ্ঠা কঠিন হৈ পৰিব। অসমৰ ভূমিৰ সুৰক্ষা আৰু সীমান্তৰ নিৰাপত্তাৰ স্বাৰ্থত চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰাৰ দাবী এতিয়া জনমতৰ এক প্ৰধান বিষয় হৈ দাঁড়িছে।

## অখিলৰ সভাত

হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। তাৰ পিছত তেওঁ পানবাৰীত মানাহ সেৰফাং সমষ্টিৰ প্ৰচাৰত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই প্ৰচাৰত কয়, "যোৱা পাঁচ বছৰত আমি বিটিআৰত শান্তিৰ প্ৰতিষ্ঠা কৰিছো। অহা পাঁচ বছৰত উন্নয়নৰ ঢল আনিম।" তেওঁ দাবী কৰে যে বিটিচিত বিজেপিৰ চৰকাৰ নথকাৰ বাবে অসম আৰু কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ সুবিধা প্ৰত্যক্ষভাৱে জনতাৰ হাতত পৰা নাই। "যদি বিটিচিত বিজেপিৰ চৰকাৰ গঠন হয়, তেন্তে আমি পোনে পোনে উন্নয়নৰ আঁচনি ৰূপায়ণ কৰিব পাৰিম", তেওঁ স্পষ্ট কৰে। বিটিচিৰ ভূমি সমস্যাৰ কথা উল্লেখ কৰি শৰ্মাই কয়, "বহু লোকৰ এতিয়াও ভূমিৰ নথি নাই। আমি প্ৰতিশ্ৰুতি দিছো যে ২০০৩ৰ বিটিচি চুক্তিৰ পূৰ্বৰ পৰা বসবাস কৰা লোকসকলক ভূমিৰ অধিকাৰ প্ৰদান কৰিম।" তেওঁ ট্ৰাইবেল বেল্ট ব্লক আৰু ষষ্ঠ অনুসূচীৰ এলেকা একত্ৰিত নকৰাৰ পক্ষত মত ব্যক্ত কৰে। নিৰ্বাচনী সভাৰ পিছত সংবাদ মাধ্যমৰ সৈতে কথা পাতি মুখ্যমন্ত্ৰীয়ে শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ সমালোচনা কৰে। তেওঁ প্ৰশ্ন তুলি কয়, "অখিল গগৈৰ কথা শুনিব ৰাইজে নে ৰাইজৰ কথাৰে চলিব? অখিলৰ সভাত মুছলমানসকলে বিজেপি জিন্দাবাদ বুলি কোৱাটো সাংঘাতিক কথা।" তেওঁ অখিল গগৈৰ ৰাজনৈতিক অৱস্থানৰ সমালোচনা কৰি কয়, "যদি কোনোবাই বিটিচিত হিংসাৰ পৰিৱেশ সৃষ্টি কৰিব বিচাৰে, সেয়া অতি নিন্দনীয়।" মুখ্যমন্ত্ৰীয়ে অগপৰ প্ৰতিও তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, "অগপই য'ত জয়ী হ'ব পাৰে তাত প্ৰতিদ্বন্দ্বিতা কৰক, কিন্তু বিজেপিক হৰুৱাবলৈ অযোগ্য প্ৰাৰ্থী দিয়াৰ প্ৰয়োজন নাই।" তেওঁ হাগ্ৰামা মহিলাৰী আৰু প্ৰমোদ বড়োৰ বিৰুদ্ধে প্ৰাৰ্থী নিদিয়াৰ কথা নিশ্চিত কৰে। মুখ্যমন্ত্ৰীয়ে জানায় যে বিজেপিয়ে ২০ আগষ্টৰ পিছত বিটিচি নিৰ্বাচনৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব। তেওঁ ইতিমধ্যে ১১টা সমষ্টি ভ্ৰমণ কৰি বিজেপিৰ প্ৰতি জনসাধাৰণৰ সমৰ্থনৰ বিষয়ে আশাবাদী। "বিটিচিত বিজেপিৰ পৰিস্থিতি ভাল। আমি জনতাৰ মাজত শান্তি আৰু উন্নয়নৰ বাৰ্তা লৈ গৈছো" তেওঁ কয়। প্ৰচাৰৰ সভাত মুখ্যমন্ত্ৰীৰ সৈতে উপস্থিত আছিল যোগান মন্ত্ৰী কৌশিক ৰায়, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, ৰাজ্যিক বিজেপিৰ সম্পাদক পল্লৱলোচন দাস আৰু জিলা বিজেপিৰ সভাপতি ৰতন ৰায়। বিজনীৰ সভাৰ পিছত তেওঁলোক পানবাৰীৰ নিৰ্বাচনী সভালৈ যায়। বিটিচি নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিজেপিৰ এই তীব্ৰ প্ৰচাৰে অঞ্চলটোত ৰাজনৈতিক উত্তেজনা বৃদ্ধি কৰিছে। মুখ্যমন্ত্ৰীৰ অখিল গগৈৰ প্ৰতি সমালোচনা আৰু বিজেপিৰ শান্তি-উন্নয়নৰ প্ৰতিশ্ৰুতিয়ে ভোটাৰৰ মনোযোগ আকৰ্ষণৰ প্ৰয়াস। তেওঁৰ মতে, ৰাইজৰ কথা শুনি শাসন চলোৱাটোৱেই বিজেপিৰ লক্ষ্য, আৰু অখিল গগৈৰ ৰাজনৈতিক কৌশল তাৰ বিপৰীতে। বিটিচি নিৰ্বাচনৰ ফলাফলে অঞ্চলটোৰ শান্তি আৰু উন্নয়নৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰিব। বিজেপিৰ প্ৰচাৰৰ মূল বাৰ্তা হৈছে শান্তিৰ ধাৰা অব্যাহত ৰাখি উন্নয়নৰ নতুন অধ্যায়ৰ সূচনা। মুখ্যমন্ত্ৰীৰ এই সভাৰ জৰিয়তে বিজেপিয়ে জনতাৰ মাজত নিজৰ অৱস্থান শক্তিশালী কৰাৰ প্ৰয়াস কৰিছে।

## এনডিএৰ সংসদীয়

মহাদেৱৰ সময়ত প্ৰদৰ্শিত ব্যতিক্ৰমী নেতৃত্বৰ বাবে সম্বৰ্ধনা জনোৱা হয়। সংসদীয় দলে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ বীৰত্বৰ শলাগ লৈ এই অভিযানসমূহৰ সফলতাৰ বাবে এক প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰস্তাৱত উল্লেখ কৰা হয়, "প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্ব, অদম্য সংকল্প, আৰু অটল প্ৰতিশ্ৰুতিয়ে জাতিক নতুন উচ্চতাত লৈ গৈছে। তেওঁৰ নেতৃত্বই ভাৰতীয়ৰ হৃদয়ত ঐক্য আৰু গৌৰৱৰ নতুন মনোভাৱ জাগ্ৰত কৰিছে।" বৈঠকৰ আৰম্ভণিতে বিজেপি সভাপতি জে পি নাড্ডাই "হৰ হৰ মহাদেৱ, জয় শ্ৰী ৰাম, ভাৰত মাতা কি জয়" শ্লোগানৰ মাজত প্ৰধানমন্ত্ৰীক মালা পিন্ধাই স্বাগতম জনায়। ২২ এপ্ৰিলৰ পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ উত্তৰত ভাৰতে ৬-৭ মে'ত অপাৰেশ্যন সেন্দূৰ আৰম্ভ কৰে, য'ত পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদী ঘাঁটিত নিখুঁত আক্ৰমণ চলোৱা হয়। ২৮ জুলাইত অপাৰেশ্যন মহাদেৱৰ জৰিয়তে শ্ৰীনগৰৰ পাহাৰী অঞ্চলত পহলগামৰ আক্ৰমণৰ সৈতে জড়িত তিনিজন সন্ত্ৰাসবাদীক নিৰ্মূল কৰা হয়। প্ৰস্তাৱত কোৱা হয়, "সশস্ত্ৰ বাহিনীৰ সাহস আৰু নিষ্ঠাই জাতিৰ নিৰাপত্তাৰ প্ৰতি তেওঁলোকৰ অটল সমৰ্পণ প্ৰতিফলিত কৰে।" বৈঠকত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে বিৰোধী নেতা ৰাহুল গান্ধীক কটাক্ষ কৰি কয়, "অপাৰেশ্যন সেন্দূৰৰ বিষয়ে আলোচনাৰ দাবী তুলি বিৰোধীয়ে নিজৰ ভৰিত গুলী চলাইছে। তেওঁলোকে সেনাবাহিনীৰ বীৰত্বক প্ৰশ্ন কৰি নিজৰ লাজৰ কাৰণ হৈছে।" তেওঁ ৰাহুলৰ বক্তব্যক "আ বেল, মুঝে মাৰ" বাক্যাংশৰ সৈতে তুলনা কৰে। মোদীয়ে সাংসদসকলক ত্ৰিৰংগা যাত্ৰাৰ আয়োজন কৰি জনগণক জড়িত কৰাৰ নিৰ্দেশ দিয়ে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে অপাৰেশ্যন সেন্দূৰৰ সফলতাৰ বিষয়ে ব্যাখ্যা কৰি কয়, "বিৰোধীয়ে এই অভিযানক 'ভুৱা কাহিনী' বুলি প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু সংসদত প্ৰধানমন্ত্ৰীয়ে তেওঁলোকৰ এই দাবী ভাঙি পেলাইছে।" তেওঁ নতুন সাংসদ উজ্জ্বল নিকাম, চি সদানন্দ মাষ্টৰ আৰু হৰ্ষবৰ্ধন শ্ৰিংলাকো পৰিচয় কৰাই দিয়ে। অপাৰেশ্যন সেন্দূৰৰ পিছত ৫৯জন সাংসদে ৩২খন দেশ ভ্ৰমণ কৰি ভাৰতৰ দৃষ্টিভংগী বিশ্বৰ সন্মুখত তুলি ধৰে। প্ৰস্তাৱত কোৱা হয়, "এই পদক্ষেপে ভাৰতৰ শান্তিৰ প্ৰতি দায়বদ্ধতা আৰু সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা প্ৰতিফলিত কৰে।" ব্ৰিকছৰ যুটীয়া ঘোষণাৰ জৰিয়তে পহলগাম আক্ৰমণৰ নিন্দা আৰু দ্য ৰেজিষ্টেন্স ফ্ৰণ্টক সন্ত্ৰাসবাদী সংগঠন হিচাপে ঘোষণাৰ দাবী উত্থাপিত হৈছে। প্ৰস্তাৱত অপাৰেশ্যন সেন্দূৰক ভাৰতৰ নাৰী শক্তিৰ সমৰ্থনৰ প্ৰতীক হিচাপে উল্লেখ কৰা হয়। "সেন্দূৰৰ সাংস্কৃতিক তাৎপৰ্যৰ সৈতে এই অভিযানে মহিলাসকলৰ ন্যায়ৰ প্ৰতি ভাৰতৰ সংকল্প প্ৰকাশ কৰে", প্ৰস্তাৱত কোৱা হয়। মোদীৰ প্ৰতিৰক্ষা সংস্কাৰ আৰু ড্ৰোণ বিপ্লৱৰ উদ্যোগকো এই অভিযানৰ সফলতাৰ কাৰণ হিচাপে উল্লেখ কৰা হৈছে।

## পুনৰ পূৰ্ণ ৰাজ্যৰ

ক্ষমতালৈ আহিলে জম্মু-কাশ্মীৰৰ ৰাজ্যিক মৰ্যাদা পুনৰ ঘূৰাই আনিব। ইয়াৰ সমান্তৰালভাৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত জম্মু ভ্ৰমণকালত এই বিষয়ে আশ্বাস প্ৰদান কৰিছিল। কিন্তু লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ পিছতো জম্মু-কাশ্মীৰে এতিয়াও পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে ছয় বছৰ পূৰ্বে ৫ আগষ্ট, ২০১৯ তাৰিখে ভাৰতীয় সংবিধানৰ ৩৭০ অনুচ্ছেদ বাতিল কৰা হৈছিল, যাৰ ফলত জম্মু-কাশ্মীৰে ৰাজ্যৰ মৰ্যাদা হেৰুৱাইছিল। তদুপৰি, জম্মু-কাশ্মীৰক দুটা পৃথক কেন্দ্ৰীয় শাসিত অঞ্চল—জম্মু-কাশ্মীৰ আৰু লাডাখ—হিচাপে বিভক্ত কৰা হৈছিল। ২০২৪ চনত জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল, আৰু নিৰ্বাচনৰ পিছতো চৰকাৰ গঠনৰ সময়ৰ পৰা ৰাজ্যিক মৰ্যাদা পুনৰুদ্ধাৰৰ দাবী অধিক তীব্ৰ হৈ উঠিছে। এই পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়ৰ শিক্ষক জাহুৰ আহমেদ ভাট আৰু সমাজকৰ্মী খুৰশ্বিদ আহমেদ মালিকে জম্মু-কাশ্মীৰক পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা পুনৰ প্ৰদানৰ দাবীত উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। তেওঁলোকৰ যুক্তি, ৰাজ্যিক মৰ্যাদা পুনৰ প্ৰদান নকৰাৰ ফলত জম্মু-কাশ্মীৰৰ নাগৰিকৰ মৌলিক অধিকাৰৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিছে। তেওঁলোকে আৰু অভিযোগ কৰিছে যে ৰাজ্যিক মৰ্যাদা অবিহনে বিধানসভা গঠন কৰাটো ভাৰতীয় ফেডাৰেলিজমৰ মূল ধাৰণাৰ বিৰোধী। এই আবেদন গত বছৰ বিধানসভা নিৰ্বাচনৰ সময়ত উচ্চতম ন্যায়ালয়ত দাখিল কৰা হৈছিল। মঙলবাৰে অধিবক্তা গোপাল শংকৰানাৰায়ণে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ বিচাৰপীঠৰ দৃষ্টি এই বিষয়লৈ আকৰ্ষণ কৰে। তেওঁ আদালতত জনায় যে এই গোচৰৰ শুনানিো৮ আগষ্ট শুকুৰবাৰৰ বাবে নিৰ্ধাৰিত হৈছে। উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিছে যে শুকুৰবাৰৰ শুনানিৰ তালিকাৰ পৰা এই গোচৰটো আঁতৰোৱা নহ'ব। জম্মু-কাশ্মীৰৰ ৰাজ্যিক মৰ্যাদা পুনৰুদ্ধাৰৰ এই দাবীয়ে এতিয়া ৰাজ্যখনৰ ৰাজনৈতিক আৰু সাংবিধানিক পৰিস্থিতিৰ ওপৰত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। এই গোচৰৰ শুনানিৰ ফলাফলৰ ওপৰত জম্মু-কাশ্মীৰৰ ভৱিষ্যতৰ ৰাজনৈতিক দিশ নিৰ্ধাৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পৰিব বুলি পৰ্যবেক্ষকসকলে মত প্ৰকাশ কৰিছে।

## উৰিয়ামঘাটত হোৱা নাই

কৰিছে। উৰিয়ামঘাটত নগা লোকৰ আগ্ৰাসন হোৱা নাই বুলি স্পষ্ট কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই জাতীয় জীৱনৰ বৃহত্তৰ স্বাৰ্থত উচ্ছেদ অভিযান অব্যাহত থাকিব বুলি ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সংবাদ মাধ্যমৰ আগত কয়, যে উৰিয়ামঘাটৰ স্থান তেওঁ নিজে প্ৰত্যক্ষ কৰি আহিছে আৰু সেই স্থানত নগাৰ আগ্ৰাসন হোৱা কথাটো সম্পূৰ্ণ মিছা। ৰাজ্যৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয় সন্দৰ্ভত অহা নৱেম্বৰত হ'বলগীয়া অসম বিধানসভাৰ অধিৱেশনত আলোচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। ইপিনে, বজালী জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ কালি মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটা জিলাৰ সৰ্থেবাৰী ৰাজহচক্ৰৰ অন্তৰ্গত কাৰৈমাৰী, গুলীবন্ধা আৰু সৰ্থেবাৰীৰ বিভিন্ন অঞ্চলত অবৈধ দখলকাৰীৰ কবলত থকা কেইবাহাজাৰ বিঘা ভূমি অতি সোনকালে দখলমুক্ত কৰা হ'ব বুলি উল্লেখ কৰে।

## সাম্প্ৰদায়িক সংঘৰ্ষৰ

তেওঁৰ নেতৃত্বত সংগঠনটোৰ উগ্ৰ মন্তব্য আৰু কাৰ্যকলাপে অঞ্চলটোত সাম্প্ৰদায়িক উত্তেজনা সৃষ্টিৰ আশংকা বৃদ্ধি কৰিছে। এই পৰিপ্ৰেক্ষিতত মঙলবাৰে গগৈয়ে বীৰ লাচিত সেনাৰ মুখ্য সচিব ৰণ্টু পানীফুকনলৈ এখন মুকলি পত্ৰ লিখি শৃংখলৰ কাৰ্যকলাপৰ তীব্ৰ সমালোচনা কৰে। শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে পত্ৰত ৰণ্টু পানীফুকনক "ভাই" সম্বোধন কৰি শৃংখল চলিহাৰ সাম্প্ৰদায়িক মন্তব্যৰ তীব্ৰ নিন্দা কৰে। তেওঁ প্ৰশ্ন তুলি কয়, "শৃংখলৰ সাম্প্ৰতিক ভিডিঅ'ত থকা বক্তব্য জাতীয় সংগঠনৰ নেতাৰ নে উগ্ৰ সাম্প্ৰদায়িক ৰাজনীতিকৰ? এই মন্তব্যবোৰে কি সাম্প্ৰদায়িক সংঘৰ্ষৰ উচ্চাটনৰ পথ প্ৰশস্ত কৰা নাই?" গগৈৰ মতে, শৃংখলৰ বক্তব্য আৰু কাৰ্যকলাপ বিজেপি আৰু আৰএছএছৰ সাম্প্ৰদায়িক এজেণ্ডাৰ সৈতে সংগতি ৰাখে। তেওঁ পত্ৰত উল্লেখ কৰে যে বিদেশী সমস্যা সমাধানৰ নামত সাধাৰণ মানুহৰ সৈতে সংঘৰ্ষ সৃষ্টি কৰাটো গণতান্ত্ৰিক সংগঠনৰ নীতিৰ বিপৰীত। গগৈৰ পৰামৰ্শ, "যদি বীৰ লাচিত সেনাই বিদেশী খেদাৰ লক্ষ্য লৈছে, তেন্তে পুলিচ আৰু প্ৰশাসনক বিদেশীৰ তালিকা বা বাসস্থানৰ তথ্য প্ৰদান কৰি আইনী পথত সমাধান বিচৰা উচিত। সাধাৰণ মানুহৰ ঘৰে ঘৰে গৈ বিদেশী বিচৰাৰ ফলত সম্প্ৰীতি বিঘ্নিত হ'ব।" অখিল গগৈয়ে শৃংখলৰ আটাইতকৈ বিতৰ্কিত আঠটা মন্তব্য তালিকাভুক্ত কৰি তাৰ সাম্প্ৰদায়িক চৰিত্ৰ তুলি ধৰিছে। এই মন্তব্যসমূহ হ'ল: "সম্প্ৰীতি শেষ, যুদ্ধ হ'ব।", "শিৱসাগৰত এতিয়া সম্প্ৰীতি শেষ, যুদ্ধ হ'ব।", "চেলেঞ্জ কৰিছো, দম থাকিলে আহিব লাগিব, ক'ত লাগিব ক'বি।", "শিৱসাগৰ জ্বলিলে জ্বলিব।", "মুখামুখি সংঘৰ্ষ বিচাৰিছে? হ'ব সংঘৰ্ষ, ক'ত লাগিব ক'লেই হ'ল।", "সম্প্ৰীতি দেখুৱাৰ ঠিকা লৈছ নেকি?", "কিহৰ সম্প্ৰীতি সদায় সদায়?", "যুদ্ধ হ'ব, প্ৰয়োজনত হেংদাং হ'ব। বিকল্প চিন্তাৰ প্ৰয়োজন হ'লে তাৰো ব্যৱস্থা হ'ব।" গগৈৰ অভিযোগ, এই মন্তব্যবোৰে শৃংখল চলিহাক "সাম্প্ৰদায়িক সংঘৰ্ষৰ উচটনিৰ যন্ত্ৰ" হিচাপে প্ৰতিষ্ঠা কৰিছে। তেওঁ সতৰ্ক কৰি কয় যে এনে কাৰ্যকলাপে অসমৰ ইতিহাসত বীৰ লাচিত সেনাৰ নাম "ফেচিবাদৰ সমৰ্থক" হিচাপে লিপিবদ্ধ হ'ব পাৰে। অখিল গগৈয়ে বিদেশী সমস্যা সমাধানৰ বাবে বিজ্ঞানসন্মত পদ্ধতিৰ পৰামৰ্শ দিয়ে। তেওঁৰ মতে, "অসমৰ নাগৰিকপঞ্জী এনআৰচিৰ মাধ্যমে সম্পূৰ্ণ কৰি বৈধ নাগৰিকৰ তালিকা প্ৰকাশ কৰা, স্বদেশীসকলক পৰিচয়পত্ৰ প্ৰদান কৰা আৰু বিদেশীসকলক আইনী পথেৰে বিতৰণ কৰাটোৱেই হৈছে সঠিক পথ।" তেওঁ দাবী কৰে যে তেওঁৰ দল ক্ষমতাত আহিলে এই পদক্ষেপ গ্ৰহণ কৰিব। গগৈয়ে বিজেপি চৰকাৰৰ সমালোচনা কৰি কয়, "বিজেপিয়ে ন বছৰ শাসন কৰি একজন বিদেশীকো বিতৰণ কৰা নাই। যদি অসমত এক কোটি বিদেশী আছে, তেন্তে চৰকাৰে কি কৰিছে? এনআৰচি কিয় সম্পূৰ্ণ কৰা নাই?" তেওঁ উচ্ছেদক বিজেপিৰ "ভোট সংগ্ৰহৰ অস্ত্ৰ" বুলি আখ্যা দি কয় যে এনে পদক্ষেপ অকৰামি বা মতলববাজীৰ ফল। অখিল গগৈয়ে বীৰ লাচিত সেনাক সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰা কাৰ্যকলাপৰ পৰা বিৰত থাকি জাতীয় কাৰ্যসূচী গ্ৰহণৰ আহ্বান জনায়। তেওঁ পত্ৰত লিখে, "শৃংখলৰ উচ্চাটনমূলক কথা আৰু কাম নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব তোমাৰ। দেশৰ বাবে জীৱন আহুতি দিয়া তোমাৰ ককাইদাৰ হিচাপে মই এই দাবী কৰিব পাৰো।" তেওঁ শিৱসাগৰৰ জনসাধাৰণক শান্তি আৰু সম্প্ৰীতি বজাই ৰখাৰ আহ্বান জনায়। শৃংখল চলিহাৰ "মিঞা যাবই লাগিব" শ্লোগানে শিৱসাগৰত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। তেওঁৰ নেতৃত্বত বীৰ লাচিত সেনাৰ কাৰ্যকলাপে অঞ্চলটোৰ সামাজিক পৰিৱেশক উত্তপ্ত কৰি তুলিছে। অখিল গগৈৰ এই পত্ৰৰ জৰিয়তে সাম্প্ৰদায়িক সংঘৰ্ষৰ সম্ভাৱনা হ্ৰাস কৰি আইনী আৰু গণতান্ত্ৰিক পথৰ প্ৰতি গুৰুত্ব দিয়াৰ এক প্ৰচেষ্টা পৰিলক্ষিত হৈছে। তেওঁৰ মন্তব্যই বিদেশী সমস্যাৰ সমাধানৰ বাবে শান্তিপূৰ্ণ আৰু প্ৰশাসনিক পদক্ষেপৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিয়ে।

## বিজেপিৰ উচ্ছেদ নীতি

পঠিয়াই দিছে, তেতিয়া অসমৰ পৰা এজনো বিদেশীক আইনীভাৱে বিতৰণ কৰা হোৱা নাই। বিজেপিয়ে নিৰ্বাচনৰ সময়ত বিদেশীৰ প্ৰসঙ্গ লৈ কেৱল ৰাজনীতি কৰিছে।" তেওঁ উল্লেখ কৰে যে ২০১৪ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিশ্ৰুতি দিছিল যে ১৬ মে'ৰ পিছত অসমৰ পৰা সকলো বিদেশী বিতৰণ কৰা হ'ব। কিন্তু দহ বছৰ পাৰ হোৱাৰ পিছতো এই প্ৰতিশ্ৰুতি পূৰণ হোৱা নাই। গগৈয়ে মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰে, "যদি অসমত এক কোটি বিদেশী আছে, তেন্তে বিজেপি চৰকাৰে এই বিষয়ে কি কৰিছে? এনআৰচি কিয় সম্পূৰ্ণ কৰা হোৱা নাই? বিদেশী চিনাক্তকৰণ আৰু বিতৰণৰ বাবে সম্পৰ্কিত দেশৰ সৈতে প্ৰত্যাৰ্বতন চুক্তি কিয় কৰা হোৱা নাই?" তেওঁ স্পষ্ট কৰে, "এক কোটি বিদেশী খেদাৰ দায়িত্ব কাৰ?" অখিল গগৈৰ অভিযোগ, অসমৰ উচ্ছেদ অভিযান ২০২৬ৰ নিৰ্বাচনৰ বাবে বিজেপিৰ ৰাজনৈতিক অস্ত্ৰ। তেওঁ উৰিয়ামঘাটৰ উচ্ছেদৰ উদাহৰণ দি কয়, "চৰকাৰে দাবী কৰিছিল যে বাংলাদেশীয়ে মাটি দখল কৰিছে। কিন্তু উচ্ছেদৰ পিছত এজনো বাংলাদেশীক বিতৰণ কৰা নহ'ল। বৰং সেই মাটি এতিয়া নগাৰ দখলত।" তেওঁ প্ৰশ্ন তুলি কয়, "নগাৰ পৰা মাটি সুৰক্ষিত কৰাৰ পৰিকল্পনা কি? নে হিমন্ত বিশ্ব শৰ্মাৰ উদ্দেশ্য কেৱল হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰা?" গগৈৰ মতে, উচ্ছেদৰ মূল লক্ষ্য অসমৰ ৰাইজৰ কল্যাণ নহয়, বৰং বহিঃৰাজ্যৰ ব্যৱসায়ী গোষ্ঠীৰ হাতত মাটি তুলি দিয়া। তেওঁ উল্লেখ কৰে, "গোৱালপাৰা, ধুবুৰীৰ উচ্ছেদৰ পিছত মাটি আদানী আৰু আম্বাণীৰ দখলত গৈছে। কাৰ্বি আংলংৰ ১২ হাজাৰ বিঘা মাটি চ'লাৰ প্ৰজেক্টৰ নামত আদানীক দিয়াৰ পৰিকল্পনা চলি আছে।" গগৈৰ অভিযোগ, বিজেপিৰ পৃষ্ঠপোষকতাত কিছুমান সংগঠনক সাম্প্ৰদায়িক সংঘৰ্ষৰ উচটনিৰ দায়িত্ব দিয়া হৈছে। তেওঁ কয়, "অসমত যি সাম্প্ৰদায়িক আৰু উত্তেজনামূলক পৰিৱেশ সৃষ্টি কৰা হৈছে, তাৰ ফলত সুনাগৰিকসকলৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। সাতামপুৰুষীয়া ঐক্য ধ্বংস কৰাৰ বাবে বিজেপিৰ নেতৃত্বত এই পৰিৱেশ গঢ়ি তোলা হৈছে।" তেওঁ সতৰ্ক কৰি কয়, "উচ্ছেদ জাতীয় দায়িত্ব পালনৰ বাবে নহয়, বৰং ২০২৬ৰ নিৰ্বাচনত বিজেপিৰ স্বাৰ্থ সিদ্ধিৰ বাবে কৰা হৈছে। এই অভিযানৰ মাধ্যমে হিন্দু-মুছলমানৰ মাজত বিভেদ সৃষ্টি কৰাৰ চেষ্টা চলিছে।" অখিল গগৈয়ে বিদেশী সমস্যাৰ সমাধানৰ বাবে বিজ্ঞানসন্মত পদ্ধতিৰ পৰামৰ্শ দিয়ে। তেওঁ কয়, "এনআৰচি সম্পূৰ্ণ কৰি নাগৰিকৰ তালিকা প্ৰকাশ কৰা, স্বদেশীসকলক পৰিচয়পত্ৰ প্ৰদান কৰা আৰু বিদেশীসকলক আইনীভাৱে বিতৰণ কৰাটোৱেই হৈছে সঠিক পথ।" তেওঁ বিজেপিৰ শাসনকালত এই প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ অভাৱৰ সমালোচনা কৰে। গগৈয়ে অসমৰ জনসাধাৰণক সাম্প্ৰদায়িক উত্তেজনাৰ পৰা সাৱধান হৈ শান্তি আৰু ঐক্য ৰক্ষাৰ আহ্বান জনায়। তেওঁৰ মতে, বিজেপিৰ উচ্ছেদ নীতি অসমৰ মাটি সুৰক্ষিত কৰাৰ পৰিৱৰ্তে বহিঃৰাজ্যৰ স্বাৰ্থৰ হাতত তুলি দিয়াৰ ষড়যন্ত্ৰ। এই পৰিস্থিতিত জনসাধাৰণৰ সচেতনতা আৰু ঐক্যই অসমৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰিব।

## প্ৰকৃতিৰ তাণ্ডৱলীলাত

কমেও চাৰিজন লোকৰ মৃত্যু হৈছে আৰু ৫০ৰো অধিক লোক নিৰুদ্দেশ হৈছে। এই ঘটনাই পবিত্ৰ গংগোত্ৰী ধামৰ সৈতে সকলো পথ সংযোগ বিচ্ছিন্ন কৰি তুলিছে, যাৰ ফলত অঞ্চলটোত বিশৃংখলাৰ সৃষ্টি হৈছে। প্ৰলয়ংকাৰী ঢৌৱে পাহাৰৰ পৰা ধ্বংসাৱশেষ কঢ়িয়াই আনি ধৰালী গাঁৱৰ কেইবাটাও ঘৰ, গছ-গছনি ধ্বংস কৰি পেলাইছে। পৰ্যটক আৰু স্থানীয় লোকৰ ৰেকৰ্ড কৰা দৃশ্যত দেখা গৈছে যে পানী আৰু ধ্বংসাৱশেষৰ সোঁত এফালৰ পৰা বৈ আহি হোটেলৰ পৰা বজাৰলৈকে সকলো বুৰাই পেলাইছে। এজন প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, তেওঁ জীৱনত পূৰ্বতে কেতিয়াও এনে ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগৰ সাক্ষী হোৱা নাছিল। উদ্ধাৰ অভিযানত জৰুৰীকালীনভাৱে নামি পৰিছে উত্তৰকাশী আৰক্ষী, এছডিআৰএফ, এনডিআৰএফ, ভাৰতীয় সেনা আৰু অন্যান্য সংস্থাৰ দলসমূহ। ভূমিস্খলনৰ কাষৰীয়া অঞ্চলত নিয়োজিত ভাৰতীয় সেনাই প্ৰথমে উদ্ধাৰ কাৰ্য আৰম্ভ কৰি কমেও ১৫জন লোকক সুৰক্ষিতভাৱে উদ্ধাৰ কৰিছে। ইতিমধ্যে ভাৰত-তিব্বত সীমান্ত আৰক্ষী (ITBP)ৰ ১৬ জনীয়া এটা দল ধৰালীত উপস্থিত হৈ উদ্ধাৰ অভিযানত যোগদান কৰিছে, আৰু একে সংখ্যক জোৱানৰ আন এটা দলকো এই স্থানলৈ প্ৰেৰণ কৰা হৈছে। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে এই ঘটনাক অত্যন্ত বেদনাদায়ক বুলি বৰ্ণনা কৰি জানিবলৈ দিছে যে তেওঁ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে নিৰন্তৰ যোগাযোগত আছে। তেওঁ এ'ত এটা পোষ্টত কয়, "ধৰালী (উত্তৰকাশী)ত ডাৱৰ বিস্ফোৰণৰ ফলত হোৱা ধ্বংসলীলাৰ খবৰ অত্যন্ত দুখজনক। এছডিআৰএফ, এনডিআৰএফ, জিলা প্ৰশাসন আৰু অন্যান্য সংস্থাৰ দলসমূহে যুদ্ধকালীন তৎপৰতাৰে উদ্ধাৰ আৰু সাহায্য কাৰ্য চলাইছে। মই সকলোৰে সুৰক্ষাৰ বাবে প্ৰাৰ্থনা কৰিছো।" এই দুৰ্যোগৰ পিছতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী ধামীক সকলো ধৰণৰ সাহায্যৰ আশ্বাস প্ৰদান কৰিছে। দুৰ্যোগ প্ৰশমন বিভাগসমূহে ক্ষতিগ্ৰস্ত অঞ্চলত নিৰৱচ্ছিন্নভাৱে উদ্ধাৰ আৰু পুনৰুদ্ধাৰৰ কাম অব্যাহত ৰাখিছে। গংগোত্ৰী ধামৰ ওচৰৰ এই অঞ্চলত হোৱা এই ভয়াৱহ ঘটনাই পৰ্যটক আৰু স্থানীয় লোকৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি কৰিছে।

ঘগ্ৰাপাৰ-তামোলপুৰ পথত প্ৰকাণ্ড গাঁত, ঠায়ে-ঠায়ে একাঁঠু পৰ্যন্ত পানী

# জহি-খহি গৈছে কোটিটকীয়া নলা



**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ৫ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ হাইৰে চ'কৰ পৰা ঘগ্ৰাপাৰ- তামোলপুৰ পথটোত সম্প্ৰতি ঠায়ে ঠায়ে প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাৰ লগতে একাঁঠু পৰ্যন্ত পানী হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰী তথা পথচাৰীয়ে দুৰ্ভোগ ভুগিব লগা হৈছে। উল্লেখ যে বৰষুণ দিলে পথটোৰ পৰা ঠায়ে ঠায়ে পানী ওলাই যাবলৈ কোনো ব্যৱস্থা নথকাৰ লগতে স্থানীয় যান-বাহনৰ উপৰিও চুবুৰীয়া ৰাষ্ট্ৰ ভুটানৰ পৰা গধুৰ যান-বাহন অতি মাত্ৰাত চলাচল কৰাৰ ফলত পথটো এনেদৰে বিধ্বস্ত হোৱা বুলি স্থানীয় লোকে অভিযোগ উত্থাপন কৰিছে। ২৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ ঘগ্ৰাপাৰ চ'কৰ সমীপৰ পৰাই পথটো চটাচটে এৰাই যোৱাৰ লগতে মাজে মাজে পথটোত প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে। নলবাৰী জিলাৰ লোক নিৰ্মাণ বিভাগৰ অন্তৰ্গত ঘগ্ৰাপাৰ-তামোলপুৰ পথটোৰ বিধ্বস্ত ৰূপে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে পথচাৰী ৰাইজক দুৰ্ভোগ ভোগাই আহিছে যদিও ঊৰ্ধতন কৰ্তৃপক্ষই অলপো গুৰুত্ব দিয়া নাই বুলি ৰাজহুৱা অভিযোগ উঠিছে। উল্লেখ্য যে বাৰিষা অহাৰ লগে লগে উক্ত পথটো এনেদৰে এৰাই যোৱাৰ ফলত এজাক বৰষুণ দিলে পথটোৰ ঠায়ে ঠায়ে পানী জমা হৈ পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হোৱাত ছাত্ৰ-ছাত্ৰীকে ধৰি পথচাৰীয়ে চলাচল কৰাৰ ক্ষেত্ৰত যন্ত্ৰণা ভুগিব লগা হৈছে বুলি আক্ষেপ প্ৰকাশ কৰিছে। আনহাতে পথটোৰ কাষত বাস কৰা কিছু সংখ্যক পৰিয়ালে বৰষুণৰ ফলত পথটোত জমা হোৱা পানী ভাগ ওলাই যাবলৈ ব্যৱস্থা কৰি নিদিয়াৰ ফলতো এনেদৰে পানী জমা হৈ থকা পথটোৰে যান বাহন চলাচল কৰিলে সোনকালে পথটো জৰাজীৰ্ণ হৈ পৰে বুলিও সদৰী কৰে। তদুপৰি নিজৰ নিজৰ ঘৰৰ সন্মুখৰ পথত জমা হোৱা পানী উলিয়াই দিয়াৰ ব্যৱস্থা কৰিব লাগিব বুলিও মত ব্যক্ত কৰে। এইক্ষেত্ৰত স্থানীয় প্ৰশাসনে নিৰ্বিকাৰ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি ক্ষোভ প্ৰকাশ কৰে। প্ৰায় দুইবছৰ পূৰ্বে উক্ত পথটো লোক নিৰ্মাণ বিভাগে মেৰামতি কাৰ্য সম্পন্ন কৰিছিল যদিও ঠিকাদাৰৰ কামৰ নিম্নমানদণ্ড আৰু চুবুৰীয়া ৰাষ্ট্ৰ ভুটানৰ মাত্ৰাধিক সৰু বৰ যান- বাহন চলাচলৰ বাবে ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। ইফালে উক্ত পথটোৰ কাষতে কেইবাখনো চৰকাৰী-বেচৰকাৰী স্কুল থকাৰ পৰিপ্ৰেক্ষিতত স্কুললৈ আহ- যা কৰাৰ ক্ষেত্ৰত নিতৌ ছাত্ৰ-ছাত্ৰীয়ে নৰক-যন্ত্ৰণা ভুগিব লগা হৈছে। পথটোৰ ঘগ্ৰাপাৰ হাইৰে চ'কৰ সমীপৰ পৰাই বখলা বখলে এৰাই গাঁতৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ টেঙাবাৰী, পোনৰকাউনীয়া, বৰাজোল, ভিঠামহল, খাটিকুছি, সোণকুৰিহা আদিকে ধৰি পথটোৰ ভিন্ন স্থানত মাজে মাজে এনেদৰে বিধ্বস্ত হোৱাত যাতায়তৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সৃষ্টি হৈছে। ইফালে পথছোৱাৰ দুয়ো কাষত ঘগ্ৰাপাৰ হাইৰে চ'কৰ পৰা ঘগ্ৰাপাৰ শংকৰদেৱ শিশু নিকেতনৰ কাষলৈ নলবাৰী সমষ্টিৰ তদানীন্তন বিধায়ক অশোক শৰ্মাৰ দিনত কেইবা কোটি টকীয়া নলাৰ ব্যৱস্থা কৰিছিল যদিও আজি ভোকোভাওনাত পৰিণিত হৈছে। শেহতীয়াকৈ নলা দুয়োটিৰে পানী চলাচল কৰা বন্ধ হোৱাৰ উপৰিও ঠায়ে ঠায়ে ভাঙি-ছিঙি মৃত্যুৰ উপত্যকা লৈ উপক্ৰম হৈছে। স্থানীয় ৰাইজে জানিব দিয়া মতে এই নলাত পৰি সঘনে দুৰ্ঘটনা সংঘটিত হৈ আহিছে যদিও নলবাৰীৰ বিষাগোম লোক নিৰ্মাণ বিভাগে মুঠেও গুৰুত্ব দিয়া নাই। আনকি পথছোৱাৰ বিধ্বস্ত ৰূপ দুৰ কৰাটো মুঠে গুৰুত্ব দিয়া নাই বুলি ৰাজহুৱা অভিযোগ উঠিছে।




## পলাশবাৰীত গাঞ্জাসহ দুই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, মিৰ্জা, ৫ আগষ্ট ঃ** পলাশবাৰী আৰক্ষীৰ নাকা চেকিঙৰ সময়ত বৰকুছিৰত দেওবাৰে গাঞ্জাসহ দুজন ব্যক্তি ক্ৰমে পলাশবাৰীৰ পাল্লীৰ নোৱাপাৰাৰ ৰাহুল কলিতা আৰু মাজিৰগাঁৱৰ ঠাকুৰীয়াপাৰাৰ হীৰকজ্যোতি কলিতা নামৰ দুজন অবৈধ গাঞ্জা সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয় আৰক্ষী। গুৱাহাটীৰ ফালৰ পৰা আহি থকা অৱস্থাত বৰকুছিত জব্দ কৰা হয় গাঞ্জাখিনি। পৰীক্ষা কৰাৰ পিছত সৰবৰাহকাৰী দুজনৰ হাতত থকা দুটা বেগৰ পৰা প্ৰায় ১০.২৭৬ কিলোগ্ৰাম ওজনৰ ভাং জব্দ কৰে আৰক্ষীয়ে। প্ৰাথমিক জেৰাত দুয়ো গৰাকী সৰবৰাহকাৰীয়ে মঙলদৈৰ পৰা উক্ত গাঞ্জা ক্ৰয় কৰাৰ পিছত বাছেৰে মিৰ্জা অভিমুখে আহি আছিল বুলি উল্লেখ কৰিছে। ইফালে সোমবাৰে দিনৰ প্ৰায় দুই মান বজাত আৰক্ষীয়ে দুয়োজন সৰবৰাহকাৰীক জেইল হাজোতলৈ প্ৰেৰণ কৰে।

গাঁৱৰ শিপা নাপাহৰিব ঃ ড° মনোজ কুমাৰ মহন্ত

## নগেন্দ্ৰ চন্দ্ৰ বেজবৰুৱাৰ অভিনন্দন গ্ৰন্থ 'অক্লান্ত' উন্মোচন



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৫ আগষ্ট ঃ** নলবাৰী জিলাৰ বগুৰিহাটীৰ শ্ৰীশ্ৰীবাসুদেৱ পঞ্চধাম (আশ্ৰম)ত নপ্তিপাৰা নিবাসী বিশিষ্ট শিক্ষাবিদ, সু-বক্তা তথা জাগাৰাস্থিত উত্তৰ কামপীঠ জুনিয়ৰ কলেজৰ অৱসৰী অধ্যক্ষ নগেন্দ্ৰ চন্দ্ৰ বেজবৰুৱাৰ ৬৬ সংখ্যক ওপজা দিনৰ লগত সংগতি ৰাখি কালি এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সভাত শিক্ষাবিদ বেজবৰুৱাৰ 'অক্লান্ত' নামৰ অভিনন্দন গ্ৰন্থ এখনো উন্মোচন কৰা হয়। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি দিগন্ত ভৰালীৰ সঞ্চালনাত অনুষ্ঠিত সম্বৰ্ধনা আৰু গ্ৰন্থ উন্মোচনী সভাখনত আদৰণী ভাষণ দিয়ে ধনজিৎ হালৈয়ে। সুবক্তা নগেন্দ্ৰ চন্দ্ৰ বেজবৰুৱাৰ ওপৰত বিভিন্ন লিখা সন্নিবিষ্ট 'অক্লান্ত' শীৰ্ষক অভিনন্দন গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে বৰক্ষেত্ৰীৰ সুযোগ্য সন্তান তথা গুৱাহাটীস্থিত প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ মনোজ কুমাৰ মহন্তই। গ্ৰন্থ উন্মোচনী ভাষণত ড° মহন্তই কয় যে সুবক্তা হিচাপে পৰিচিত নগেন্দ্ৰ চন্দ্ৰ বেজবৰুৱাই বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আগুৱাই জীৱন যুঁজত সফলতাৰ মুখ দেখা এগৰাকী ব্যক্তি। অৱসৰৰ পাছতো তেওঁ সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিৰ লগত সদ্ভাৱেৰে বিভিন্ন সামাজিক কামত নিজকে নিয়োজিত কৰি ৰাখিছে। তেওঁৰ সবলতা তথা সমাজ হিতৈষিতাৰ বাবেই বিভিন্নজনে তেখেতৰ ওপৰত কিছু ভাৱ প্ৰকাশেৰে গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে। গুণীজনৰ গুণানুকীৰ্তন কৰাটো শুভ লক্ষণ বুলিও মহন্তই মত প্ৰকাশ কৰে। মহন্তই লগতে কয় যে গ্ৰন্থৰ জৰিয়তে বিভিন্ন বিষয় আৰু জীৱনী স্মৰণীয় হৈ থাকে। সভাত উপস্থিত লোকসকলক উদ্দেশ্যি মহন্তই এনেদৰে কয়, 'আপোনালোকে গাঁৱৰ শিপা নাপাহৰিব। কিয়নো আমি গৰিষ্ঠসংখ্যক লোকে গাঁৱৰ পৰা আহিছোঁ। কংক্ৰীটৰ মহানগৰীত কিছু লোকহে থাকে। গাঁওখনতে থাকে আচল শিপা। কাৰণ পৰিয়ালৰ পৰা সৃষ্টি হৈছে এখন গাঁও। গাঁৱৰ পৰাহে এখন সমাজৰ সৃষ্টি হয়।' এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মাই কয় যে গ্ৰন্থৰ মাজত ভগবান অদৃশ্য ৰূপত থাকে। মাতৃভাষাত ৰচিত প্ৰতিখন গ্ৰন্থই জাতিৰ সম্পদ, যিয়ে সমাজক নিজৰ সৰ্বোচ্চ উজাৰি দিয়ে। সমাজে এদিন তেনে মানুহৰ শলাগ নিশ্চয়কৈ ল'ব। সাহিত্যিক অশ্বিনী বেজবৰুৱাই ভাষণ প্ৰসংগত উল্লেখ কৰে যে বৰ্তমান নতুন প্ৰজন্মৰ মাজত ভাল গ্ৰন্থ একোখন প্ৰকৃত বন্ধু হিচাপে পৰিগণিত হ'ব। সভাখনত বিশিষ্ট আৰু সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি সদৌ অসম জুনিয়ৰ কলেজ শিক্ষক-কৰ্মচাৰী সন্থাৰ সম্পাদক উৎপল চক্ৰৱৰ্তী, নাট্যকাৰ ৰমেশ কুমাৰ হালৈ, ভাৰতীয় বায়ুসেনাৰ প্ৰাক্তন বিষয়া গোবিন্দ বৰুৱা, সমাজসেৱক জ্যোতিৰ্ময় শৰ্মাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বেজবৰুৱাৰ জীৱন সন্দৰ্ভত আলোকপাত কৰে। আনহাতে, শিক্ষাবিদগৰাকীৰ ওপজা দিনটোত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰে। এই অনুষ্ঠানতে শিক্ষাবিদ বেজবৰুৱাৰ পুত্ৰ তথা তাৰ্কিক নবাকণ কাশ্যপে গ্ৰন্থ প্ৰকাশৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে পৰৱৰ্তী পৰ্যায়ত এই গ্ৰন্থৰ বহল প্ৰকাশ কৰাৰ কথা ঘোষণা কৰে।

ৰূপকোঁৱৰৰ কালজয়ী নাট ''লভিতা'' মঞ্চস্থ; সম্বৰ্দ্ধনা আৰু গ্ৰন্থ উন্মোচন

## মাকুমত 'সূৰ্যোদয়'ৰ ৩৮ সংখ্যক প্ৰতিষ্ঠা দিৱস-নটসূৰ্য ফণী শৰ্মা দিৱস পালন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৫ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ মাকুমৰ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান 'সূৰ্যোদয়'ৰ ৩৮ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু নটসূৰ্য ফণী শৰ্মা দিৱসটি ৩০ আৰু ৩১ জুলাইত উদ্যোগ নগৰী মাকুমৰ যুগল কিশোৰ কেশান স্মৃতি ভৱনত অনুষ্ঠিত হৈ যায়। ৩০ জুলাইত মাকুমৰ এগৰাকী জনপ্ৰিয় তথা উদীয়মান শিল্পী তুলিকা গগৈৰ সোঁৱৰণত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। মাকুম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক নিলোৎপল শইকীয়াই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটিত মঞ্চ মুকলি কৰে মাকুম সাহিত্য সভাৰ সম্পাদক দিগন্ত দাসে। 'সূৰ্যোদয়'ৰ সঞ্চালক অখিল চন্দ্ৰ বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত তুলিকাৰ পিতৃ সৌমিত্ৰ গগৈ আৰু মাতৃ চেতনা নেওগ গগৈৰ লগতে সমাজকৰ্মী মৃণ্ময় দাস আৰু দীপক দাসক সূৰ্যোদয়ৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। সন্ধিয়ালৈ বিশিষ্ট নাট্যকাৰ ৰাজীৱ লোচন বৰাৰ ''নামৰে কঠীয়া'' শিশুনাটখনি স্থানীয় শিশুশিল্পীসকলে প্ৰদৰ্শন কৰে। সুৰ্দশনা গোস্বামীৰ বৰগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত ভাৰ্গৱী ভায়লিনা কোঁৱৰ, তনুশ্ৰী মৰাণ, হৃষিকা শইকীয়া, ঈশান অভিনৱ গগৈ, চানভী দত্ত, নিশিপ্ৰিয়া কলিতা, বৃষ্টি বৰুৱা, পৰী মৰাণ, জেচমিনা শইকীয়া, ভৈৰৱী সিং, পূজা মুড়া, মিনু পাত্ৰ, ৰাগিনী দাস, পৰিস্মিতা মাউত, গৰিমা দত্ত, জোনমণি তাঁতী, অৰ্পিতা দেৱনাথ আদিয়ে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। উক্ত অনুষ্ঠানতেই শতাধিক শিশুৰ মাজত নৰ্থ ইষ্ট আৰ্ট এণ্ড ক্ৰাফট ডিজাইনিং ইন্সটিটিউটৰ সৌজন্যত চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ৩১ জুলাইৰ পুৱা ৯ বজাত পতাকা উত্তোলন কৰে 'সূৰ্যোদয়'ৰ সভাপতি ভাৰতী বৰাই। তেখেতে 'সূৰ্যোদয়'ৰ ৩৮ বছৰীয়া বৰ্ণাঢ্য জীৱন পৰিক্ৰমাক দাঙি ধৰে। বন্তি প্ৰজ্বলন কৰে সমাজকৰ্মী বিনয় দত্তই। সন্ধিয়া নটসূৰ্য ফণী শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ নাগৰিক কুমুদ ডেকাই। নটসূৰ্য ফণী শৰ্মাৰ সোঁৱৰণী মঞ্চ উদ্বোধন কৰে উদ্যোগী তথা সমাজকৰ্মী ৰাজৰ্ষী গগৈয়ে। গগৈয়ে নিজৰ ভাষণত সূৰ্যোদয়ে সমাজ জীৱনলৈ আগবঢ়োৱা সেৱাই ভৱিষ্যত প্ৰজন্মৰ বাবে মাইলৰ খুঁটি হৈ ৰ'ব বুলি মন্তব্য কৰে। সন্ধিয়া ৭ঃ ৩০ বজাত নটসূৰ্য ফণী শৰ্মাক সুঁৱৰি 'সূৰ্যোদয়'ৰ শিল্পীসকলে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী নাটক 'লভিতা'ৰ সফল মঞ্চায়ন কৰে। ৰাজীৱলোচন বৰাৰ সুদক্ষ পৰিচালনাত মঞ্চস্থ কৰা ঐতিহাসিক নাটখনিৰ মুখ্য চৰিত্ৰত ঈপ্সা গগৈৰ সুন্দৰ আৰু সাৱলীল অভিনয়ে দৰ্শকক মুগ্ধ কৰিবলৈ সক্ষম হৈছে। ৰূপ, সোণ, হীৰা, ভলণ্টিয়াৰ, দাৰোগা, আৰক্ষী আদিত জাহ্নৱী বৰা, মানসী বৰুৱা, দীক্ষিতা বৰুৱা, অখিল চন্দ্ৰ বৰুৱা, জয়ন্ত অধিকাৰী, পাৰমিতা চৌধুৰী, ইন্সপেক্টৰ চৰিত্ৰত হেমাঙ্গ গগৈ, গোলাপৰ চৰিত্ৰত ঋতুৰাজ দত্ত আৰু বাণেশ্বৰ বৰুৱাৰ চৰিত্ৰত ৰাজীৱ লোচন বৰাৰ অভিনয় আছিল অতি আকৰ্ষণীয়। সেইদৰে মৌজাদাৰণীৰ চৰিত্ৰত ৰণী বৰঠাকুৰ, গাঁওবুঢ়াৰ চৰিত্ৰত ৰাজু নাথে দুৰ্দান্ত অভিনয় কৰি দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হয়। পুলিচ চাহাবৰ চৰিত্ৰত কাজল চৌধুৰী, এ আৰ পিত অচ্যুত পূজাৰী, কেপ্তেইন শৰ্মাৰ চৰিত্ৰত প্ৰাঞ্জল কুমাৰ দত্ত, ইলাহী বকছত মনজিৎ ঠাকুৰ, কেপ্তেইন সেনাপতিৰ চৰিত্ৰত প্ৰাঞ্জল দাস, ডাক্তৰ হাজৰিকাৰ চৰিত্ৰত গৌতম বৰকটকী, লেফটেনেণ্ট বৰুৱাৰ চৰিত্ৰত গৌতম বৰুৱা, মহাজনৰ চৰিত্ৰত মিথিলেশ কুমাৰ সিং, ঠিকাদাৰৰ চৰিত্ৰত নৱজ্যোতি ৰাজখোৱা, নাৰ্চৰ ভূমিকাত দিপ্তীৰেখা দত্ত, ৰূপা মুড়া, নিগ্ৰো সৈন্যৰ ভূমিকাত দিগন্ত দাস, অনুৰাগ কলিতা, জাপানী সৈন্যৰ ভূমিকাত উজ্জ্বল তাঁতী, ঋষিৰাজ দত্ত, দ্বীপন তাঁতী, হিমাংশু চেতিয়া, কটীয়াৰ চৰিত্ৰত বিতু গগৈ আদিৰ লগতে গাঁৱলীয়া ৰাইজৰ চৰিত্ৰত মামণি বৰুৱা, দীপা কলিতা, বৃষ্টি বৰুৱা, চানভী দত্ত, অনিল বৰুৱা, মানসী বৰুৱা, দীক্ষিতা বৰুৱা আৰু জাহ্নৱী বৰুৱাৰ সাৱলীল অভিনয়ে দৰ্শকক আপ্লুত কৰে। অনুৰাগ বৰাৰ পোহৰৰ ব্যৱস্থাপনাই নাটকখনিৰ সফলতাত বিশেষ অৰিহণা যোগায়। সংগীতত অনুৰাধা বৰপুজাৰী আৰু মুনমুন বৰাই সুন্দৰ সংযোজন কৰিছে। মাকুমৰ দৰে ঠাইত সীমিত সুবিধাৰ মাজেৰে 'লভিতা'ৰ দৰে এখনি কালজয়ী নাট মঞ্চস্থ কৰাটো 'সূৰ্যোদয়'ৰ এক দুঃসাহসিক পদক্ষেপ বুলিব পাৰি। 'লভিতা'ৰ কালজয়ী সংলাপ ''যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ ডেকা হ'বই নোৱাৰে'' - মাকুমবাসীৰ অন্তৰ চুই যাবলৈ যেন সক্ষম হৈছে এনেধৰণৰ সংলাপসমূহে। উক্ত অনুষ্ঠানতে মাকুমৰ উদীয়মান সাহিত্যিক তথা শিক্ষয়িত্ৰী দিপালী বৰুৱা দত্তৰ এখনি শিশু উপযোগী কবিতা পুথি ''অকণিৰ মিঠা মাত'' উন্মোচন কৰে অনাতাঁৰ শিল্পী পূৰ্ণেন্দু কুমাৰ দাসে।

## চেঙাত ফাৰ্মাচীত দুৰ্বৃত্তৰ অগ্নিসংযোগ

**অসম বাৰ্তা, শিমলীতোলা, ৫ আগষ্ট ঃ** চেঙা সমষ্টিৰ অন্তৰ্গত কাৰাইখাইতি বজাৰত যোৱা ৰাতি নিজাম আলীৰ মালিকানাধীন এখন ফাৰ্মাচীত অচিনাকি দুষ্কৃতিকাৰীয়ে জুই লগাই দিয়ে বুলি অভিযোগ উঠিছে। সময়মতে স্থানীয় ৰাইজ আৰু বজাৰৰ অন্যান্য দোকানীয়ে সক্ৰিয়ভাৱে জুই নিয়ন্ত্ৰণত আনিবলৈ সক্ষম হোৱাত বৃহৎ ক্ষতিৰ পৰা ৰক্ষা পৰে। এই অগ্নিকাণ্ডত প্ৰায় ৩০-৩৫ হাজাৰ টকাৰ ঔষধ আৰু বয় বস্তু সম্পূৰ্ণৰূপে জুইত জাহ যায়। ঘটনাটোৰ তীব্ৰ নিন্দা জনাই বজাৰ পৰিচালনা সমিতি আৰু বজাৰৰ দোকানীসকলে প্ৰতিবাদ সাব্যস্ত কৰি কয় যে অচিনাকি দুষ্কৃতিকাৰীক আটক কৰি শাস্তি দিয়ক, নিজামৰ ওপৰত হোৱা অমানবীয় অত্যাচাৰ বন্ধ কৰক, কাৰাইখাইতি বজাৰৰ দোকানীসকলৰ নিৰাপত্তা নিশ্চিত কৰক ইত্যাদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে দোকানীসকলে। ঘটনা সন্দৰ্ভত দোকানীসকলে বজাৰৰ দোকান সুৰক্ষাৰ বাবে আৰক্ষীক দাবী জনোৱাৰ লগতে ভুক্তভোগী নিজাম আলীয়ে কাছুমাৰা আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ঘটনা সন্দৰ্ভত ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

## আগমনিত তীৰ-জুৱা খেলৰ বেহা

**অসম বাৰ্তা, গোলকগঞ্জ, ৫ আগষ্ট ঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত বিভিন্ন বজাৰত চলি আছে তীৰ জুৱা খেল। দল সংগঠনে আৰক্ষীক মাজে সময়ে লিখিত অভিযোগ দিয়াৰ পিছতো আৰক্ষীয়ে বন্ধ কৰিব পৰা নাইতিৰ জুৱাৰ খেল। জানিব পৰা মতে, আগমনি বজাৰ, কালডোবা বজাৰ, খুনিয়াভিটা আদি বজাৰত মুকলিভাৱে চলি আছে অবৈধ তীৰ খেল। তীৰ খেলৰ ফলত অঞ্চলকেইটাৰ সামাজিক পৰিৱেশ বিঘ্নিত হৈ পৰা দেখা গৈছে। সচেতন মহলে অঞ্চলকেইটাত চলি থকা অবৈধ তীৰ খেল বন্ধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীক দাবী জনায়। অৱশ্য কেইদিন পূৰ্বে আগমনী আৰক্ষীয়ে তীৰৰ টিকট সহ বৰমেৰা গাঁৱৰ ৰফিকুল হুছেইনক কালডোৱা বজাৰৰ পৰা আটক কৰে। আনহাতে ছাগলীয়া আৰক্ষী চকীৰ অন্তৰ্গত শিলঘাগ্ৰি বজাৰতো চলি আছে তীৰ জুৱাৰ খেল।

জীৱনত কোনেও অপৰিশোধনীয় ঋণ থৈ যাব নালাগে ঃ ডঃ দেৱজিৎ শইকীয়া

## মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন




**অসম বাৰ্তা, উজনী মাজুলী, ৫ আগষ্ট ঃ** মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন আজি জিলা সমিতিৰ উদ্যোগত এনাজৰী শাখা, কালশিলা শাখা আৰু ত্ৰিবেণী শাখাৰ সহযোগত দিনজোৱা কাৰ্যসূচীৰে সোণাৰিআটিৰ মাজুলী জিলা যোগী সন্মিলনীৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সমিতিৰ সম্পাদিকা লখিমী বৰা শইকীয়াই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখন আদৰণি সমিতিৰ সদস্যাসকলে পৰিৱেশন কৰা এটি সমবেত সংগীতেৰে আৰম্ভ হোৱাৰ পাছতে আদৰণি ভাষণ আগবঢ়ায় অভ্যৰ্থনা সমিতিৰ সভানেত্ৰী লক্ষিমী বৰুৱাই। জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মণিকা মহন্ত গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি সভা উদ্বোধন কৰে মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী তথা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী মিনতি শইকীয়াই। সভাত মুখ্য অতিথিৰ ভাষণত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈয়ে মাজুলী লেখিকা সমাৰোহ সমিতিৰ আতিথ্য, লেখিকাসকলৰ সহযোগিতাৰ শলাগ লয়। তেওঁ মাজুলীলৈ অফলামুখ ঘাটেৰে পাৰ হৈ আহোঁতে পকী দলঙৰ খুঁটা দেখি শংকিত হৈছে যদিও মাজুলীবাসীয়ে ইয়াৰ স্বকীয় বৈশিষ্ট্য, ইয়াৰ সাতামপুৰুষীয়া পৰম্পৰা, ৰীতিনীতি বৰ্তাই ৰখাৰ বেলিকা লেখিকা সমাৰোহ সমিতিৰ দৰে অনুষ্ঠানে কাম কৰিব বুলি আশা ব্যক্ত কৰে। তেওঁ মাজুলীত সম্ভাৱনা থকা পৰ্যটন উদ্যোগ, মুখা শিল্প, বয়ন শিল্পৰ দৰে উদ্যোগৰ বিকাশ আৰু ইয়াৰ জৰিয়তে নিবনুৱা সমস্যা দুৰ কৰাৰ দিশত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি মন্তব্য আগবঢ়াই। সভাত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱাই সন্মানীয় অতিথিৰ বক্তব্য আগবঢ়াই লেখিকা সমাৰোহৰ উত্তৰোত্তৰ উন্নতি কামনা কৰে। 'একৈশ শতিকাৰ নাৰী সমাজৰ বৌদ্ধিক বিকাশত লেখিকা সমাৰোহ সমিতিৰ ভূমিকা' শীৰ্ষক বিষয়ত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰধান সম্পাদিকা মনোমতী কুৰ্মীয়ে বিশ্লেষণাত্মক বক্তব্য দাঙি ধৰি মাজুলী জিলা সমিতিৰ উদ্যোগৰ শলাগ লয়। আজিৰ সভাতে ইন্দুলেখা হাজৰিকা সম্পাদিত লেখিকা সমিতিৰ মুখপত্ৰ 'শাল্মলী' উন্মোচন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, 'জীৱনত কোনেও অপৰিশোধনীয় অৱস্থাত ঋণ এৰি থৈ যাব নালাগে। আমি প্ৰত্যেকেই সমাজৰ ওচৰত কিবা নহয় কিবা প্ৰকাৰে ঋণী হৈ ৰওঁ। জীৱনকালত সেই ঋণ আমি উপযুক্ত কৰ্মৰে পৰিশোধ কৰা উচিত। সাহিত্য সেৱাও এক সমাজকৰ্ম।' যেতিয়া সাহিত্য কৰ্মৰ সৈতে মহিলা সকল যুক্ত হৈ পৰে, তেতিয়া কথাটো অধিক আদৰণীয় হৈ পৰে বুলিও তেওঁ মন্তব্য কৰে। সভাতে ৰুণুমা হাজৰিকা ভৰালীৰ 'হিয়াৰ মুকুতা', ৰেখা বৰাৰ গ্ৰন্থ 'আত্মলব্ধিৰ প্ৰৱাহ' আৰু অনিমা হাজৰিকা শইকীয়াৰ 'বিয়ানামৰ সৌন্দৰ্য' গ্ৰন্থ উন্মোচন কৰে যথাক্ৰমে মিনতি শইকীয়া, মনোমতী কুৰ্মী আৰু ড° দেৱজিৎ শইকীয়াই। সভাত বিশিষ্ট লেখিকা তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী লীলাপ্ৰভা দেৱীক সম্বৰ্ধনা জনোৱাৰ লগতে মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী সৰজু দত্তবৰুৱাক কৃতজ্ঞতা জ্ঞাপন কৰে। ন্যায়িক দণ্ডাধীশ ভাস্কৰ দাসৰ কৃতজ্ঞতা পত্ৰ গ্ৰহণ কৰে সমাজকৰ্মী ডলী বৰুৱাই। সভাত বিশিষ্ট অতিথিৰ বক্তব্য প্ৰদান কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী নিৰু বৰুৱা, মাজুলী জিলা সমিতিৰ প্ৰাক্তন সভানেত্ৰী সুভদ্ৰা শইকীয়া বৰা, মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱাই। ধেমাজীৰ জানমণি সজাতিয়ে এটি কবিতা পাঠ কৰি সকলোকে আপ্লুত কৰে। সভাত অভ্যৰ্থনা সমিতিৰ জ্যোতি শইকীয়াৰ নেতৃত্বত দিহানাম আৰু বৰগীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। সভাত ১০৬ বছৰ গৰকা বয়োজ্যেষ্ঠা সমাজপ্ৰেমী বগীদৈ বৰা উপস্থিত হৈ লেখিকা সকলৰ উপস্থিতি দেখি অভিভূত হয় আৰু শুভাশিস বিচাৰে আৰু সভানেত্ৰীয়ে আৰ্শীবাদ প্ৰদান কৰি তেখেতৰ দীৰ্ঘায়ু কামনা কৰে। লেখিকা মুনমী দত্ত হাজৰিকা আৰু বিজু ভুঞা ওজাকো অভিনন্দন জ্ঞাপন কৰে। সভাত বিশিষ্ট অতিথি হিচাবে অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ অৰূপ কুমাৰ বৰা, হিতৈষী সদস্য গুণেশ্বৰ গায়ন, মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূঞা, গড়মূৰ প্ৰেছ ক্লাবৰ সভাপতি উৎপল কাকতি, আছুৰ কাৰ্যনিৰ্বাহক সদস্য ৰংগৰস মহন্ত, সমাজকৰ্মী জয়ন্ত হাজৰিকা, সমাজকৰ্মী ফিজু দত্ত প্ৰমুখ্যে ওঁঠৰটা শাখাৰ বিষয়ববীয়া, সদস্যা আৰু শুভাকাংক্ষীসকল উপস্থিত থাকে। শেষত সভানেত্ৰীৰ মন্তব্য আৰু অসম সংগীতেৰে মুকলি সভাৰ সামৰণি পৰে। ইয়াৰ পূৰ্বে পুৱা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ কৰে মাজুলী জিলা যোগী সন্মিলনীৰ সম্পাদক কমল শইকীয়া, গুণাৰাম নাথ, অৱসৰপ্ৰাপ্ত শিক্ষক মথুৰা নাথে। জিলা সমিতিৰ দহ বছৰ পূৰ্তি উপলক্ষে সুৰ শইকীয়া হাজৰিকাৰ লগতে দহগৰাকী লেখিকাই দহগছি বন্তি প্ৰজ্বলন কৰাৰ পিছত জিলা পতাকা উত্তোলন কৰে সভানেত্ৰী মণিকা মহন্ত গোস্বামীয়ে। লগতে ওঁঠৰটা সভানেত্ৰী সকলে শাখাৰ পতাকা উত্তোলন কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন